# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 52 | Language of work: Assamese |
| Author (s) / Editor (s): CHANDRA DHAR BARUAH | |
| Title: আসাম-সাহিত্য সভা পত্রিকা | |
| Transliterated Title: Asaama Saahitya Sabhaa Patrikaa | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1935-36 (1857-58 Sak) | Edition: |
| Size: 22 cms. - 224 pages | Genre: Magazine |
| Volumes: 6th - 4 issues | Condition of the original: Not bad |
| Remarks: 1st published in the year 1927 and has been continuing | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# অসম সাহিত্য-সভা পত্ৰিকা

ব'হাগ—আহাৰ, ১৮৫৭—৫৮ শক

| ষষ্ঠ বছৰ | মুঠ সংখ্যা—২৯ | তৃতীয় সংখ্যা |
|---|---|---|


## সম্পাদকৰ আগ-কথা।

যোৱা তেজপুৰ সন্মিলনৰ আদেশ মতে, অসম সাহিত্য সভা পত্ৰিকাৰ সম্পাদনৰ ভাৰ পুনৰ লৈ আকৌ আমাৰ মূৰত পৰিছেহি। ইয়াৰ পূৰ্ব্বেও, পত্ৰিকাৰ জন্মৰে পৰা একেৰাহে তিনি বছৰ আমাৰ হাতত এই কামৰ ভাৰ আছিল। তাৰ পাচত, দুবছৰ আমি সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ কামতো আছিলোঁ। গতিকে আমি আশা কৰিছিলোঁ যোৱা সাহিত্য সভাৰ গধুৰ দায়িত্বপূৰ্ণ কামৰ পৰা আমি ইমানতে অৱসৰ পাম। বিশেষতঃ, পত্ৰিকা সম্পাদনৰ কাম আমাৰ প্ৰতি প্ৰীতিকৰ হলেও সম্প্ৰতি নানা কাৰণৰ বাবে, আমি এনে গুৰুতৰ কামৰ নিমিত্তে সুযোগ্য নহওঁ। এই কথা সন্মিলনত জনোৱাও হৈছিল। তথাপি সমূহ সাহিত্যিকৰ আদেশ উপেক্ষা কৰিব নোৱাৰি আমি এই বাবটো আকৌ ভাৰ লব লগাত পৰিলোঁ। পত্ৰিকাৰ অৰ্থে, সাধ্য অনুসৰি, কৰ্ত্তব্য পালন কৰিবলৈ আমি জ্ঞান বিশ্বাস মতে কেতিয়াও ত্ৰুটী নকৰোঁ। কিন্তু এজন দুজন বা তিনিজন মানুহৰ যত্নত এনে কাৰ্য্য সুপ্ৰচুৰ মতে হৈ উঠা টান। ই ৰাজহুৱা কাৰ্য্য, আৰু ইয়াতে দেশৰ সকলো জনা সুজা লোকৰ মিলিত সহানুভূতিৰ প্ৰয়োজন। সেই বাবে, অসম সাহিত্য সভাৰ সকলো সভ্য আৰু দেশৰ সকলো শিক্ষিত মানুহৰ পৰা আমি আন্তৰিক শুভ কামনা আৰু সৰ্ব্বপ্ৰকাৰৰ সাহায্য আকাঙ্ক্ষা কৰিলোঁ। ঈশ্বৰৰ অনুগ্ৰহত আৰু দেশৰ শিক্ষিতসকলৰ যত্নত, এই পত্ৰিকাৰ শুভ উদ্দেশ্য যেন সম্পূৰ্ণৰূপে পূৰণ হয়, এয়ে আমাৰ একান্ত অভিলাষ; আৰু তাৰ বাবেই সকলোৰে ওচৰত আমি বিনীত ভাবে আশীৰ্ব্বাদ আৰু সহযোগ ভিক্ষা কৰিছোঁ।

# সম্পাদকীয়।

**পত্ৰিকা ওলোৱাৰ সময়—**

ইয়াৰ আগৰ সংখ্যা পত্ৰিকা (অৰ্থাৎ ৬ ষ্ঠ বছৰৰ দ্বিতীয় সংখ্যা) ওলাই যাবৰ ভালে দিন হ'ল। সেই সংখ্যা সেই বছৰৰ মাঘৰ পৰা চ'তলৈকে আছিল, কিন্তু ওলোৱাত চাৰি মাহ পলম হৈছিল। এই সংখ্যা ওলোৱাতো, বিবিধ অসুবিধাৰ বাবে ন'থৈ পলম হৈ এতিয়া সপ্তম বছৰত পৰিলহি।

গতিকে, এই সংখ্যা কাকত ৬ ষ্ঠ বছৰৰ তৃতীয় সংখ্যা বুলিয়েই উলিওৱা হল; আৰু মাহৰ লেখ মিলি থাকিবলৈ ইয়াক "বহাগ—আহাৰৰ"ৰ সংখ্যা বুলি ছপোৱা হ'ল। কিন্তু ষষ্ঠ বছৰৰ বহাগ—আহাৰৰ ঠাইত ই সপ্তম বছৰৰ আহাৰতহে ওলাইছে। এই বাবে প্ৰকৃততে একো হানি নহয়। ইহাতে পোনেই চকুত পৰা দীঘলীয়া পলমৰ আপচু আসোঁৱাহটোও নোহোৱা হ'ব। এই ফেৰা লৰ চৰ কৰিব লগীয়া হোৱাত, আমি পাঠক-পাঠিকাসকলৰ ওচৰত মৰিষণ মাগিছোঁ।

* * *

* * *

**ৰাজকুমাৰ চন্দ্ৰনাৰায়ণসিংহ—**

ৰাজকুমাৰ ৺ চন্দ্ৰনাৰায়ণসিংহ গোঁহাইদেৱ আমাৰ দেশৰ এগৰাকী প্ৰধান লেখৰ লোক আছিল। ইংৰাজ চৰ্কাৰে অসমত আকৌ আহোম ৰজাৰ উত্তৰাধিকাৰীকে ৰজা পাতোঁ বোলা হ'লে, চন্দ্ৰনাৰায়ণ গোঁহাইদেৱ বৰ্ত্তমান থকাত তেৱেঁইহে সেই পদ পাব লাগিল-হেতেন। ৺ কন্দৰ্পেশ্বৰ ৰজা হানি পৰিলত এই চন্দ্ৰনাৰায়ণ গোঁহাইদেৱেই উত্তৰাধিকাৰীসূত্ৰে তেখেতৰ সা-সম্পত্তি পাইছিল। তেওঁ যে চুকাফা, গদাধৰ, ৰুদ্ৰসিংহৰ বংশধৰ, অকল এই বাবেই অসমীয়াৰ চকুত তেওঁ মহিমাময় হৈ আছিল।

চন্দ্ৰনাৰায়ণ গোঁহাইদেৱৰ লিখা-পঢ়া বৰ সৰহ নাছিল। হাইস্কুলৰ কেইটামান শ্ৰেণীত পঢ়িয়েই তেওঁ স্কুল এৰিছিল। কিন্তু, সজ বিবেচনা আৰু সুৰুচিয়েই ডাঙৰৰ সন্তান বুলি তেওঁৰ চিনাকি দিছিল। আগৰ ডাঙৰ আহোমসকলৰ মুখত এটা তেজস্বীতা, আৰু চকুত এক প্ৰকাৰ জ্যোতি বা অগ্নি আছিল। আজি-কালি তেওঁলোকৰ সতি-সন্ততিৰ গাত তাক পাবলৈ নোহোৱা হৈ আহিছে। চন্দ্ৰনাৰায়ণ গোঁহাইদেৱৰ গাত হ'লে তাৰ কিঞ্চিৎ অৱশিষ্ট আছিল। তেওঁৰ চকু আৰু মুখলৈ চালেই তেওঁক ডাঙৰ আহোমৰ সঁচ বুলি চিনিব পৰা আছিল।

তেওঁৰ দেউতাক ৺ নৰনাৰায়ণসিংহ মাজিউ মেলীয়া ৰজা অতি সভাশুৱনি, ভক্তিভাজন, থুলম্থুৰ গম্ভীৰ পুৰুষ আছিল। তেখেতে কেইবাটাও ভাষা জানিছিল; এগৰাকী ভাল চিকিৎসক বুলিও তেখেতৰ প্ৰসিদ্ধি আছিল। সেই কালৰ অসমীয়া ভাল মানুহে চিকিৎসা বিদ্যাটোক শিক্ষাৰ এক ঘাই অঙ্গ বুলি গণ্য কৰিছিল। তেখেতে মৃত্যুৰ দিনলৈকে চৰ্কাৰৰ ঘৰৰ পৰা পেঞ্চন পাই আছিল। চন্দ্ৰনাৰায়ণ গোঁহাইদেৱকো তেওঁৰ আৰু পৰিবাৰবৰ্গৰ ভৰণ পোষণৰ নিমিত্তেই চৰ্কাৰে মৌজাদাৰী কাম দিছিল।

চন্দ্ৰনাৰায়ণ গোঁহাইদেৱ ৰজাঘৰ আৰু প্ৰজাৰ উভয়ৰে সন্মানিত লোক আছিল। তেওঁ হানি পৰিবৰ সম্বাদ পোৱা মাত্ৰে আমাৰ ডেপুটী কমিচনাৰ শ্ৰীযুত ক্ৰেচাৰ চাহাবে নগৰৰ সকলো চৰ্কাৰী অফিচ তুৰন্তে বন্ধ কৰাই দিয়ালে। এই বাবে তেওঁ আমাৰ শলাগৰ পাত্ৰ।

গোঁহাইদেৱৰ মৃত্যুৰ বাবে আন সকলো অসমীয়া মানুহৰ দৰেই আমিও অতিশয় বেজাৰ পাইছোঁ। ঈশ্বৰে তেওঁৰ আত্মাৰ সদ্গতি কৰক। তেওঁৰ পৰিয়ালবৰ্গলৈকো এই শোকৰ সময়ত আমি আন্তৰিক সমবেদনা জনাইছোঁ। তেওঁলোকেও স্বৰ্গীয় গোঁহাইদেৱৰ দৰেই চৰ্কাৰৰ ঘৰৰ মৰম চেনেহ আৰু সহানুভূতি পাই থাকিব বুলি আমি আশা কৰোঁ। গোঁহাইদেৱৰ তিনিটি পুত্ৰ বিদ্যমান আছে। আমি ইয়াকো আশা কৰিছোঁ যে আমাৰ আহোম ৰজাৰ সতি-সন্ততি বুলি তেওঁলোকলৈ আঙুলিয়াই আমি সদায় গৌৰৱ অনুভৱ কৰিব পাৰিম।

• • •

**গৱৰ্ণৰৰ দান—**অসম সাহিত্য সভাৰ পৃষ্ঠ-পোষক আমাৰ গৱৰ্ণৰ মাননীয় চাৰ্ মাইকেল্ কীন্ বাহাদুৰে সাহিত্য সভালৈ এই বছৰৰ কাৰণে ৩০০৲ টকা দান কৰিছে। চৰ্কাৰৰ যথাযোগ্য অৰ্থ সাহায্য প্ৰাৰ্থনা কৰিবলৈ, সভাৰ পৰা তেখেতৰ ওচৰলৈ 'ডেপুটেচন্' যাবৰ নিমিত্তে তেখেতৰ অনুমতি খোজা হৈছিল। তাৰ উত্তৰত তেখেতে লিখিছে বোলে চৰ্কাৰৰ এনে অৰ্থ-অনাটনৰ দিনত মিছাতে "ডেপুটেচন্" পঠাবৰ প্ৰয়োজন নাই; আৰু সভাৰ সাহায্যৰ নিমিত্তে এই তিনিশ টকাকে পঠাই দিছে। এই নিমিত্তে আমি সন্মানেৰে তেখেতৰ শলাগ লৈছোঁ।

সভাৰ এই ভীষণ অৰ্থসঙ্কটৰ সময়ত আমাৰ মাননীয় একজিকিউটিভ্ মেম্বৰ মহোদয়ে, আৰু মাননীয় মন্ত্ৰী মহোদয়সকলেও এই দৰেই মৰম কৰি সাহায্য কৰিব বুলি আমি আশা কৰিছোঁ। অসম সাহিত্য সভা যে চৰ্কাৰৰ সকলো প্ৰকাৰৰ সাহায্য পাবৰ উপযুক্ত পাত্ৰ তাক বৰ্ণাই বিবৰিবৰ প্ৰয়োজন নাই। সম্প্ৰতি ধনৰ অভাৱত সভাৰ যেনে দুৰ্দ্দিন পৰিছে, তাত চৰ্কাৰৰ ধনমূৰীয়া সকলে এই দৰেই অলপ অচৰপ মথ্ জোকাৰি থাকিলেও, সভাই কিছু ভত্ পায়।

• • •

**সভাৰ নিয়মাৱলী—**সাহিত্য সভাৰ নিয়মাৱলীত আৱশ্যকীয় সাল-সলনি কৰিবলৈ, যোৱা তেজপুৰ সন্মিলনে এখন "চব্ কমিটী" নিযুক্ত কৰি দিছিল। সেই কমিটীৰ কাৰ্য্যৰ শেষ হৈছে। কমিটীয়ে অন্যবিলাক সাল-সলনিৰ লগতে, নতুনকৈ এটা নিয়ম সুমাবলৈ অভিমত দিছে।

সভাৰ বছেৰেকীয়া সন্মিলনবোৰত, সময়ৰ নাটনিত, নতুবা সন্মিলনৰ খদম্-দমতে, সভাৰ অনেক লাগতিয়াল কথাৰ আলোচনা কৰিবলৈ থাকি যায়, বা নানা কাৰণৰ বাবে, যথাযোগ্য ৰূপে আলোচনা হ'বলৈ নেপায়। সেই গুণে, ওপৰত কোৱা, "কমিটীৰ" মতে, সভাৰ ঘাই কথাবোৰৰ মীমাংসা কৰিবৰ নিমিত্তে, প্ৰতি বছৰে অকল সভাৰ সভ্যসকলেৰেই সভাৰ ঘাই কেন্দ্ৰত একোখন সাধাৰণ অধিবেশন বহিব লাগে। সন্মিলনখন অকল propaganda ৰ বাবে থাকিব লাগে; তাত সাহিত্য সভাৰ বিৱৰণী, কাৰ্য্য-কলাপ আৰু অভিমতবোৰ ৰাইজক বিশদ ৰূপে জনাব লাগে; আৰু দৰ্কাৰ মতে, কোনো কথাত সৰ্ব্বসাধাৰণ ৰাইজৰ মত ল'ব লাগে।

এই নিয়মটো কাৰ্য্যকৰী হ'ব বুলি আমাৰ অনুমান হয়। আমি আশা কৰোঁ, সভাৰ সভ্যসকলে কথাটো ভালকৈ যেন ভাবি চাব। যদি এই নিয়ম চলালে সভাৰ কাম কাযৰ সুবিধা হয়, তেনেহলে, ইয়াক সোনকালে চলোৱাহে যুগুত।

• • •

**অহা সন্মিলন—**অহা ইষ্টাৰৰ বন্ধত গুৱাহাটীত সাহিত্য সন্মিলন বহিব। অভ্যৰ্থনা সমিতিয়ে এতিয়াৰে পৰা তালৈ যো-জা কৰিবৰ শুনি আমি সন্তোষ পাইছোঁ। গুৱাহাটীৰ দৰে, সুবিজ্ঞ, উৎসাহী আৰু কৰ্ম্মী লোক থকা প্ৰাচীন ঠাইত সন্মিলনৰ সকলো কাৰ্য্য সুচাৰু আৰু সন্তোষজনক ৰূপে আৰু সমাৰোহেৰে সম্পাদিত হ'ব বুলি আমি আশা কৰিছোঁ।

• • •

**চেণ্ট্ৰেল্ টেক্সট্ বুক্ কমিটী—**পঢ়াশালীয়া কিতাপ বাছিবৰ নিমিত্তে আগৰ টেক্সট্ বুক্ কমিটীৰ ঠাইত, কৰ্ত্তৃপক্ষই সম্প্ৰতি "চেণ্ট্ৰেল

টেক্স্‌ট্‌ বুক্‌ কমিটী" নাম দি, ডাঙৰকৈ এখন কমিটী পাতিছে। অসমৰ শিক্ষা বিভাগৰ বিশেষজ্ঞ কেইজন মানৰ বাহিৰে, এই কমিটীৰ বাকী সকলো খিনি সভাই অসম লেজিছ্‌লেটিভ্‌ কাউন্সিলৰ মেম্বৰ। তাৰে আধা-খিনি অসমীয়া আৰু আধাখিনি ছিলটীয়া।

এই কথাত অকল আমিহে নেলাগে, লিখা-পঢ়া জনা অসমীয়া মাত্ৰৰে ঘোৰ প্ৰতিবাদ। আমাৰ মনেৰে, এই বিধানত ছিলটীয়া সকলো সন্তুষ্ট হ'ব নেলাগে।

চৰ্কাৰী বিশেষজ্ঞ কেইজনৰ বিষয়ে আমাৰ বিশেষ একো ক'ব লগীয়া নাই। কিন্তু বাকীখিনি সভ্যক, অকল সাম্প্ৰদায়িক নীতিত বাজে, আন কিবা নীতিত নিযুক্ত কৰা হৈছে বুলি আমি বুজিব নোৱাৰিলোঁ। কাউন্সিলৰ মেম্বৰসকল প্ৰায়েই ব্যৱসায়ী মানুহ; তেওঁলোকৰ অন্য কামলৈ সিমান আজৰি নেথাকে। তাৰ উপৰিও কাউন্সিলৰ মেম্বৰ হলেই যে মানুহ পাঠ্য পুথি বাছিবলৈকো পাকৈৎ হৈ পৰে, এই কথাও আমি নপতিয়াওঁ। তাৰ বাজেও, বঙ্গালী কিতাপ বাছিবলৈ অসমীয়া সভ্যৰ, আৰু অসমীয়া কিতাপ বাছিবলৈ বঙ্গালী সভ্যৰ কি আৱশ্যক, তাকো আমি ক'ব নোৱাৰোঁ। আমাৰ মনেৰে, যাৰ যি ভাষাত ভাল ব্যুৎপত্তি নেথাকে, তেনে মানুহক সেই ভাষাৰ পাঠ্য পুথি বাছিবলৈ দিয়াটো অকল বিড়ম্বনাৰ বাহিৰে আন একো হ'ব নোৱাৰে।

যদি অসমীয়া মেম্বৰ কেইজনে অকল অসমীয়া আৰু বঙ্গালী কেইজনে অকল বঙ্গালী কিতাপ বাছিব বুলি এই মিলিত কমিটী গঠিত কৰা হৈছে, তেনেহলেও আমি কওঁ যে বঙ্গালী কিতাপ বাছিবৰ নিমিত্তে অসমত কোনো কমিটীৰ প্ৰয়োজনেই নাছিল। বঙ্গদেশৰ পঢ়াশালিৰ নিমিত্তে যি যি কিতাপ মঞ্জুৰ হয়, তাকে যদি অসমৰ বঙ্গলা স্কুলতো চলাই থকা যায়—আৰু তাকে কৰাটো-ৱেইহে বাঞ্ছনীয় কথাও—তেনেহলে, অসম দেশত আকৌ বেলেগে বঙ্গালী কিতাপ বাছিবৰ একো সকাম নেথাকে।

আচলতে আমাক লাগে অসমীয়া কিতাপ বাছিবৰ নিমিত্তে এখনি সৰু আৰু কাৰ্য্যকৰী কমিটী; আৰু তাৰ সভ্য হ'ব লাগে জনচেৰেক চৰ্কাৰী বিশেষজ্ঞ আৰু কেইজন মান অসমীয়া সাহিত্য জনা আৰু কমিটীৰ কামলৈ হেলা নকৰা বেচৰ্কাৰী সাহিত্যিক মানুহ। আগৰ যি "টেক্স্‌ট্‌ বুক্‌ কমিটী" আছিল, তাৰে মনপ অচৰপ্‌ সংস্কাৰ কৰি দিয়া হ'লেই, সুকলমে কাম চলিল হেতেন। গৱৰ্ণমেণ্টে, তাকে নকৰি, অনৰ্থকত আমাৰ টেটুত এই হাড়-মাল আৰি দিছে। আমাৰ বোধেৰে, ইয়াৰ পৰা আমাৰ উপকাৰ ন'হৈ, অপকাৰহে হ'ব—খৰচ বাঢ়িব, কামত সদায় গলদ হ'ব, আৰু কামো এতিয়াতকৈ লেহেম বিধৰ হ'ব। ইয়াৰ ফলত অসমীয়া সাহিত্যৰ সাজ বাংৰঙ্গলুৱা হৈ পৰিব।

এই অপকাৰী বিধানৰ শীঘ্ৰে কিবা এটা ভাল প্ৰতিবিধান কৰিবৰ অৰ্থে আমি গৱৰ্ণমেণ্টক কাৰ্য্যত অনুনয় কৰিছোঁ।

• • •

**ভূঞাদেও আৰু মিচ্‌ টমাচৰ বিলাত যাত্ৰা**—ৰায়বাহাদুৰ শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা দেও, আৰু ডিব্ৰুগড়ৰ ছোৱালী হাই স্কুলৰ শিক্ষয়িত্ৰী মিচ্‌ বেচী টমাচ্‌ ( এওঁ এজন অসমীয়া মহিলা ) উচ্চতৰ শিক্ষাৰ অৰ্থে বিলাতলৈ যোৱাত আমি অতিশয় আনন্দ পাইছোঁ। আমি তেওঁলোক দুই গৰাকীৰে কৃতিত্ব আৰু সৰ্ব্বমঙ্গল কামনা কৰিছোঁ।

• • •

**আমাৰ উচ্চ স্ত্ৰী-শিক্ষা**—কটন কলেজ আৰু যোৰহাটৰ কলেজত ছোৱালীৰ সংখ্যা বাঢ়িছে দেখি আমি সন্তোষ পাইছোঁ। কলেজত পঢ়া ছোৱালীৰ লেখ এই অনুপাতেই বাঢ়ি গলে, আমাৰ দেশত অচিৰতে উচ্চ শিক্ষা পোৱা তিৰোতাৰ নাটনি আৰু নহ'ব বুলি আমাৰ মনত আশাৰ সঞ্চাৰ হৈছে। সুবিধা পালে অসমীয়া ছোৱালীয়েও আন দেশৰ ছোৱালীৰ দৰেই, উচ্চ শিক্ষাৰ বাটত আগ বাঢ়িব নোৱাৰিবৰ একো কাৰণ নাই। আমি এই ছাত্ৰীসকলৰ কৃতিত্ব কামনা কৰিছোঁ।

আমাৰ দেশত উচ্চ স্ত্ৰী-শিক্ষাৰ সম্প্ৰতি প্ৰধান অন্তৰায় হৈছে আমাৰ অৰ্থাভাৱ। মাহে ৪০।৫০ টকা



ভাড়া দি গুৱাহাটী বা যোৰহাট নগৰত থৈ ছোৱালী পঢ়াব পৰা মানুহ এই দেশত সৰহ নোলায়। কিন্তু ভাৰতীয়া হলেও, সামৰ্থিব পৰা সকলক আমি ধাটিছোঁ তেখেতসকল যেন এই কামত পাচ নোহোঁহকে। ছোৱালীও ল'ৰাৰ দৰেই "পালনীয়া" আৰু "শিক্ষণীয়াহ," এই দেশৰ পুৰাতনীয়া নীতি।

আগনি এণ্ট্ৰান্সত উত্তীৰ্ণ হোৱা সকলো অসমীয়া ল'ৰাক, কলেজত পঢ়িবলৈ চৰ্কাৰে মাহে ২০ টকাকৈ বৃত্তি দিছিল। এতিয়াও কিছু কাললৈ মেট্ৰিকুলেচন্‌ পৰীক্ষাত উঠা অসমীয়া ছোৱালাক, অন্ততঃ প্ৰথম আৰু দ্বিতীয় বিভাগত উঠা সকলক, সেই দৰেই চৰ্কাৰৰ পৰা সাহায্য দানৰ কিবা দিহা কৰিব নোৱাৰিনে?

• • •

**মিচেচ্‌ হিগিণ্‌চ্‌ আৰু ছোৱালী হ'ষ্টেল**—কটন কলেজৰ ছাত্ৰী থাকিবলৈ হ'ষ্টেল্‌ বা বৰ্ডিং ঘৰৰ ভাল দিহা নাই। সেই বাবে, অসম উপত্যকাৰ কমিশ্যনাৰ চাহাবৰ পত্নী শ্ৰীযুতা হিগিণ্‌চে এটা ভাল মহিলা হ'ষ্টেল্‌ কৰাবলৈ বিশেষ পৰিশ্ৰম কৰা শুনি, আমি বৰ ৰং পাইছোঁ, আৰু তেখেতৰ ন'থৈ শলাগ লৈছোঁ। তেখেতে গুৰি ধৰি লাগিছে যেতিয়া, এই সৎকাৰ্য্য অচিৰতে সুকলমে সিদ্ধ হ'ব বুলি আমাৰ বিশ্বাস হৈছে।

মিচেচ্‌ হিগিন্‌চৰ সজ কাৰ্য্যৰ আমি সফলতা কামনা কৰিছোঁ। আৰু আমি আশা কৰিছোঁ, এই হ'ষ্টেলেই যেন বহু কাললৈকে এই দেশত তেওঁৰ সুনাম জনাই ৰাখিব।

---

# গ্ৰীক্‌ দাৰ্শনিক প্লে'টৰ ৰাষ্ট্ৰতন্ত্ৰ।

গ্ৰীচ্‌ দেশৰ কোনো এক সম্ভ্ৰান্ত পৰিয়ালত প্লেট'ৰ ( খ্ৰীঃ পূঃ ৪২৯—৩৪৭ ) জন্ম হয়। তেওঁৰ আচল নাম এৰিষ্টক্লিচ্‌ (Aristocles); তেওঁ চক্ৰেটিচৰ প্ৰধান শিষ্য আৰু এৰিষ্টটোলৰ শিক্ষাগুৰু আছিল। তেওঁ লিখি থৈ যোৱা অনেক গ্ৰন্থৰ ভিতৰত ৰিপাব্লিক্‌ আৰু ডায়েলগ্‌চ্‌ ( Dialogues ) এই দুখনৰ প্ৰভাৱ দৰ্শন আৰু ৰাজনীতি ক্ষেত্ৰত আজিকো পৰিমিত স্বীকৃত।

প্লেট'ৰ ৰাজনৈতিক মতবাদৰ গুৰিত কেইবাটাও ডাঙৰ ডাঙৰ ঘটনা আছিল। প্ৰথম, তৎকালীন্‌ দণ্ডনীতি অনুযায়ী এথেন্স্‌ নগৰৰ প্ৰজাতন্ত্ৰবাদীসকলে হেম্‌লক্‌ ( Hemlock ) নামৰ বিষ পান কৰোৱাই চক্ৰেটিচক হত্যা কৰাত 'প্লেটোই' যি মৰ্ম্মান্তিক শোক পাইছিল, তাৰ পৰা তেওঁৰ মনত প্ৰজাতন্ত্ৰৰ প্ৰতি এটা চিৰকলীয়া বৈষম্যৰ ভাব বহি ৰল। দ্বিতীয়তে, স্পাৰ্টা আৰু এথেন্সৰ মাজত ঘটা পেল'পনেচিয়ান্‌ মহাযুদ্ধৰ ফলত গ্ৰীছবাসীৰ যি অন্তৰ্ভেদী দুখ দুৰ্গতি হৈছিল তাৰ নিষ্কৰুণ দৃশ্যই তেওঁক অত্যন্ত চিন্তাকুল আৰু অস্থিৰ কৰি তুলিছিল। এই দুটা ডাঙৰ ঘটনাৰ উপৰিও নাগৰিকবিলাকৰ ব্যভিচাৰ আৰু বিশ্বাসঘাটকতা, গ্ৰীক্‌ চিটি-ষ্টেট্‌বিলাকৰ মাজত অনৈক্য আৰু সততে যুদ্ধ বিগ্ৰহ, আৰু মেকিডনি-য়ান্‌ সাম্ৰাজ্যবাদৰ আগন্তুক বিভীষিকা, এইবিলাকে না না অশান্তি সৃষ্টি কৰিছিল।

প্লেট'ৰ সময়ৰ এথেন্সৰ ৰাজনৈতিক আৰু সামাজিক অৱস্থাক মেকিয়েভেলিৰ সময়ৰ ইটালীৰ ৰাজনৈতিক

আৰু সামাজিক অৱস্থাৰ লগত তুলনা কৰিব পাৰি। দুই জনেই নিজ নিজ দেশক ঘোৰ দুৰৱস্থাৰ পৰা উদ্ধাৰ কৰিবলৈ উপায় চিন্তা কৰি তেনে অৱস্থাত প্ৰকৃত ৰাজনৈতিক তত্ত্ব বুজা পৰম পৰাক্ৰমী অতিমানৱৰ (Superman) স্বেচ্ছাচাৰিতা বিচাৰিছিল। কিন্তু তেওঁলোকৰ উদ্দেশ্য বেলেগ বেলেগ আছিল। ৰাজনীতি বিশাৰদ মেকিয়েভেলিয়ে তেনে স্বেচ্ছাচাৰিতা বিচাৰিছিল বলবান বিদেশী ৰাজশক্তিৰ অধীনত প্ৰপীড়িত আৰু নিজৰ ভিতৰত অনৈক্যৰ যোগে বিভক্ত ইটালী দেশক মুক্তি দি সমগ্ৰ ইটালীয় উপদ্বীপক একতাসূত্ৰত বদ্ধ কৰিবৰ নিমিত্তে। মেকিয়েভেলিৰ ৰাজনীতি দৰ্শনত দেশবাসীৰ নৈতিক উৎকৰ্ষসাধন বা ব্যক্তিগত চৰিত্ৰ-গঠনৰ বাবে স্থান নাছিল (ক)। তেওঁৰ ৰাজনীতিৰ মূল উদ্দেশ্য আছিল নিজ দেশৰ সমৃদ্ধি, শক্তিবৃদ্ধি আৰু প্ৰসাৰণ; এই মহান্ উদ্দেশ্যৰ তুলনাত আন সকলোবোৰ উদ্দেশ্য আনুষঙ্গিক বা নিমিত্তবৎ আছিল, আৰু এই উদ্দেশ্যৰ লগত খাপ-খোৱা কাৰ্য্যকৰী ৰাজনীতি প্ৰণালী তেওঁ ইটালীক দি থৈ গল, যাৰ প্ৰভাৱ আজিৰ যুগত মুছলিনিৰ গাত ফলিয়াইছে। মেকিয়েভেলিয়ে ঠেক্ ভৌগোলিক সীমাৰ ভিতৰত আবদ্ধ থকা গ্ৰীক্ ৰাজনীতিক হীন চকুৰে চাইছিল। ৰোমৰ অভ্যুদয় আৰু বিস্তীৰ্ণতা তেওঁৰ জীৱনৰ ব্ৰত আছিল; তেওঁ আধুনিক সাম্ৰাজ্যবাদৰ অগ্ৰনায়ক। কিন্তু গ্ৰীক্ দাৰ্শনিক মহামতি প্লেট'ই অতিমানৱৰ স্বেচ্ছাচাৰিতা বিচাৰিছিল সাম্যবাদী ৰাষ্ট্ৰগঠনৰ যোগে ভ্ৰষ্টচৰিত্ৰ এথেন্স্‌বাসীৰ নৈতিক জীৱনৰ পুনৰ্গঠন সাধিবলৈ। প্লেট'ৰ উদ্দেশ্য ৰাজ্যবিস্তাৰ বা পাৰ্থিব বৈভৱ বৃদ্ধি কৰা নহয়, তেওঁৰ চৰম উদ্দেশ্য নৈতিক জীৱনযাপনৰ যোগে আধ্যাত্মিক উৎকৰ্ষ সাধন কৰি পৰম পুৰুষ বা পৰমেশ্বৰ বা পৰমানন্দৰ (Supreme Being, Absolute idea of God) স্বৰূপ লাভ কৰা (খ)। এই আত্মোন্নতি কেৱল সুব্যৱস্থিত জনসমাজ বা ৰাষ্ট্ৰতহে সম্ভৱ বুলি তেওঁ কয়, কাৰণ সি সুদীৰ্ঘকালব্যাপী গভীৰ শিক্ষাৰ ফল।

প্লেট'ই চক্ৰেটিচৰ দৰে বিশ্বাস কৰিছিল যে শিক্ষাৰ যোগে মানুহক সদ্‌বুদ্ধি (Virtue) দিব পাৰি; গতিকে শিক্ষা-প্ৰদানৰ দায়িত্ব শাসন-তন্ত্ৰৰ অন্তৰ্ভুক্ত হব লাগে; আৰু তাৰ নিমিত্তে ৰাষ্ট্ৰক সাম্যবাদৰ (Commonism) ভিত্তিত থিয় কৰিব লাগিব। এই থিনিতে আমি প্লেট'ৰ সাম্যবাদৰ লগত নৱ ৰুছিয়াৰ জন্মদাতা লেনিনৰ সাম্যবাদ মিলাই চাব পাৰোঁ। দুইজনে ব্যক্তিগত সম্পত্তি (private property) সকলো অনৰ্থৰ মূল বুলি ভাবিছিল; দুইজনে ধন-নৈতিক (money-economy) ঘৃণাৰ চকুৰে চাইছিল; দুইজনে সৰু লৰা-ছোৱালীৰ পিতৃ-মাতৃৰ তত্ত্বাৱধানৰপৰা এৰুৱাই আনি গৱৰ্ণমেণ্টে সিহঁতক সমজুৱাকৈ শিক্ষা দিয়াৰ দায়িত্ব লোৱা উচিত বুলি মত প্ৰকাশ কৰিছিল; দুইজনে কোনো এক মূল মতৰ ওপৰত ৰাজনীতি গঢ়ি ৰাজ্যৰ অন্তৰ্ভুক্ত সকলো মানুহ আৰু তেওঁলোকৰ সকলো কাৰ্য্য সেই মূল মত বা মূল ধৰ্ম্মৰ অধীনস্থ কৰিবলৈ বিচাৰিছিল; আৰু দুইজনে তেওঁলোকৰ মতবাদ কোনো অতিমানৱৰ যোগে জন-সমাজত কাৰ্য্যকৰী হব বুলি ভাবিছিল।

প্লেট'ৰ সাম্যবাদৰ মতে স্বতন্ত্ৰ ব্যক্তিগত পাৰিবাৰিক জীৱনযাপনৰ নীতি উঠি যাব লাগে। তাৰ ঠাইত স্ত্ৰী-পুৰুষৰ মাজত সম্বন্ধ জীৱন-বৃত্তৰ উপযোগী সন্তানোৎপাদনৰ উপায় স্বৰূপ হব লাগে আৰু এই সম্বন্ধ

(ক) "But in no philosopher of either ancient or mediaeval times were the dictates of religion and morality so frankly relegated to a subordinate, and even insignificant position in relation to the theory and practice of politics"—Dunning's Political Theories Ancient and Mediaeval: Chap. on Machiavelli, p. 297.

(খ)..."to become like God, as far as this is possible."—History of philosophy by Alfred Weber: authorized translation by Frank Thilly—p 99.



ব্যৱস্থাপনৰ ভাৰ সাম্যতন্ত্ৰৰ কৰ্ত্তব্যৰ ভিতৰত পৰিব লাগে। প্লেট'ৰ এই ব্যৱস্থা আজি ইউজেনিক্স (Eugenics) বিজ্ঞানৰ (সুস্থ আৰু সুন্দৰ সন্তানোৎপাদন সম্বন্ধীয় বিজ্ঞান) প্ৰধান বিষয় হৈ পৰিছে। কিন্তু, মানৱ জাতিৰ মূল ভিত্তিৰ প্ৰতি গভীৰ দৃষ্টি ৰখা প্লেট'ৰ অন্তৰ্জ্ঞানত তেতিয়াই এইবিলাক ভাব উদয় হৈছিল। তেওঁ যৌন মনোনয়ণৰ (Sexual selection) আৱশ্যকতা বঢ়িয়াকৈ উপলব্ধি কৰিছিল, যদিও আজিৰ যুগত মানুহৰ আৰ্থিক প্ৰৰোচনা সেই নীতি অৱলম্বনৰ পথত উগ্ৰ প্ৰতিদ্বন্দী হৈ থিয় দিছে। তেওঁ পাচত মেলথাচে বুজোৱা লোকসংখ্যা-বৃদ্ধি সমস্যা ধৰিব পাৰিছিল, কিন্তু যুদ্ধাদিৰ কাৰণ মেলথাচ্ আদিৰ দৰে আৰ্থিক দুৰৱস্থাত আৰোপ নকৰি বিলাসিতাতহে আৰোপ কৰিছিল।

ওপৰত উল্লিখিয়াই অহা হৈছে যে আত্মোন্নতি সাধি, পৰম পুৰুষ, পৰমানন্দ বা পৰম-কল্যাণৰ স্বৰূপ লাভ কৰাটোৱেই প্লেট'ৰ মুখ্য উদ্দেশ্য। প্লেট'ৰ ৰাষ্ট্ৰ মানৱ জাতিৰ এই পৰমানন্দ (The Highest Good) সাধনৰ পথত উপায় স্বৰূপ, আৰু এই পৰমানন্দ একমাত্ৰ বিশ্ব-ব্ৰহ্মাণ্ডৰ সজীৱ-নিৰ্জ্জীৱ সকলো বস্তুতে অভিব্যক্ত পৰম পুৰুষ বা পৰমাত্মাইহে (Universal Spirit) দিব পাৰে। প্ৰত্যেক ব্যক্তিয়েই পৰম পুৰুষৰ অংশ, অৰ্থাৎ ক্ষুদ্ৰাকাৰত পৰম পুৰুষ, বা প্ৰত্যেক ব্যক্তিতে পৰম পুৰুষৰ সত্ত্বা অন্তৰ্ণিহিত আছে। এতেকে মানুহে অনন্ত উন্নতিৰ পথত নিজৰ উন্নতি সাধি পৰম পুৰুষৰ অৱস্থা লাভ কৰিব পাৰে। মানৱাত্মা আৰু পৰমাত্মা ভিন্ন বস্তু হোৱা হ'লে ই অসম্ভৱ হলহেতেন। মানুহৰ জ্ঞান বা বিবেক (Reason) ঐশ্বৰিক বস্তু, ন'হলে পৰমেশ্বৰ তত্ত্বৰ ইঙ্গিত জ্ঞানগ্ৰাহ্য ন'হলহেতেন। এই জ্ঞানৰ সহায়তহে মানুহে পৰমাত্মালাভৰ পথত নিজক অনুপ্ৰেৰিত কৰিব পাৰে; জ্ঞানেই দীপ্তি আৰু আনন্দ, জ্ঞানশূন্যতাই অন্ধকাৰ আৰু মোহ।

প্লেট'ৰ মতে ৰাষ্ট্ৰ পৰমানন্দ বা পৰম সুখৰ অধিকাৰী নহয় যদিও, তাৰ সাধনত সি উপায় স্বৰূপ। সকলোৰে অন্তৰত অনুপ্ৰৱিষ্ট পৰমাত্মাৰ দৰে ৰাষ্ট্ৰও এক চিন্ময় বা আত্মাময় বস্তু; ব্যক্তিগত আত্মাৰ তুলনাত ৰাষ্ট্ৰৰ আত্মা এক বিৰাট আত্মা। ৰাষ্ট্ৰৰ অঙ্গীভূত প্ৰত্যেক ব্যক্তিৰ আত্মা আৰু ৰাষ্ট্ৰৰূপী বিৰাট ব্যক্তি বা বিৰাট পুৰুষৰ আত্মাৰ মাজত কোনো প্ৰভেদ নাই আৰু ৰাষ্ট্ৰ তাৰ অন্তৰ্গত কোনো ব্যক্তিৰ বহিঃস্থ পদাৰ্থও হব নোৱাৰে। ৰাষ্ট্ৰগৰ্ভত সকলো ব্যক্তি এক চিন্ময় বন্ধনত বদ্ধ; ৰাষ্ট্ৰ আৰু ব্যক্তিৰ মাজত পাৰস্পৰিক প্ৰতিকূলাচৰণৰ স্থল নাই। গতিকে, ৰাষ্ট্ৰৰ অঙ্গীভূত হৈ ব্যক্তিবিশেষে ৰাষ্ট্ৰৰ বিপক্ষে কোনো স্বত্ব দাবী কৰাটো অসঙ্গত কাৰ্য্য; তেনে কাৰ্য্য আত্ম-বিৰোধিতাৰ তুল্য।

প্লেট'ৰ বিচাৰত ব্যক্তি আৰু ৰাষ্ট্ৰৰ মাজত পৰিব্যাপ্ত সি এক চিন্ময় ভাব, সেই ভাবৰ দ্বাৰা উদ্ৰিক্ত কৰ্ম্মৰ যোগে উৎকৃষ্ট জীৱনযাপনত জনসমাজক প্ৰেৰণা দিয়াই প্ৰকৃত ৰাষ্ট্ৰ-ধৰ্ম্ম; আজিকালিৰ দৰে কেৱল নিষেধাত্মক কাৰ্য্যতে, অৰ্থাৎ ব্যক্তিগত নৈতিক জীৱনৰ প্ৰতিৰোধ নিবাৰণতে ৰাষ্ট্ৰ-ধৰ্ম্মৰ অন্ত নপৰে। গ্ৰীক্ দাৰ্শনিকসকলে ৰাষ্ট্ৰ আৰু ব্যক্তিৰ একত্বত বা অভেদত্বত বিশ্বাস কৰি চলিছিল; গতিকে আৱশ্যকীয় কৰ্ম্মব্যৱস্থাৰ দ্বাৰা প্ৰত্যেক ব্যক্তিৰ অন্তস্থ জীৱন্ত ক্ষুদ্ৰাত্মাৰ উৎকৰ্ষ সাধি শেহত ৰাষ্ট্ৰৰ সাৰ্ব্বলৌকিক (universal) বৃহদাত্মাৰ লগত তাৰ সমন্বয় ঘটোৱাৰ প্ৰচেষ্টা কৰিছিল; আৰু এই উদ্দেশ্য সিদ্ধি কৰাই প্ৰকৃত ৰাষ্ট্ৰ-ধৰ্ম্ম বুলি সিদ্ধান্ত কৰিছিল, আৰু ইয়াকে প্ৰকৃত মানৱোচিত উন্নতিও বুলিছিল।

গ্ৰীক্ দাৰ্শনিকসকলে ৰাষ্ট্ৰ (State) আৰু সমাজৰ (Society) মাজত কোনো প্ৰভেদ নকৰিছিল। আধুনিক যুগত সমাজ মানে মানুহৰ ভিতৰত গঢ়ি তোলা বিবিধ সামাজিক অনুষ্ঠানৰ সমষ্টিক বুজায়। কিন্তু ৰাষ্ট্ৰই সিহঁতৰ মাজত মধ্যস্থ কৰ্ত্তৃপক্ষ হিচাবে থাকি সিহঁতৰ ওপৰত নিৰপেক্ষ ভাৱে শাসন-ক্ষমতা পৰিচালনা কৰি, সিহঁতৰ বিভিন্ন স্বাৰ্থৰ ক্ৰমমিল বা সমন্বয় ৰক্ষা কৰে। গ্ৰীক্ ৰাজনৈতিক দৰ্শনে এই প্ৰভেদ স্বীকাৰ নকৰিছিল। গ্ৰীক্ দৰ্শন মতে মানৱ জীৱনৰ বিভিন্ন ক্ষেত্ৰত প্ৰত্যেক ব্যক্তিৰ অন্তৰ্ণিহিত শক্তিৰাজিৰ যি

চৰমোৎকৰ্ষ সেয়ে আদৰ্শ ৰাষ্ট্ৰ; আৰু ৰাজনৈতিক জীৱন মানে সামাজিক, নৈতিক, কায়িক, শিক্ষাসংক্ৰান্ত আদি সকলো বিষয়তে ব্যক্তিগত জীৱনৰ উচ্চতম আৰু শ্ৰেষ্ঠ অৱস্থা। ৰাজনৈতিক জীৱন সামাজিক জীৱনৰ লগত সমব্যাপক, আৰু ৰাষ্ট্ৰ আৰু সমাজৰ মাজত কোনো পাৰম্পৰিক বিৰুদ্ধ স্বাৰ্থ নবৰ্ত্তে। যিহেতুকে কেৱল ৰাষ্ট্ৰৰ যোগেহে মানৱ জীৱনৰ উচ্চতম লক্ষ্য প্ৰাপ্তব্য, সেই হেতুকে ৰাষ্ট্ৰৰ কৰ্মক্ষেত্ৰ যুক্তিমতে সীমাবদ্ধ হ'ব নোৱাৰে; আৰু আন ফালে যি কাৰ্য্যই নাগৰিকসকলক সেই উচ্চতম লক্ষ্যসাধনত সহায় কৰে, সেই কাৰ্য্যহে ৰাষ্ট্ৰৰ সঙ্গত কাৰ্য্য।

ওপৰত আভাস দি অহা হৈছে যে প্লেট'ৰ মতে ৰাষ্ট্ৰ এক চিন্ময় বস্তু, আৰু ই মানৱাত্মাৰে চৰম পৰিণতি, অৰ্থাৎ পৰিবৰ্দ্ধিত বা বৃহৎ আৰু উন্নত গঢ়ত মানৱাত্মাই ৰাষ্ট্ৰ। গতিকে ৰাষ্ট্ৰ আৰু তাৰ অন্তৰ্গত ব্যক্তিমাত্ৰই অভিন্ন। বৃহদাকাৰত ব্যক্তিয়েই ৰাষ্ট্ৰ, আৰু ক্ষুদ্ৰাকাৰত ৰাষ্ট্ৰই ব্যক্তি; বা ৰাষ্ট্ৰ এক বিৰাট ব্যক্তি আৰু প্ৰত্যেক ব্যক্তিয়েই এক ক্ষুদ্ৰ ৰাষ্ট্ৰ ("The state is an individual writ large and the individual is the State writ small".)। প্লেট'ই তেওঁৰ এই মূল তত্ত্বক ভিত্তি কৰি তাৰ ওপৰত তেওঁৰ আদৰ্শ ৰাষ্ট্ৰ থিয় কৰিছিল।

ৰাষ্ট্ৰ যিহেতু মানৱাত্মাৰে প্ৰতিকৃতি, ৰাষ্ট্ৰগঠন মানৱাত্মাৰ গঠন অনুযায়ী হব লাগিব। প্লেট'ৰ মতে মানৱাত্মা তিনি ভাগত বিভক্ত, যেনে, সত্ত্ব (Reason or Intelligence,) ৰজঃ (Spirit, Will, Energy or Courage) আৰু তমঃ Appetite or Sensuality)। এই তিনি ভাগৰ ভিতৰত সত্ত্ব বা সত্ত্বগুণ অবিনশ্বৰ, তমঃ বা তমোগুণ নশ্বৰ, আৰু ৰজঃ বা ৰজোগুণ সত্ত্ব আৰু তমোগুণৰ সংযোগ মাত্ৰ ("it is the union of the two") বা ই সত্ত্ব আৰু তমোগুণক সংযোগ কৰে (... "Or rather, it combines them".) এই ৰজোগুণকে যথাৰ্থতে মানৱাত্মা বোলা যায়, অৰ্থাৎ মানৱাত্মাৰ সৃষ্টি বা বিকাশেই ৰজোগুণ।

আত্মাৰ সত্ত্ব ভাগৰ বিশেষত্ব অবিনশ্বৰত্ব; ই অবিনশ্বৰ কাৰণ (১) ই অবিশ্লেষ্য আৰু নিত্য শুদ্ধ পৰমেশ্বৰ বা পৰমাত্মাৰ অংশ হিচাবে নিত্য আৰু শুদ্ধ বস্তু (গ); (২) জীৱন হলেই মৰণ অনিবাৰ্য্য আৰু মৰণ মানেই পুনৰ্জ্জীৱন। গতিকে সাত্ত্বিক আত্মা বা সত্ত্বগুণৰ সত্তা মৃত্যুৰ দ্বাৰা অবিচ্ছেদ্য আৰু অবিনাশ্য (ঘ); (৩) সত্ত্বগুণেই জীৱনৰ মূল তত্ত্ব, আৰু এই মূল তত্ত্বৰ সত্তা অসত্তাত বা শূন্যত পৰিণত হব নোৱাৰে, অৰ্থাৎ যাৰ সত্তা আছে তাৰ বাহ্যিক বিকাৰ ঘটিলেও সত্তা লোপ পাব নোৱাৰে (ঙ); (৪) সত্ত্বগুণ বা বিবেকে বোধগম্য বস্তুকহে ভাবে; প্ৰত্যেক বস্তুৰ এটা স্বৰূপ আছে; বিকাৰ-বিযুক্ত এই স্বৰূপৰ যি জ্ঞান বা ধাৰণা (Idea) তাৰ নিত্য-সত্তা আছে আৰু ই বিবেকগ্ৰাহ্য হেতুকে, তাৰ স্বভাৱ বিবেকত বিদ্যমান; গতিকে, বিবেক বা সাত্ত্বিক আত্মাৰো নিত্য সত্তা আছে; আৰু সৰশেষত দেখা যায় (৫) আত্মাই ভৌতিক দেহাক শাসন কৰে। যদি আত্মা ভৌতিক দেহাৰ ক্ৰিয়াসমুদ্ভূত হলহেতেন, তেন্তে ভৌতিক দেহাৰ ওপৰত তাৰ কোনো প্ৰাধান্য নাথাকিলেহেতেন। অবিনশ্বৰত্বত কেৱল বিবেকৰহে অধিকাৰ আছে; তমোগুণ বা তামসিক আত্মাৰ তাৰ ওপৰত কোনো অধিকাৰ নাই, আৰু ভৌতিক দেহস্বৰূপ শৃঙ্খলত বদ্ধ ৰজোগুণ বা ৰাজসিক আত্মাৰো তাত অধিকাৰ নাই। এনেবিলাক যুক্তিৰ দ্বাৰাই প্লেট'ই জড়-জগত আৰু ভৌতিক দেহৰ তুলনাত বিবেকৰ (বা সত্ত্বগুণ বা সত্ত্বিক আত্মাৰ) শ্ৰেষ্ঠত্ব আৰু নিত্যত্ব প্ৰমাণ কৰিছে। তমোগুণ বা আত্মাৰ তামাসিক বৃত্তিৰ বিশেষত্ব অজ্ঞানতা আৰু আলস্য; ই অন্ধভাবে ভৌতিক দেহৰ ভোগস্পৃহা পৰিতৃপ্ত কৰাত ৰত। বিবেকৰুদ্ধ কৰি কোনো লোকে বৈষয়িক অভাৱ অভিযোগ পূৰণাৰ্থে যি নীতি অৱলম্বন কৰিব, সেয়ে তামসিক নীতি। আনৰ বশ্যতা স্বীকাৰ কৰিব পৰাত বাজে, তামসিক আত্মাৰ আন কোনো গুণ নাই। ৰজোগুণৰ বিশেষত্ব সাহস, কৰ্ম্মাসক্তি আত্মপ্ৰকাশ (চ)।

প্লেট'ই এই পৰমাৰ্থ-তত্ত্ব অনুযায়ী জনসমাজক তিনি ভাগত বা তিনি বৰ্ণত বিভক্ত কৰিছে। তেওঁৰ কল্পিত বিৰাট পুৰুষ স্বৰূপ আদৰ্শ ৰাষ্ট্ৰত ত্ৰিগুণাত্মক ব্যক্তিৰ দৰে অঙ্গস্বৰূপ ত্ৰিবৰ্ণ অন্তৰ্নিবিষ্ট। প্ৰথমতে, মানুহে বিবিধ দৈহিক অভাৱ পূৰণৰ নিমিত্তে সঙ্ঘবদ্ধ হৈ পৰস্পৰক সহায় কৰিব লগীয়া হয়, আৰু ইয়াতে জনসমাজৰ (Community) উৎপত্তি। কিন্তু, এনেবিলাক অপৰিহাৰ্য্য মৌলিক অভাৱ পূৰণাৰ্থে ব্যৱস্থিত জনসমাজ বা ৰাষ্ট্ৰত তিনি শ্ৰেণী লোক থাকিব লাগিব। প্ৰথম জনসমাজৰ দৈহিক জীৱন নিৰ্ব্বাহৰ অৰ্থে আৱশ্যকীয় দ্ৰব্যাদিৰ উৎপাদক শ্ৰেণী; বণিক, শিল্পী কৃষক আৰু দাসবিলাকৰ এই বৃত্তি। দ্বিতীয়তে, এই উৎপাদক শ্ৰেণীক ৰক্ষা কৰিবলৈ আৰু শত্ৰু দমাবলৈ এদল বীৰপুৰুষ থাকিব লাগিব; আৰু তৃতীয়তে, জন-সাধাৰণৰ শান্তি আৰু উন্নতিৰ পথত উপদেষ্টা আৰু বিচাৰকৰ্ত্তা হিচাবে কাৰ্য্য কৰিবলৈ এদল জ্ঞানীলোক লাগিব। (ছ)

জনসমাজত যি সকল বয়োবৃদ্ধ উত্তম তত্ত্বজ্ঞানী লোক, সেইসকলকে প্লেট'ই দাৰ্শনিক (Philosophers or Philosophic Guardians) বুলিছে। দাৰ্শনিকসকল সত্ত্বগুণী আৰু বিৰাট ৰাষ্ট্ৰ-দেহৰ শিৰোদেশ আৰু জ্ঞান বা বিবেকস্বৰূপ, গতিকে সকলোতকৈ শ্ৰেষ্ঠবৰ্ণ। এই শ্ৰেণী জনসাধাৰণৰ নৈতিক আৰু আধ্যাত্মিক উন্নতিৰ পথত পথপ্ৰদৰ্শক; তদৰ্থে আৰ্থিক আৰু পাৰিবাৰিক চিন্তাৰপৰা চিৰমুক্ত, আৰু স্বভাৱতে ৰাষ্ট্ৰৰ নেতা আৰু শাসনকৰ্ত্তা হবৰ পৰম উপযোগী। তাৰ পাচত বীৰ বা সৈনিক শ্ৰেণী (Warriors)। এওঁলোক ৰজোগুণী আৰু ৰাষ্ট্ৰ-দেহৰ হৃৎপিণ্ডস্বৰূপ। এওঁলোকৰ বিশেষত্ব সাহস, বাহুবল আৰু তেজস্বিতা। এওঁলোকৰ হাতত সামৰিক ব্যৱস্থাৰ ভাৰ থাকে। এওঁলোকৰ কৰ্ত্তব্য যুদ্ধ কৰি শত্ৰুৰ আক্ৰমনৰ পৰা ৰাষ্ট্ৰ ৰক্ষা কৰা আৰু নিজৰ ভিতৰৰ পৰা উত্তম জ্ঞানসম্পন্ন লোকক

---

(গ) তত্ৰ সত্বং নিৰ্ম্মলত্বাৎ প্ৰকাশকমনাময়ম্। সুখসঙ্গেনাবধ্নাতি জ্ঞান সঙ্গেন চানঘ ॥৬॥গীতা ১৪ আধ্যায়।

(ঘ) "জাতস্য হি ধ্ৰুবো মৃত্যু ধ্ৰুবং জন্ম মৃতস্যচ ॥ ২৭॥" গীতা, ২য় অধ্যায়।

"বাসাংসি জীৰ্ণানি যথা বিহায় নবানি গৃহ্ণাতি নৰো, পৰাণি। তথা শৰীৰাণি বিহায় জীৰ্ণান্যন্যানি সংযাতি নবানি দেহী ॥২২॥" গীতা, ২য় অধ্যায়।

(ঙ) "নাসতো বিদ্যতে ভাবো নাভাবো বিদ্যতে সতঃ। উভয়োৰপি দৃষ্টোঽন্তস্ত্বনয়োস্তত্ত্বদৰ্শিভিঃ" ॥১৬॥গীতা, অধ্যায় ২

(চ) এই তিনি গুণৰ পৃথক লক্ষণ আৰু ফল গীতাতো প্ৰায় একেদৰেই দেখুৱাইছে যেনে,

"সত্ত্বং ৰজস্তম ইতি গুণাঃ প্ৰকৃতিসম্ভবাঃ।
নিবধ্নন্তি মহাবাহো দেহে দেহীনমব্যয়ম্ ॥ ৫ ॥
তত্ৰ সত্বং নিৰ্ম্মলত্বাৎ প্ৰকাশকমনাময়ম্।
সুখসঙ্গে নাবধ্নাতি জ্ঞানসঙ্গেন চানঘ ॥ ৬ ॥
ৰজো ৰাগাত্মকং বিদ্ধি তৃষ্ণাসঙ্গসমুদ্ভবম্।
তন্নিবধ্নাতি কৌন্তেয় কৰ্ম্মসঙ্গেন দেহিনম্ ॥ ৭ ॥
তমস্ত্বজ্ঞানজং বিদ্ধি মোহনং সৰ্ব্বদেহিনাম্।
প্ৰমাদালস্যনিদ্ৰাভিস্তন্নিবধ্নাতি ভাৰত ॥ ৮ ॥
সত্ত্বং সুখে সঞ্জয়তি ৰজঃ কৰ্ম্মণি ভাৰত।
জ্ঞানমাবৃত্য তু তমঃ প্ৰমাদে সঞ্জয়ত্যুত ॥ ৯ ॥
* * * * * *
সত্ত্বাৎ সঞ্জায়তে জ্ঞানং ৰজসো লোভ এবচ।
প্ৰমাদমোহৌ তমসো ভৱতোঽজ্ঞানমেবচ ॥ ১৭ ॥
উৰ্দ্ধং গচ্ছন্তি সত্ত্বস্থা মধ্যে তিষ্ঠন্তি ৰাজসাঃ।
জঘন্যগুণ বৃত্তিস্থা অধো গচ্ছন্তি তামসাঃ ॥ ১৮ ॥গীতা, ১৪ অধ্যায়।

বিশেষতঃ অনুবাদ আৰু টিপ্পনীসহ শ্ৰীজ্যোতিৰিন্দ্ৰনাথ ঠাকুৰৰ দ্বাৰা অনুবাদিত বাল-গঙ্গাধৰ তিলকৰ "শ্ৰীমদ্ভগবদ্গীতাৰহস্য চাওক। পৃঃ ৮১৩-৮১৫।

(ছ) "ও যৎ পুৰুষং ব্যদধুঃ কতিধা ব্যকল্পয়ন্।
মুখং কিমস্যাসীৎ কিং বাহু কিমুৰুপাদা উচ্যেতে ॥
ব্ৰাহ্মণোঽস্য মুখমাসীদ্বাহু ৰাজন্যকৃতঃ।
উৰু তদস্যযদ্বৈশ্য পদ্ভ্যাং শূদ্ৰো অজায়ত ॥"
—পুৰুষসূক্ত। ঋগ্বেদ ॥

শাসনকৰ্ত্তা ( Military Guardians ) পদৰ নিমিত্তে নিৰ্ব্বাচন কৰা। সৰ্ব্বশেষত উৎপাদক বা সেৱকদল। এই শ্ৰেণী তমোগুণী ; ভোগলিপ্সু ; ভৌতিক দেহৰ যোগান ধৰাই এইদল লোকৰ ধৰ্ম্ম, ইয়াতকৈ উন্নত বিষয় ভাবিবৰ শক্তি নাই। মানৱ দেহত উদৰ ভাগে যেনেকৈ শিৰ আৰু হৃদয়ৰ তলত ঠাই পাইছে, সেইদৰেই ৰাষ্ট্ৰদেহৰ উদৰ ভাগৰ সেৱক এই দলৰ যোগ্য স্থান দাৰ্শনিক আৰু সৈনিক এই দুশ্ৰেণীৰ তলত। আজ্ঞানুবৰ্ত্তিতাই এই শ্ৰেণীৰ বিশেষত্ব। প্লেট'ৰ ৰাষ্ট্ৰত সত্ব, ৰজঃ আৰু তমঃ এই তিনিগুণৰ প্ৰাধান্য অনুসাৰে সামাজিক লোকক ক্ৰমে দাৰ্শনিক, সৈনিক আৰু সেৱক এই তিনি শ্ৰেণীত ভগোৱা হৈছে, আৰু এই তিনি শ্ৰেণীৰ মাজত যোগ্যতা অনুসাৰে কৰ্ম্ম বিভাগ কৰি দিয়া হৈছে। (জ)

এই তিনি শ্ৰেণীৰ লোকে বিহিত অনুবন্ধত কাৰ্য্য কৰিলে ৰাষ্ট্ৰৰ সৰ্ব্বতোভাৱে মঙ্গল হয়। যিলোকে যি শ্ৰেণীৰ ধৰ্ম্ম সুচাৰুৰূপে পালন কৰিব পাৰে, সেইলোক সেই শ্ৰেণীৰ অন্তৰ্ভুক্ত হোৱা উচিত ; তেতিয়াহে ৰাষ্ট্ৰয়ে সৈতে প্ৰত্যেক ব্যক্তিৰ একত্ব আৰু সমন্বয় ৰক্ষা পৰে। মানৱাত্মাৰ ভিন্ ভিন্ ভাগে বিবেকাধীন হৈ বিহিত প্ৰণালীৰে স্বধৰ্ম্মৰ ক্ৰিয়া সম্পাদন কৰাৰ দৰে ৰাষ্ট্ৰৰ ভিন্ ভিন্ অঙ্গস্বৰূপ ভিন্ ভিন্ শ্ৰেণীৰ লোকে নিজৰ প্ৰবৃত্তি আৰু দক্ষতা অনুসাৰে তত্ত্বজ্ঞানীসকলৰ আজ্ঞাপৰ হৈ কৰ্ম্ম কৰাকে প্লেট'ই ন্যায়াচৰণ ( Justice) বুলিছে (ঝ), আৰু এই নীতিৰ ব্যতিক্ৰমকে তেওঁ অন্যায়াচৰণ ( Injustice ) বুলিছে। ন্যায়াচৰণৰ ফল উন্নতি অন্যায়াচৰণৰ ফল অধোগতি।

এই মতে দাৰ্শনিক আৰু সৈনিক শ্ৰেণীয়ে পূৰ্ণমাত্ৰাই নিজ নিজ কৰ্ত্তব্য সম্পাদন কৰিবলৈ হলে, দৈহিক স্বাৰ্থৰ ( Appetite ) চেষ্টা বিসৰ্জ্জন দিব লাগিব ; যেই ক্ষেত্ৰ সেৱক শ্ৰেণীৰ বাবে নিৰ্দ্দিষ্ট কৰা হৈছে। প্লেট'ৰ ৰাষ্ট্ৰত শাসকবৃন্দ বা ৰাজন্যবৰ্গ ( Guardians ) কেৱল যিসকল তত্বদৰ্শী অৰ্থাৎ সুদীৰ্ঘ কাল জ্ঞান আৰ্জ্জন কৰি

"Gaste on its social side is a product of human organisation and not a mystery of divine appointment, It is an attempt to regulate society with a view to actual differences and ideal unity. The first reference to it is in the Purusa Sukta, where the different sections of society are regarded as the limbs of the great Self Human society is an organic whole, the parts of which are naturally dependent in such a way, that each part in fulfilling its distinctive function conditions the fulfilment of function by the rest, and is in turn conditioned by the fulfilment of its function by the rest. In this sense the whole is present in each part, while each part is indispensable to the whole ... ... ... ... The cultural and the spiritual, the military and political, the economic classes and the unskilled workers constitute the four fold caste organisation." Sir S. Radhakrishnan's The Hindu View of Life. p. 108.

(জ) "চাতুৰ্ব্বৰ্ণ্যং ময়া সৃষ্টং গুণকৰ্ম্ম বিভাগশঃ।" গীতা ১৩॥ অধ্যায় ৪।

'ব্ৰাহ্মণক্ষত্ৰিয়বিশাং শূদ্ৰাণাঞ্চ পৰন্তপ।

কৰ্ম্মাণি প্ৰবিভক্তানি স্বভাৱপ্ৰভবৈৰ্গুণৈঃ" ॥ ৪১॥

ইত্যাদি গীতা, ১৮ অধ্যায়।

গ্ৰীক্ দাৰ্শনিক সম্প্ৰদায়ৰ দৰে হিন্দু সমাজতো ব্ৰাহ্মণ সম্প্ৰদায়ৰ আগেয়ে তদনুৰূপ উদ্দেশ্য আৰু ব্যৱস্থা আছিল।

"The Brahmins were allowed freedom and leisure to develop the Spiritual ideals and broadcast them. They were freed from the cares of existence, as gifts to them by others were encouraged and even enjoined." Sir S. Radhakrishnan's The Hindu view of life, P 108.



পৰম জ্ঞানৰ ( Omniscience ) তত্ব বুজি উঠিছে, সেইসকলক লৈহে গঠিত ; গতিকে সকলো ৰাজকাৰ্য্যৰ ব্যৱস্থা কৰাত এই শাসকবৃন্দৰ ক্ষমতা অবাৰিত হোৱা উচিত।

প্লেট'ৰ এনেবিলাক যুক্তিৰ অপৰিহাৰ্য্য ফল শাসকবৃন্দৰ (Guardians ) মাজত সাম্যতন্ত্ৰ ( communism ) স্থাপন। কাৰণ সত্ব আৰু ৰজোগুণৰ ক্ৰিয়া অবিকৃত ভাৱে সম্পাদন কৰিবলৈ হলে, তাত তমোগুণৰ কাৰণ থাকিব নালাগিব, অৰ্থাৎ দাৰ্শনিক আৰু সৈনিকসকলৰ কৰ্ম্মক্ষেত্ৰ নানা প্ৰকাৰৰ আৰ্থিক প্ৰৰোচনা বা দৈহিক স্বাৰ্থৰ প্ৰভাৱৰ পৰা মুক্ত থাকিব লাগিব। বাস্তৱ জগততো দেখা যায় যে, যদি জনসাধাৰণৰ আৰ্থিক সম্পদৰ ব্যৱস্থাপক ক্ষমতা আৰু ৰাজনৈতিক ক্ষমতা একে শাসনকৰ্ত্তাৰ হাতত মুঠিত থাকে, তেন্তে তেনে শাসনকৰ্ত্তাৰ পৰা সদায় ন্যায়বিচাৰ, নিৰপেক্ষতা আৰু শাসন কাৰ্য্যত পাৰদৰ্শিতা আশা কৰিব নোৱাৰি ; তাৰ প্ৰমাণ বুৰঞ্জীত অনেক আছে। বৰং তেনে সংযোগৰ ফলত শাসন কাৰ্য্যৰ সততে ব্যভিচাৰ ঘটে। গতিকে, প্লেট'ৰ ৰাষ্ট্ৰত শাসক সম্প্ৰদায়ক দাৰিদ্ৰ্য অৱলম্বনৰ যোগে কৰ্ত্তব্য পালন কৰিবলৈ নিৰ্দ্দেশ কৰা হৈছে ; শাসকবৰ্গৰ নিজা মাটি-ভেঁটি, ঘৰ দুৱাৰ বা আন স্বকীয় সম্পত্তি একো থাকিব নোৱাৰিব। এইসকলে জীৱন নিৰ্ব্বাহৰ বাবে অপৰিহাৰ্য্য খাদ্যদ্ৰব্য বস্ত্ৰাদিত বাজে অধিক একো বস্তু পাব নোৱাৰে। এই খাদ্যদ্ৰব্যাদিও কাৰো ব্যক্তিগত সম্পত্তি নহৈ উমৈহতীয়া হব লাগিব।

সম্পত্তিৰ ওপৰত ব্যক্তিগত স্বত্বাধিকাৰ উঠি যোৱাৰ পাচত ব্যক্তিগত পাৰি বাৰিক জীৱন টিকিব নোৱাৰে ; ব্যক্তিগত পাৰিবাৰিক জীৱনৰ ব্যৱস্থা থাকিলে ব্যক্তিগত সম্পত্তিৰ আৱশ্যকতাও আহি পৰে। ইইতৰ মাজত এনে পাৰস্পৰিক সম্বন্ধ থকা হেতুকে, প্লেট'ৰ ব্যৱস্থামতে শাসক সম্প্ৰদায়ৰ পাৰিবাৰিক জীৱন গাইগুটীয়া নহৈ উমৈহতীয়া হব লাগে ( community of wives ), অৰ্থাৎ কাৰো নিজা স্ত্ৰী-পুত্ৰ থাকিব নোৱাৰে ; সি শাসক সম্প্ৰদায়ৰ মাজত সকলোৰে উমৈহতীয়া সম্পত্তি হব।

ব্যক্তিগত পাৰিবাৰিক ব্যৱস্থা তুলি দিয়াৰ হেতুকে সকলো লৰা-ছোৱালীৰ শিক্ষা আৰু পৰিপোষণৰ ভাৰ ৰাষ্ট্ৰই গ্ৰহণ কৰিব লাগিব। প্লেট'ই এই মহৎ ব্যৱস্থাৰ দ্বাৰা উচ্চ দুই সম্প্ৰদায়ক সিইতৰ গুণযোগ্য কেৱল সাত্বিক আৰু ৰাজসিক কৰ্ম্মত একনিষ্ঠ ভাৱে প্ৰবৃত্ত কৰাবলৈ যত্ন কৰিছিল, আৰু লগে লগে সেই দুই সম্প্ৰদায়ৰ লোক যাতে তামসিক প্ৰবৃত্তিৰ বশীভূত হৈ তামসিক ক্ৰিয়াৰত নহয়, তাৰ দিহা কৰিছিল। কাৰণ, বৈষয়িক সুখ-বিলাসত প্ৰমত্ত লোকৰ হাতত ৰাজকাৰ্য্যৰ ভাৰ পৰা মানে ৰাষ্ট্ৰত তামসিক বৃত্তিয়ে প্ৰাধান্য লভি জনসাধাৰণৰ নৈতিক জীৱন ধ্বংস কৰা। গতিকে প্লেট'ই যাতে এনে নৈতিক উচ্ছৃঙ্খলতা ঘটি নুঠে, তাৰ বাবে বিশেষ যত্ন বাখিছিল। এই নীতিৰে তেওঁ তৎকালীন বিপথগামী এথেন্স্‌বাসীৰ চৰিত্ৰোদ্ধাৰ কৰি স্বৰাষ্ট্ৰৰ বৈশিষ্ট্য গঢ়ি তুলিবলৈ সকলো চিন্তা শক্তি প্ৰয়োগ কৰিছিল। গতিকে, তেওঁ প্ৰত্যেক ব্যক্তিৰ ব্যক্তিগত

(ঝ) "And that, Glauco, was a certain image of justice, according to which it behoved the man who was filled by nature for the office of a shoemaker to perform properly that office, and to do nothing else, and he who is a carpenter to perform that office, and all others in the same way"—the Republic of Plato: the Fourth Book.

"শ্ৰেয়ান্ স্বধৰ্ম্মো বিগুণঃ পৰধৰ্ম্মাৎ স্বনুষ্ঠিতাৎ। স্বধৰ্ম্মে নিধনং শ্ৰেয়ঃ পৰধৰ্ম্মো ভয়াবহঃ॥ ৩৫॥ গীতা ৩অধ্যায়। [ ইয়াত 'স্বধৰ্ম্ম' মানে মোক্ষ-ধৰ্ম্ম নহয় ; ইয়াৰ অৰ্থ চাতুৰ্ব্বৰ্ণ্য ব্যৱস্থা অনুসাৰে প্ৰত্যেক মানুহৰ নিমিত্তে শাস্ত্ৰৰ দ্বাৰা নিৰ্দ্ধাৰিত কৰ্ম্ম ]

স্বাৰ্থ জনসাধাৰণৰ উমৈহতীয়া স্বাৰ্থত নিমজ্জিত কৰাই, মহৎ আৰু অকাট্য যুক্তিৰে প্ৰত্যেক ব্যক্তি আৰু ৰাষ্ট্ৰৰূপী বিৰাট ব্যক্তি বা বিৰাট পুৰুষৰ মাজত সাদৃশ্য আৰু সমন্বয় দেখুৱাই তেওঁৰ আদৰ্শ ৰাষ্ট্ৰৰ চিত্ৰ দাঙ্গি ধৰিছিল।

প্লেটো'ৰ আদৰ্শ আজিৰ যুগত কাৰ্য্যকৰী হওক নহওক, সেই কথা বাদ দি, তেওঁৰ গভীৰ চিন্তাই যে জগতক দৰ্শন আৰু ৰাজনীতি ক্ষেত্ৰত কিছুমান চিৰসত্য তত্ত্ব দিলে তাক সকলোৱে স্বীকাৰ কৰিব লাগিব। সেই তত্ত্ববিলাকৰ ভিতৰত প্ৰধান কেইটামান তলত উল্লেখ কৰা গল:—(১) নাগৰিকৰ মাজত ঐক্য আৰু ক্ৰম-মিলেই (Concord and harmony) ন্যায়াচৰণ (Justice), আৰু ন্যায়াচৰণেই ৰাষ্ট্ৰৰ শক্তি; (২) সদ্বুদ্ধি আৰু সদাচাৰেই (Virtue) ৰাষ্ট্ৰৰ ধৰণী, আৰু সদ্বুদ্ধি আৰু সদাচাৰৰ ভিত্তি শিক্ষা; (৩) স্বদেশ প্ৰেম, উচ্চ আদৰ্শ আৰু দেশবাসীৰ মঙ্গল কামনাক আত্মস্বাৰ্থৰ ওপৰত ঠাই দিব লাগে; (৪) সংযত আৰু মিতাচাৰী শাসন তন্ত্ৰতহে ব্যক্তিগত স্বাতন্ত্ৰ্য ৰক্ষা পৰে; আৰু (৫) শাসন কাৰ্য্য শিক্ষিত বিশেষজ্ঞ লোকৰ সহায়তহে সুচাৰুৰূপে পৰিচালিত হয়। দেশ-কাল পাত্ৰ বুজি, প্লেটো'ই যদিও পাচত তেওঁৰ আদৰ্শ ৰাষ্ট্ৰত কিছু সাল-সলনি ঘটাইছিল, সেই বিষয়ৰ আলোচনা ইয়াত নিষ্প্ৰয়োজনীয়।

# অসমীয়া ভাষা আৰু সাহিত্য সমস্যা।

**গল্প আৰু উপন্যাস:—** পঢ়ুৱৈ সমাজ গঠন কৰিবলৈ গল্প আৰু উপন্যাস যিমান মূল্যবান সাহিত্য, অইন ৰকমৰ গভীৰ সাহিত্য সিমান মূল্যবান নহয়। গল্প আৰু উপন্যাস পণ্ডিত, অপণ্ডিত আৰু বিদ্বান অল্পবিদ্বান সকলোৰে সুখপাঠ্য বস্তু। যি বিলাক সুধীয়ে গভীৰ সাহিত্য পঢ়ি আৰু মৌলিক গবেষণা আলোচনা কৰি সুখ পায় সেই বিলাকৰ পক্ষেও গল্প আৰু উপন্যাস সুখ পাঠ্যবস্তু। তেওঁলোকসকলৰ পক্ষে গল্প আৰু উপন্যাস আজৰি সময়ৰ তাছ পাশাৰ নিচিনা সময় কটোৱাৰ আহিলা। গতিকে দেখা যায় গল্প আৰু উপন্যাসে সকলো প্ৰকাৰৰ পঢ়ুৱৈ সৃষ্টি কৰে। সেই বাবে যি ভাষাত এই দুই প্ৰকাৰৰ সাহিত্যৰ অভাৱ সেই ভাষা কিমান দুখীয়া ভাবি চাব লগীয়া।

অসমীয়াৰ মাজত পঢ়ুৱৈ সমাজ নাই বুলি এটা মিছা অপবাদ আছে। মিছা অপবাদ বুলিছোঁ এই বাবে যে পঢ়ুৱৈ সমাজ যদি অসমীয়াৰ নাই তেন্তে অসমৰ চুকে কোনে গাঁৱে ভুঁয়ে বঙালী নাটক আৰু গল্পৰ উপন্যাস পোৱা যায় কিয়? লগতে আৰু এটা কথা নকৈ নোৱাৰি। আজিকালি প্ৰায় প্ৰত্যেক অসমীয়া গাঁৱতে গ্ৰামোফন শুনিবলৈ পোৱা যায় আৰু যি দুই চাৰিখন অসমীয়া ৰেকৰ্ড আছে সেই কেইখনৰ লগত বঙালী আৰু হিন্দুস্থানী ৰেকৰ্ড পোৱা যায়। এই গ্ৰামোফনৰ সঙ্গীত ৰেকৰ্ডবোৰ সাহিত্য প্ৰচাৰৰ এবিধ সজুঁলি। এতিয়াও অসমীয়াৰ কোনো পালা ৰেকৰ্ডত উঠা নাই। সঙ্গীত কলাৰ মাজেদি যে সাহিত্যৰ উন্নতি হয় এই কথা অন্ততঃ আজি অসমীয়া জাতিয়ে অস্বীকাৰ কৰিব নোৱাৰে। শঙ্কৰ মাধৱ আৰু বৰগীত ৰচক সকলৰ ৰচিত গীতি-সাহিত্য আজি অসমীয়াৰ অতীত সাহিত্যৰ পৰম গৌৰৱৰ বস্তু। গল্প উপন্যাসৰ কথা কওঁতে গ্ৰামোফন ৰেকৰ্ডৰ কথা অবান্তৰ যেন বোধ



হৈছে যদিও অবান্তৰ নহয়। অসমীয়াৰ এবিধ দৈন্য আৰু অভাৱৰ কথা কওঁতে যদি আন এবিধ দৈন্যই ভুমুকি মাৰি ওলায় সি অবান্তৰ নহয়। আজি অসমীয়াৰ কৰ্ত্তব্য গ্ৰামোফন ৰেকৰ্ড আৰু পালা অসমীয়া সাহিত্যত দান দিয়া আৰু গুৱাহাটী নাইবা অসমীয়াৰ যি কোনো চহৰত এটি ৰেকৰ্ডিং কোম্পানী স্থাপন কৰা।

আজি বঙালী নাইবা আন বিদেশী ভাষাত যি ধৰণৰ গল্প আৰু উপন্যাস ৰচিত হব ধৰিছে, সেই ধৰণৰ উচ্চ অঙ্গৰ গল্প আৰু উপন্যাস অসমীয়া ভাষাত নাই। আজিৰ অসমীয়াই অসমীয়া গল্প উপন্যাসতো পঢ়েই, তাৰ উপৰিও ইংৰাজী আৰু বেছিকৈ বঙালী উপন্যাস পঢ়ে। অসমীয়া যতবোৰ লাইব্ৰেৰী আছে তাত বঙালী উপন্যাসৰ স্থান বেছি পৰিমাণে আছে। লাইব্ৰেৰী বিলাকৰ পঢ়ুৱৈ সমাজৰ লিষ্টি বিচাৰিলে দেখা যাব যে অসমীয়া পঢ়ুৱৈ সমাজ বৰ সৰু নহয়। অকল পঢ়ুৱৈ নহয় পঢ়ুৱৈনীৰ সমাজো সৃষ্টি হৈছে। অসমীয়া ছোৱালী আৰু গৃহিণীয়ে গল্প উপন্যাস পঢ়া দোষৰ কথা বুলি আমাৰ মাজত এটা ভাব চলি আহিছে। আমাৰ মনেৰে এইটো ভাৱৰপৰা অনিষ্টত বাজে ইষ্ট হোৱা নাই। পাঠেচ্ছা মানুহৰ স্বভাৱসিদ্ধ। যাৰ যি পাঠত অভিৰুচি তাক সেই পাঠত বাধা দিয়া উচিত নহয়। বিশেষকৈ অৰ্দ্ধ শিক্ষিতা ছোৱালী আৰু গৃহিণীসকলক গল্প আৰু উপন্যাসৰ মাজেদি জ্ঞানোপাৰ্জ্জনৰ সুবিধা নিদিলে আন গভীৰ সাহিত্যৰ মাজেদি শিক্ষা দিয়া টান কথা। এই বিৰুদ্ধ ভাব এটি চলি থকা স্বত্তেও আজি অসমীয়া ছোৱালীয়ে অকল অসমীয়া গল্প উপন্যাস পঢ়ি সন্তুষ্ট থকা নাই, বঙালী গল্প উপন্যাসৰ কিতাপ পঢ়ে আৰু বঙালী উপন্যাস যে অসমীয়াতকৈ উৎকৃষ্টতৰ এই মন্তব্য প্ৰকাশ কৰে। তেন্তে এতিয়া ভাবি চাব লাগে অসমীয়াৰ দৈন্য কত? অসমীয়াৰ পঢ়ুৱৈ সমাজ নাই নে অসমীয়াৰ পঢ়ুৱৈ সমাজক সন্তুষ্ট কৰিবলৈ উপযুক্ত সাহিত্য নাই।

সাহিত্যৰ জাতি বিচাৰ নাই, ধৰ্ম্ম বিচাৰ নাই, নাৰীপুৰুষ ভেদ নাই আৰু ই কোনো গণ্ডীৰ ভিতৰত আবদ্ধ নহয়। ধুবুৰী অসমৰ ভিতৰত হওক বা বঙ্গ দেশৰ ভিতৰত হওক, শ্ৰীহট্টই অসমীয়া বুলি গৌৰৱ কৰক বা বঙালী বুলি গৌৰৱ কৰক, সাহিত্যই তাৰ বিচাৰ নকৰে। সাহিত্যৰ প্ৰধান আৰু একমাত্ৰ কথা উৎকৰ্ষ। উৎকৃষ্ট সাহিত্য যি ভাষাতে সৃষ্ট নহওক লাগে আৰু যি দেশতে তাৰ উৎপত্তি নহওক লাগে তাৰ জেউতি আন দেশত বিয়পি পৰিবই লাগিব। আজি অসমীয়া লৰা ছোৱালী তৰুণ তৰুণী আৰু পঢ়ুৱৈ পঢ়ুৱৈনীয়ে যেনেকৈ বঙালী গল্প উপাখ্যান আৰু সাহিত্য পঢ়িছে, ঠিক তেনে দৰে বঙালী জাতিয়ে অসমীয়া সাহিত্য পঢ়িবলৈ বাধ্য হব, যদি তেনে ধৰণৰ সাহিত্য অসমীয়া ভাষাত সৃষ্ট হব পাৰে। মৌলিক গ্ৰন্থ, মৌলিক প্ৰবন্ধ আৰু প্ৰত্নতত্ত্ব মূলক গ্ৰন্থ বা প্ৰবন্ধৰ ক্ষেত্ৰ সুকীয়া, গল্প নাটক আৰু উপাখ্যানৰ ক্ষেত্ৰও সুকীয়া। মৌলিক আলোচনা গবেষণাৰ বাবে যি বিদ্যা আৰু অনুসন্ধিৎসা লাগে, গল্প আৰু উপন্যাসৰ বাবে, সেই বিদ্যা বা অনুসন্ধিৎসাৰ আভাসৰ দৰকাৰ হলেও, মূলকথাত দৰকাৰ নকৰে। বিশেষকৈ যিবোৰ গল্প আৰু উপাখ্যানে আজি অসমীয়া পঢ়ুৱৈ আৰু পঢ়ুৱৈনীৰ দৃষ্টি আকৰ্ষণ কৰিছে সেই গল্প বা উপাখ্যানত তেনে বিদ্যা বা অনুসন্ধিৎসাৰ স্থল নিচেই ঠেক যেন লাগে।

## উপন্যাসৰ সজুঁলি

আমাৰ চিন্তা আৰু সমালোচনাৰ মাজেদি আমি পাইছোঁ—অৱশ্যে আমাৰ ভুল হব পাৰে—যে সেইবোৰ গল্প আৰু উপন্যাসৰ উৎকৃষ্টতাৰ মূল কাৰণ বা বিষয় সাধাৰণতে তিনটি। প্ৰথমটো হৈছে—নাৰী আৰু পুৰুষ চৰিত্ৰৰ অন্তৰতম প্ৰদেশত লুকাই থকা দেৱ ভাব বা পশু ভাৱৰ সম্পূৰ্ণ বিকাশ-উপযুক্ত আবেষ্টন বা পাৰিপাৰ্শ্বিক অৱস্থাৰ আনুকুল্যত। দ্বিতীয়টো হৈছে সেই ভাববোৰ ফুটাই তুলিবলৈ আধুনিক জগতৰ জ্ঞান বিজ্ঞান, অভিজ্ঞতাৰ লগত আধুনিক সমাজৰ বাস্তৱ আৰু চলন্ত চিত্ৰৰ সামঞ্জস্য ৰাখি গল্প উপাখ্যানত ঘটনা বিপৰ্য্যয় আৰু দৃশ্যাৱলীৰ সৃষ্টি কৰি তাৰ উপযুক্ত সমাৱেশ কৰা। আৰু তৃতীয়টো হৈছে—ভাষাচাতুৰ্য্য। ইয়াৰ উপৰি এটি চতুৰ্থ বিষয় যোগ দিব পাৰি—সেইটো চতুৰ্থ নহৈ প্ৰথম

বা প্ৰধান হৈ ওপৰত কোৱা তিনটি শাখা হব পাৰে। সেইটো হৈছে গ্ৰন্থকাৰ বা গল্প ৰচকৰ সমাজ আৰু মানৱ চৰিত্ৰৰ অধ্যয়ণ আৰু অতীত বিস্তাৰ লগত সমালোচনা কৰি সমাজৰ আৰু মানৱ চৰিত্ৰৰ জটিল আৰু সূক্ষ্মতম কথা বা ভাববোৰ ভাষাৰ চাতুৰ্য্যত পৰিস্ফুত কৰি গল্প বা উপন্যাসত উৎকৃষ্ট ( আদৰ্শ হবও পাৰে, নহবও পাৰে ) চিত্ৰ বা চৰিত্ৰ সৃষ্টি কৰা।

আজিকালি বঙালী ভাষাত হৃদয়ৰ এটি মাত্ৰ সু-কোমল বৃত্তি বা সমাজৰ এটি মাত্ৰ জঘণ্য গ্লানি বা এটি মাত্ৰ দেৱ ভাবাপন্ন আদৰ্শ চৰিত্ৰৰ অৱলম্বনত কি মন-মোহা চিত্ৰ বা দৃশ্যৰ সৃষ্টি কৰি মনোৰম উপন্যাস ৰচনা কৰিব ধৰিছে। বঙালী ভাষাৰ যিবিলাক খ্যাতনামা লিখক লিখিকা, তেওঁলোকসকলৰ গ্ৰন্থৰ মাজত সদায় নতুন নতুন সৃষ্টিকৌশল আৰু নতুন নতুন চিত্ৰ পোৱা যায়। বঙ্গ সাহিত্যত লিখকৰ আজি অভাৱ নাই। তৃতীয় শ্ৰেণীৰ লিখকৰ তো সংখ্যা নোহোৱা হৈছে; কিন্তু মূলত এটি কথা নতুনত্ব— অভিনৱ পন্থা। নিৰুপমা দেৱীৰ "দিদি" উপন্যাসৰ চিত্তাকৰ্ষক চৰিত্ৰ সুৰমা। স্বামীৰ প্ৰতি অবিচলিত প্ৰেম আৰু অভিমানৰ সংমিশ্ৰ-নেই সুৰমা চৰিত্ৰৰ বৈশিষ্ট্য। প্ৰভাৱতী দেৱীৰ ব্ৰতচাৰি-ণীত সীতা চৰিত্ৰৰ বৈশিষ্ট্যও এই আদৰ্শৰ বুলি কব পাৰি। শৰৎচন্দ্ৰৰ চৰিত্ৰহীন' উপন্যাসৰ সতীশৰ স্বভাৱিক দুৰ্ব্বল ভাই সতীশৰ চৰিত্ৰৰ বৈশিষ্ট্য। সতীশৰ প্ৰতি পতিৰ প্ৰাপ্য প্ৰেম আৰু ইহকালত নিজৰ স্বামীলৈ উছৰ্গা কৰা দেহ আনৰ ভোগ্য নহয় এই ধাৰণাই সাবিত্ৰী চৰিত্ৰৰ বৈশিষ্ট্য। কিৰণময়ীৰ উদ্দাম প্ৰকৃতি, উদ্দাম লালসা আৰু উদ্দাম প্ৰেমৰ পৰিণাম উন্মাদগ্ৰস্ততা। ই যেনে স্বাভাৱিক তেনে চিত্তাকৰ্ষক। এটা সাঁচত যেনেকৈ এক ৰকমৰহে গঢ় হব পাৰে, সেইদৰে এক প্ৰকৃতিত এক ৰকমৰহে বৈশিষ্ট্য থাকিব পাৰে। অৱস্থা বিপৰ্য্যয়ত বা ঘটনাচক্ৰত স্বাভাৱিক প্ৰকৃতিৰ লগত কোনো চৰিত্ৰৰ গড়মিল দেখা যাব পাৰে; কিন্তু সমষ্টি-গত চৰিত্ৰ বিশ্লেষণ কৰিলে অমিল হোৱাৰ কোনো কাৰণ পোৱা নেযায়।

উপন্যাস পঢ়ি ভাল লাগে কিয়? ছবি চাই যি কাৰণে ভাল লাগে উপন্যাস পঢ়িও সেই কাৰণে ভাল লাগে। চিত্ৰকৰে ছবিৰ মাজেদি চিত্ৰকৰৰ সৌন্দৰ্য্য জ্ঞান, কল্পনা আৰু জীৱনৰ অভিজ্ঞতা ফুটাই তোলে আৰু উপভোগ কৰে সমাজৰ চকুৰে। চিত্ৰকৰৰ মনত কৃতিত্বৰ আনন্দ ফুটি উঠে আনৰ প্ৰশংসাত আৰু উপ-যুক্ত সমালোচনাত। চিত্ৰকৰে যি কল্পনা লৈ যি অভিজ্ঞতাৰ মাজেদি আৰু সৌন্দৰ্য্যৰ যি উপলব্ধি লৈ চিত্ৰ আঁকে, সেই কল্পনা, সেই অভিজ্ঞতাৰ পাৰিপাশ্বিক অৱস্থা আৰু সেই সৌন্দৰ্য্য চিত্ৰত প্ৰতিফলিত হৈ আনক যেতিয়া আনন্দ দিয়ে, চিত্ৰকৰে তেতিয়া নিজৰ কৃতিত্বত নিজে গৌৰবান্বিত হয় আৰু চিত্ৰও মনোমুগ্ধকৰ হয় আৰু সৌন্দৰ্য্য যিমান ফুটি উঠে।

কিন্তু চিত্ৰকৰে অনেক আনন্দ দিব পাৰে কেতিয়া? যেতিয়া দৰ্শকৰ হৃদয়তন্ত্ৰীৰ সধাৰণ (Common) ভাববোৰৰ লগত চিত্ৰকৰে যি ভাবৰ দ্বাৰা ছবি আঁকিছিল সেই ভাব মিলি যায়। তেন্তে দেখা যায় চিত্ৰকৰৰ দৃষ্টি থাকে মানৱ মনৰ নিগূঢ়তম প্ৰদেশৰ পৰা উদ্ভূত অনুভূতি বিকাশ কৰাত। ব্ৰহ্মপুত্ৰৰ মাজত বাহ্যিক প্ৰকৃতিৰ লগত মিলি উমানন্দই যি শোভা বিস্তাৰ কৰে, সেই শোভা উপলব্ধি কৰে চিত্ৰকৰে আৰু অচিত্ৰকৰ দৰ্শকেও; কিন্তু চিত্ৰকৰে চিত্ৰৰ মাজেদি সেই শোভা অবিকল ফুটাই তুলিবলৈ চেষ্টা কৰে আৰু চিত্ৰকৰে যিমান ভালকৈ সেই শোভা সাধাৰণৰ চকুত ফুটাই তুলিব পাৰে চিত্ৰকৰ সিমান সফল হয়।

ঔপন্যাসিকেও উপন্যাসৰ মাজেদি জীৱনৰ অভিজ্ঞতা আৰু মানৱ মনৰ সৌন্দৰ্য্য কল্পনাৰ বলত ফুটাই তোলে। আমাৰ মানত সেই খনেই ভাল উপন্যাস, যি উপন্যাসত মানৱ মনৰ নিগূঢ়তম প্ৰদেশৰ কোমল বা নিষ্ঠুৰ প্ৰবৃত্তিবোৰ নায়ক-নায়িকাৰ চৰিত্ৰৰ মাজেদি সুন্দৰ ভাবে পৰিস্ফুট হয়। যি ঔপান্যাসিকৰ উপান্যাস লিখাৰ উদ্দেশ্য হয় স্বভাৱিক সৌন্দৰ্য্য সৃষ্টি, সেই ঔপান্যা-সিকৰ লিখা বেছি আনন্দদায়ক হয়।

স্নেহ, প্ৰেম, দ্বেষ, ঈৰ্ষা ইত্যাদিবোৰ মানৱ মনৰ প্ৰবৃত্তি আৰু প্ৰত্যেক মানুহৰ জীৱনযাত্ৰা এই প্ৰবৃত্তি-



বোৰে শাসন কৰে। সেই কাৰণে এই প্ৰবত্তিবোৰ বাদ দি উপন্যাস নহয়। প্ৰেম সকলো প্ৰবৃত্তিৰ ভিতৰত মানৱ জীৱনৰ ধৰণ আৰু ইহকাল পৰকালৰ অৱলম্বন। প্ৰেমেই ধৰ্ম্ম। সেই কাৰণে প্ৰেম প্ৰবৃত্তিৰ মাজেদি মানৱ মনৰ সৌন্দৰ্য্য বেছি ফুটি ওলায়। সেই কাৰণে প্ৰেম ঔপন্যাসিকৰ প্ৰধান উপাদান। প্ৰেম কাহিনী বৰ্ণনা কৰা নাইবা আদৰ্শ প্ৰেমিক প্ৰেমিকা সৃষ্টি কৰা ঔপন্যাসিকৰ কৰ্ত্তব্য নহয়। প্ৰেমিক-প্ৰেমিকাৰ হৃদয়ৰ মনোবৃত্তিবোৰ সুন্দৰ ভাৱে ফুটাই তুলি আনক সেই সৌন্দৰ্য্য উপভোগ কৰিবলৈ দিয়াই উপন্যাস লিখকৰ কৰ্ত্তব্য।

আদৰ্শ চৰিত্ৰ বিচাৰিবলৈ উপন্যাস পঢ়িবৰ দৰকাৰ নকৰে। যি দেশৰ পুণিত ভীষ্মৰ নিচিনা চিৰকুমাৰৰ, লক্ষ্মণৰ নিচিনা ভ্ৰাতৃৰ, হনুমন্তৰ নিচিনা প্ৰভুভক্ত ভৃত্যৰ, সীতা সাবিত্ৰীৰ নিচিনা সতীৰ আদৰ্শ আছে, সেই দেশৰ উপন্যাসত আদৰ্শ চৰিত্ৰ সৃষ্টি উদ্দেশ্য হোৱা উচিত নহয় যেন লাগে; বিশেষকৈ উপন্যাসত আদৰ্শ চৰিত্ৰ সৃষ্টি কৰিবলৈ গলে স্বাভাৱিকত্বৰ আৰু মানৱ মনৰ সৌন্দৰ্য্য বৰ্ণনাত হানি হব পাৰে। সেই বুলি আমি চৰিত্ৰৰ আদৰ্শ হেৰুৱাবলৈ কোৱা নাই। আন ফালে উপন্যাসত আদৰ্শ চৰিত্ৰৰ স্থল থাকিলে উপন্যাস উৎকৃষ্ট হব নোৱা-ৰিব বুলি কবৰ আমাৰ সাহ নাই। কিন্তু সেই আদৰ্শ চৰিত্ৰ সৃষ্টি উপন্যাস লিখাৰ মুখ্য উদ্দেশ্য হব নালাগে। সমাজৰ গ্লানি বহুত উপন্যাসৰ প্ৰধান আহিলা, কিন্তু সমাজৰ গ্লানিও মানৱ মনৰ পৰা উদ্ভূত। সমাজৰ গ্লানিৰ ভিতৰতা কোনো ব্যক্তি বিশেষৰ হৃদয়ৰ অন্তৰ প্ৰদেশৰ খবৰ পোৱা যায়। সেই মনৰ সম্যক পৰিচয়েই উপন্যাসৰ বস্তু হয় আৰু পাঠকৰ আনন্দৰ কাৰণ হয়।

উপন্যাস কোনো কাল্পনিক পৰিবাৰৰ বৃত্তান্ত। সেই পৰিবাৰৰ কোনো এজনৰ জীৱনৰ ঘটণাবৈচিত্ৰ্য উপন্যা-সৰ উপাদান। সেই এজনৰ লগত আনবিলাকৰ সম্বন্ধ আৰু ঘটনা জড়িত থাকে। সেই এটি জীৱনকে কেন্দ্ৰ ধৰি জীৱন বৈচিত্ৰ্যৰ মাজেদি ঔপন্যাসিকে মানৱ মন ভাঙি ছিঙি অৱস্থা বিপৰ্য্যয়ক্ৰমে সৌন্দৰ্য্য ৰচনা কৰে। মনস্তত্ত্বজ্ঞান আৰু বৰ্ণনাশক্তি ঔপন্যাসিকৰ আহিলা।

বাহ্যজগতত যেনেকৈ নানা প্ৰাকৃতিক পৰিবৰ্ত্তন ঘটে, পাৰিপাৰ্শ্বিক অৱস্থা বা আবেষ্টনৰ পৰিবৰ্ত্তনৰ লগে লগে মানৱ মনতো নানা পৰিবৰ্ত্তন ঘটে। বাহ্যজগতৰ প্ৰাকৃতিক পৰিবৰ্ত্তন লক্ষ্য কৰিবলৈ যেনেকৈ বিজ্ঞানৰ যুক্তি আৰু বৈজ্ঞানিকৰ দৃষ্টি লাগে, সেইদৰে মানৱ মনৰ ভাব পৰিবৰ্ত্তন লক্ষ্য কৰিবলৈকো মনস্তত্ত্ববিদৰ দৃষ্টি আৰু জ্ঞান লাগে। মানৱ চৰিত্ৰ অধ্যয়ণ, বিশ্লেষণ আৰু বৰ্ণনা কৰিব পৰা শক্তি ঔপন্যাসিকৰ থাকিব লাগিব, নহলে উপন্যাস হৃদয়গ্ৰাহী আৰু মৰ্ম্মস্পৰ্শী হব নোৱাৰিব। মানৱ চৰিত্ৰ বিচিত্ৰতাময়। অৱস্থা ভেদে মানুহৰ প্ৰকৃতিৰ লৰচৰ হোৱা দেখা যায়; কিন্তু এই বিচিত্ৰতা আৰু বিভিন্নতাৰ মাজেদি প্ৰত্যেক মানুহৰ চৰিত্ৰৰ বৈশিষ্ট্য আৰু Consistency পোৱা যায়। ঔপন্যাসিকে জীৱনৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ঘটনাবোৰৰ সমাবেশৰ লগত সেই চৰিত্ৰ অটুট ৰাখিব লাগিব। চৰিত্ৰৰ এই বৈশিষ্ট্য আৰু Consistency ৰক্ষা কৰিব নোৱাৰিলে উপন্যাসৰ দোষ ঘটে।

নতুনত্বই উপন্যাসৰ মূল্য বঢ়ায়। ভাব ভাষা আৰু গল্পৰ নতুনত্বই উপন্যাস পাঠকৰ মনত আনন্দ দিয়ে। মানৱ মনৰ অনাবিষ্কৃত প্ৰদেশৰ নতুন নতুন ভাৱৰ সন্ধান লোৱাই নতুনত্ব। এই নতুনত্ব আবিষ্কাৰ কৰি উপন্যাসৰ চৰিত্ৰৰ মাজেদি ফুটাই তুলিব পৰাই ঔপন্যা-সিকৰ কৃতিত্ব আৰু সেই নতুনত্ব মানৱ প্ৰকৃতিৰ যিমান স্বাভাৱিক কৰিব পৰা যায় ঔপন্যাসিক সিমান সফল হয়।

ঔপন্যাসিকক কবিও বুলিব পাৰি। ছন্দবদ্ধ কবিতা নিলিখিলেও ঔপন্যাসিকে কবিৰ চকুৰে মানৱ মনৰ সৌন্দৰ্য্য উপভোগ কৰে; নাইবা তাৰ বীভৎসতা উপলব্ধি কৰে। মানৱ মনৰ সৌন্দৰ্য্য বা বীভৎসতাই ঔপন্যাসি-কৰ মনত ছাপ মাৰিব নোৱাৰিলে ঔপন্যাসিকে চৰিত্ৰ সৃষ্টি কৰিব নোৱাৰিলে হেতেন।

অসমীয়াই বঙ্গ সাহিত্যৰ প্ৰভাৱত পৰি নিজৰ সাহিত্য দুৰ্ব্বল কৰি তোলা উচিত হোৱা নাই। বঙ্গ সাহিত্য পঢ়িবলৈ হাক দিয়া নাই, কিন্তু বঙ্গ সাহিত্যৰ যি উৎ-

ক্লিষ্ট পন্থা সেই পন্থা, অৱলম্বন কৰি নতুনত্বৰ মাজেদি অসমীয়া সাহিত্য যদি গঢ়ি তুলিবলৈ চেষ্টা কৰা যায়, সি তো অন্যায় নহব। বঙ্গ সাহিত্যৰ প্ৰভাৱত পৰি বঙ্গ সাহিত্যৰ অনুকৰণত যদি অসমীয়া সাহিত্য গঢ়িবলৈ যোৱা যায়, তেন্তে অসমীয়া সাহিত্য দুৰ্ব্বল নহৈ নোৱাৰে। যদিও অসমীয়া ভাষা আৰু বঙ্গ ভাষা মূল সংস্কৃত ভাষা আৰু প্ৰাকৃতৰ পৰা আহিছে, তথাপি অসমীয়া ভাষাৰ ঠাঁচ আৰু অসমীয়া সমাজৰ গঢ় ভিন। অসমীয়া সমাজৰ চিত্ৰহে অসমীয়া ভাষাত অসমীয়া গল্প উপন্যাসত ফুটি ওলাব লাগে। বঙ্গালী সমাজৰ চিত্ৰ অসমীয়া ভাষাত দিবলৈ গৈ নিৰ্ভাজ অসমীয়া গল্প উপন্যাস আশা কৰা অন্যায় নহবনে? আৰু তাকে কৰিবলৈ গলে অসমীয়া সাহিত্য বঙ্গ সাহিত্যৰ প্ৰভাৱত দুৰ্ব্বল কৰি তোলা নহব নে? আজি অসমীয়াৰ যি সমাজ, এই সমাজ ভাৰতত কতো নাই। আৰ্য্য অনাৰ্য্যৰ সংমিশ্ৰণত যি সমাজ গঢ়ি উঠিছিল—আৰ্য্য সভ্যতাৰ লগত আহোম সভ্যতাৰ যি সংমিশ্ৰণ্য ঘটিছিল তাৰ ফলত অসমীয়াৰ উন্নতি হৈছিল। আন দেশত আৰ্য্য সভ্যতাৰ লগত অনাৰ্য্য অসভ্যতাৰ সংঘৰ্ষ ঘটিছিল আৰু ফলত আৰ্য্য সভ্যতাৰ হানি আৰু অনাৰ্য্যতাৰ উন্নতি ঘটিছিল; কিন্তু অসমত কথা ভিন হল। আহোম জাতি সুসভ্য আছিল। আহোমৰ স্বকীয়া সভ্যতা, স্বকীয়া সাহিত্য আৰু স্বকীয়া বুৰঞ্জী আছিল। সেই বাবে অসমীয়াৰ সমাজত সভ্যতা আৰু শাসন প্ৰণালীৰ দৃঢ়তা ইমান মজবুদ আছিল।

আহোম সভ্যতাৰ যি সংমিশ্ৰন ঘটিছিল তাৰ ফলত অসমীয়াৰ উন্নতি ঘটিছিল। আন দেশত আৰ্য্য সভ্যতাৰ লগত অনাৰ্য্য অসভ্যতাৰ সংঘৰ্ষণ ঘটিছিল আৰু ফলত আৰ্য্য সভ্যতাৰ হানি আৰু অনাৰ্য্যতাৰ উন্নতি ঘটিছিল; কিন্তু অসমত কথা ভিন হল। আহোম জাতি সুসভ্য আছিল। আহোমৰ স্বকীয়া সভ্যতা, স্বকীয়া সাহিত্য আৰু স্বকীয়া বুৰঞ্জী আছিল। সেইবাবে অসমীয়াৰ সমাজসভ্যতা আৰু শাসন প্ৰণালীৰ দৃঢ়তা ইমান মজবুদ আছিল।

যি অসমীয়া জাতিক সুপৰাক্ৰমী ইংৰাজ জাতিয়েও অতি সহজে শাসনাধীন কৰিব পৰা নাছিল, যি অসমীয়া জাতিৰ স্বকীয়া সাহিত্য আৰু সংস্কৃতি অদ্যাবধি নানা কালৰ আক্ৰমণৰ মাজতো তিষ্ঠি আছে, সেই অসমীয়া জাতিৰ সাহিত্য আজি বঙালী সাহিত্যৰ প্ৰভাৱত দুৰ্ব্বল হবলৈ দিয়া উচিত হব জানো! উচিত নহয় যে আজিৰ অসমীয়াই মুক্তকণ্ঠে চাৰিও কালৰ পৰা স্বীকাৰ কৰিছে; কিন্তু অসমীয়াৰ অজ্ঞাতে অৰ্থাৎ নিজে বুজিব নোৱাৰাকৈ বঙ্গালী সাহিত্যই অসমীয়া সাহিত্যৰ প্ৰতি প্ৰভাৱ বিস্তাৰ কৰিছে। এই প্ৰভাৱ নিস্তেজ কৰিবলৈ অসমীয়াক লাগে তেজী সাহিত্য মনোমোহা গল্প আৰু সুৰসিক উপন্যাস। অজি যদি অসমীয়া গল্প আৰু উপন্যাসে বঙালী গল্প আৰু উপন্যাসৰ প্লট আৰু কথা চাতুৰ্য্যক চেৰ পেলাব পাৰে, তেতিয়া উলটি অসমীয়া সাহিত্যইহে বঙালী সাহিত্যৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব। আমি এই কথা নতুনকৈ কবলৈ ওলোৱা নাই বা নতুনকৈ কোৱা বুলি কবলৈ দুঃসাহস আমাৰ নাই; কিন্তু আজি অসমীয়া গল্প আৰু উপন্যাস লিখকসকলৰ ভিতৰত অনেকে বঙালী ঠাঁচ লোৱা যেন দেখিছোঁ। বঙালী সমাজৰ চিত্ৰ নিৰ্ভাজ অসমীয়া কথাৰে অসমীয়া গল্প উপন্যাসত দেখা দেখিছোঁ। বঙালী সমাজৰ কুৰীতি আৰু আৱৰ্জনাৰ আশ্ৰয় লৈ অসমীয়া গল্প আৰু উপন্যাস ৰচনা কৰা যেন দেখিছোঁ। সেই বাবে এটি সৰধান বাক্য উচ্চাৰণ কৰিব খুজিছোঁ। লাগিলে সেই বাণী যিমানেই ক্ষীণ নহওক, কিজানি বা কোনো এজনৰ সুতীক্ষ্ণ কাণত পৰেগৈয়ে। কোনো এজন সাহিত্যিকৰ মনত আমাৰ এই কথাষাৰিয়ে কিজানি অলপ খুন্দিয়ায়গৈ, কিজানি বা আমাৰ কথাষাৰিয়ে অসমীয়া গল্প বা উপন্যাস লিখাত কিছু সহায় কৰেই। আমাৰ মনত কেতিয়াবা এনে একোটি ভাবে খুন্দিয়ায় যে এনে এখন অভিনৱ উপন্যাস ৰচনা কৰিব লাগে যিখন উপন্যাস বঙালী আৰু অসমীয়া সাহিত্যত যতবোৰ উপন্যাস আছে, আটাইবোৰ চেৰ পেলাই শীৰ্ষস্থান অধিকাৰ কৰিব; কিন্তু সেই শক্তি থাকিলেহে বাঘৰে চক্ষু চুকি



পাব পাৰে। আমি নোৱাৰোঁ বুলি আন কোনো সুযোগ্য অসমীয়াই পাৰিব পাৰেতো! দৰ্শনত হেনো এটা কথা আছে যে আগে কল্পনা তাৰ পাচতহে সৃষ্টি। বিধাতাই আগে বিশ্বব্ৰহ্মাণ্ড কল্পনাহে কৰিছিল, তাৰ পাচতহে এই সৃষ্টি হৈছিল। সেইদৰে আজি অনেক অসমীয়া গণ্য মান্য সাহিত্যিকে ভাবিছে যে অসমীয়া সাহিত্যইহে বঙালী সাহিত্যৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব লাগিব আৰু ভাবিছে যে অসমীয়া সাহিত্য বঙালী সাহিত্যতকৈও উৎকৃষ্টতৰ কৰি গঢ়িব লাগিব; কিন্তু সেই ভাব দেশময় মুখৰিত হৈ এতিয়াও উঠা নাই। আজি প্ৰত্যেক অসমীয়া সাহিত্যিকৰ চিন্তা, ধ্যান, কল্পনা হব লাগে যে বঙালী সাহিত্যতকৈ উৎকৃষ্টতৰ সাহিত্য ৰচনা কৰিব লাগিব। এই ভাবত প্ৰণোদিত হৈ কৰ্ম্ম-ক্ষেত্ৰত নামিবলৈ হলে প্ৰথমতে গল্প আৰু উপন্যাসৰ প্ৰতি দৃষ্টি পৰে। বঙালী সাহিত্য অনুকৰণ নকৰি, বঙালী সমাজৰ চিত্ৰ অসমীয়া গল্প উপন্যাসত নাঁকি, অসমীয়া সমাজৰ চিত্ৰ আঁকিবলৈ ঔপন্যাসিকসকল যত্নবান হওক। মানৱ হৃদয়ত যিবোৰ ভাব উদ্ভূত হয় সেইবোৰ তাৰ মনোবিজ্ঞানৰ সহায়ত অধ্যয়ণ কৰক। সেই ভাববোৰৰ পৰিণতি অসমীয়া সমাজৰ ঠাঁচত কি গঢ়ত উঠে সেইটো অনুসন্ধান কৰক আৰু সেই ভাবে অসমীয়া সমাজৰ আবেষ্টনত পৰি কি চৰিত্ৰৰ সৃষ্টি কৰে সেই অনুপাতে নায়ক নায়িকা সৃষ্টি কৰক।

যদি এখন বালিকা স্কুললৈ যোৱা যায় য'ত অসমীয়া আৰু বঙালী ছোৱালীয়ে একেলগে পঢ়ে, তাত বুজা যায় যে অসমীয়া ছোৱালীৰ প্ৰকৃতি গতি ভঙ্গী আৰু লাজ গৰিমা বঙালী ছোৱালীতকৈ কিমান ভিন্। সেইদৰে বালক স্কুলতো বুজা যায় অসমীয়া লৰাৰ প্ৰকৃতি আৰু বঙালী লৰাৰ প্ৰকৃতি কিমান ভিন্। মূলতে যেতিয়া ভিন্, গল্প উপন্যাসৰ ঠাঁচ ভিন্ নহব কিয়? অকল প্ৰকৃতিতে নহয়, সাজ পাৰ, খণ্ডাখাণ্ডৰ বিচাৰো অসমীয়াৰ ভিন্। বিয়া সবাহ শৰাধ সকাম উৎসৱ ধৰ্ম্মানুষ্ঠান একোতেই বঙালীৰ লগত অসমীয়াৰ মিল নাই। যি মিল দেখা যায় সেই মিল বঙালীৰ লগত নহয় অতীত আৰ্য্য সভ্যতাৰ লগত আৰু হিন্দু ধৰ্ম্মৰ বেদ বেদান্ত উপনিষদৰ যি শিক্ষা সেই শিক্ষাৰ লগত মিল। বঙালীয়ে শাৰদীয় দুৰ্গাপূজা কৰে, অসমীয়ায়ো দুৰ্গাপূজা কৰে, গতিকে অসমীয়া আৰু বঙালীৰ মাজত বৈষম্য বা অমিল নাই, এই কথা কোনো জনা মানুহে নকয়। শ্ৰীৰামচন্দ্ৰ বঙ্গদেশত জন্মছিল বুলি আজিও কোনো বঙালী প্ৰত্নতাত্বিকে কবলৈ সাহ কৰা নাই। শাৰদীয় দুৰ্গাপূজা বঙালীৰ নহয় শ্ৰীৰামচন্দ্ৰৰ, অযোধ্যাবাসীৰ। সেই বাবে কোৱা হৈছে যে এই মিলসূচক ব্যৱহাৰৰ পৰা যদি ধৰি লোৱা হয় যে অসমীয়া আৰু বঙালীৰ ভিতৰত কোনো প্ৰভেদ নাই আৰু যি প্ৰভেদ আছে সেই প্ৰভেদ কেৱল ভৌগোলিক সীমাৰ পৰাহে, তেন্তে সেইটো ভুল হব। আমাৰ সন্দেহ নাই যে সকলো অসমীয়া লিখকে আমাৰ এই কথাত হয় ভৰ দিব; কিন্তু অসমীয়া লিখকসকলে বঙালী সমাজৰ চিত্ৰ আঁকি কিয় অসমীয়া পাঠক পাঠিকা সকলৰ ওচৰত দাঙি ধৰিছে আমি বুজিব পৰা নাই। বঙালীৰ পৰা যদি অনুকৰণ কৰিব লগা আছে তেন্তে বঙালীৰ সাহিত্য পথৰ উন্নতিৰ যি মূল সূত্ৰ, সেই মূল সূত্ৰৰ অনুসন্ধান কৰি সেই সূত্ৰ ধৰি উন্নতি পথত আগ বাঢ়িব লাগে—নিজৰ সভ্যতা সংস্কৃতি আৰু বৈশিষ্ট্য ৰক্ষা কৰি। উন্নতিশীল জাতি এটাৰ পৰা ভাল কথা লোৱাত কোনো দোষ নাই; কিন্তু নিৰ্ভাজ অসমীয়া কথাৰে বঙালী চিত্ৰ অসমীয়া সমাজত চলাই দিয়াত আমাৰ ঘোৰ আপত্তি আছে।

উদাহৰণ স্বৰূপে কব পাৰি যে আজিকালি বঙালী গল্প আৰু উপন্যাসবোৰ যিদৰে আৰম্ভ কৰে আৰু যি দৰে শেষ কৰে, সি বাস্তৱিকতে বৰ চমক লগা। অসমীয়া গল্প আৰু উপন্যাসবোৰ বেছি ভাগেই বৰ্ণনা-মূলক হয়। বঙালী গল্প আৰু উপন্যাসবোৰত আজিকালি এই দোষ নাই। যদি বঙালীৰ লিখাৰ এই ধৰণ অনুকৰণ কৰিব পাৰে, আমাৰ তাত আপত্তি নাই; কিন্তু বঙালী সমাজৰ চিত্ৰ লগে লগে আঁকি পেলালে আমাৰ আপত্তি। এই ধৰণ অনুকৰণ কৰা উচিত বুলিলেও-

ভুল হব। উন্নতিৰ অথলাত উঠি গল্প উপন্যাস লিখাৰ যি ধৰণ আজি বঙালী ভাষাত ওলাইছে, সেই ধৰণতকৈ আৰু উন্নত ধৰণ বঙালীয়ে উলিয়াবই; তেতিয়া আকৌ অসমীয়াই অনুকৰণ কৰিলে অসমীয়া পাচ পৰি যাব। গতিকে বৰ্ত্তমান ধৰণক চেৰ পেলাই শক্তিমান অসমীয়া লিখকে নতুন ধৰণ ( Style ) উলিয়াই অকল অসমীয়াকে নহয় বঙালীকো চকু খুৰাই দিব পাৰিব লাগে।

মুঠৰ ওপৰত এতিয়া এনে সন্ধিক্ষণ উপস্থিত হৈছে যে অসমীয়া সাহিত্যই নিজৰ বৈশিষ্ট্য ৰক্ষা কৰিবৰ বাবে অহোপুৰুষাৰ্থ কৰিব লগা হৈছে আৰু তাৰে প্ৰথম চাপ হৈছে যে অসমীয়া পঢ়ুৱৈ সমাজে বঙালী সাহিত্য পঢ়িবলৈ যাতে সুবিধা নাপায় তাৰ বাবে অসমীয়া সাহিত্য সৃষ্টি কৰিব লাগে।

---

# আয়ুৰ্ব্বেদ তত্ত্ব।

পৰমেশ্বৰে মানুহক তেওঁৰ সৃষ্টিৰহস্য সৃষ্টিতত্ব আৰু সৃষ্ট বস্তুৰ গুণাগুণ জানিবলৈ শক্তি দিছে।

মানুহে জন্ম গ্ৰহণ কৰি লিখা-পঢ়া শিকি জগতৰ সকলো বিধ তত্ব জানিব পাৰিলেহে ভগবানৰ সৃষ্টিতত্ব শিক্ষা কৰা হৈছে বুলি কব পাৰি। বিদ্যা উপাৰ্জ্জন কৰাই হৈছে ভগবানৰ সৃষ্টিতত্ব শিক্ষাৰ দ্বাৰ। সৃষ্টিতত্ব নানা ভাগত বিভক্ত। কেনোৱে এক বিষয়ত জ্ঞান আৰ্জ্জি মহাপণ্ডিত হৈ ধন ঐশ্বৰ্য্য আৰু সন্মান লাভ কৰিছে। কোনোৱে বা বিমল কাব্যৰসত নিমগ্ন হৈ কাল অতিবাহিত কৰিছে, কোনোৱে বা ধন জন পত্নী পুত্ৰ আদিৰ প্ৰতি আসক্তি এৰি নিৰ্জ্জন বনৰ মাজত আশ্ৰয় লৈছে, কোনোৱে বা দাৰ্শনিক চিন্তাত মনোযোগ দি ভগৱানৰ সৃষ্টিৰহস্য উদঘাতন কৰি অতি সুখেৰে জীৱন নিৰ্ব্বাহ কৰিছে। এই দৰে যি জনে যি বিষয়ৰ যিমান অধিক মৰ্ম্ম হৃদয়ঙ্গম কৰিব পাৰিছে তেৱেঁই জগতবাসীৰ ভিতৰত শ্ৰেষ্ঠ পণ্ডিত আৰু সকলোৰে পুজনীয় হৈছে।

চিকিৎসা বিদ্যা, ৰসায়ণ বিদ্যা, জ্যোতিবিদ্যা, ভূ-বিদ্যা, উদ্ভিদ বিদ্যা, দৰ্শণ আৰু বিজ্ঞান এই বিলাকেই হৈছে ভগৱানৰ সৃষ্টিতত্বৰ আলোচনা। ভগৱানে দিয়া শক্তিৰ বলেৰে সৃষ্টি তত্ব আৰু ৰহস্য উপলব্ধি কৰি মানুহে তেওঁৰ প্ৰাকৃতিক শক্তিবোৰক নিজৰ ২ কামৰ দাস কৰি ৰাখিছে আৰু ইচ্ছামতে সেই দাসবোৰক খটুৱাই নানা সুখ স্বচ্ছন্দতা ভোগ কৰিছে।

ঈশ্বৰে সৃষ্টি কৰা তাড়িত শক্তিৰ দ্বাৰাই মানুহে ইচ্ছামতে কাম কৰিব লাগিছে। তাড়িতক কেতিয়াবা বাৰ্ত্তা বাহক কেতিয়াবা গাড়ী বাহক আদি নানা কামত বাহকৰূপে খটুৱাইছে। কেতিয়াবা দীপাধাৰত বান্ধি ৰাখি নিজৰ ২ ঘৰৰ অন্ধকাৰ দূৰ কৰিছে। যি জাতিয়ে সৃষ্টিতত্বৰ এই ৰহস্য বেচিকৈ উপলব্ধি কৰি প্ৰাকৃতিক শক্তিবোৰক দাসানুদাসৰ দৰে খটুৱাব পাৰিছে সেই জাতিয়ে সিমানেই ঐশ্বৰ্য্যশালী হব ধৰিছে। আজি আমি তেওঁলোকৰ উপাৰ্জ্জিত জ্ঞানালোকৰ ক্ষীণ আভা লাভ কৰি সুখ ভোগ কৰিছোঁ।

মানুহ জীয়াই থকা সময় খিনিৰ নাম আয়ু। আয়ু সমন্ধীয় জ্ঞান বিষয়ক শাস্ত্ৰ নাইবা দীৰ্ঘ আয়ু লাভৰ উপায় থকা শাস্ত্ৰ, নাইবা আয়ুৰ হিত, অহিত, ৰোগৰ কাৰণ আৰু প্ৰশমনৰ উপায় থকা সাস্ত্ৰৰ নাম আয়ুৰ্ব্বেদ।

আহাৰ বিহাৰাদিৰ নিয়ম পালন কৰি দীৰ্ঘ কাল জীয়াই থকা আৰু ৰোগ হলে চিকিৎসাৰ দ্বাৰা ৰোগ নাশ কৰাই হৈছে আয়ুৰ্ব্বেদ শাস্ত্ৰৰ উদ্দেশ্য।

ধৰ্ম্ম অৰ্থ আৰু সুখ লাভৰ উপায় স্বৰূপ পৰমায়ু যি সকলে কামনা কৰে আয়ুৰ্ব্বেদৰ উপদেশবোৰ তেওঁলোকে



যত্নেৰে সৈতে পালন কৰিব লাগে বুলি মহৰ্ষি বাগভট্ট মুনিয়ে কয়।

"আয়ুঃ কামায়মানেন ধৰ্ম্মাৰ্থসুখসাধনং।
আয়ুৰ্ব্বেদোপদেশেষু বিধেয়ঃ পৰমাদৰঃ"॥

আয়ুৰ্ব্বেদ অতি বিশাল আৰু গম্ভীৰ শাস্ত্ৰ; ইয়াক অকল অনন্ত ৰত্নাকেৰেহে সৈতেহে তুলনা কৰিব পাৰি। ইয়াত নাই এনে তত্ব জগতত নাই বুলি কলেও একো অত্যুক্তি কৰা নহয়। ইয়াত ধৰ্ম্মনীতি অৰ্থনীতি সমাজ-নীতি দাৰ্শনিক তত্ব, বৈজ্ঞানিক তত্ব ইত্যাদি বিষয়ৰ মুল্যবান উপদেশ আছে।

চৰক সুশ্ৰুত আদি প্ৰাচীন আয়ুৰ্ব্বেদ শাস্ত্ৰত সাংখ্য পাতঞ্জল বৈশেষিক আদি দৰ্শন শাস্ত্ৰৰ তত্ত্ববোৰৰ গভীৰ মীমাংসা আছে; সেই বাবে আয়ুৰ্ব্বেদত বিশেষ জ্ঞান লাভ কৰিবলৈ হলে দৰ্শন শাস্ত্ৰতো জ্ঞান থকা উচিত। মানসিক ৰোগ চিকিৎসা আৰু মানসিক স্বাস্থ্য ৰক্ষাৰ বাবে দৰ্শন শাস্ত্ৰ ( ফিলচফি ) আৰু মনোবিজ্ঞান শাস্ত্ৰৰ ( চাইকোলজি ) জ্ঞান থকা উচিত। মনোবিজ্ঞানৰ কথা মহৰ্ষি কনাদৰ বৈশেষিক দৰ্শন আৰু গোতমৰ ন্যায় দৰ্শনত পোৱা যায়।

মন কাক বোলে, মনৰ কাৰ্য্য কেনেকৈ হব পাৰে, জ্ঞান আৰু চিন্তাৰ উদ্দেশ্য কেনেকৈ হয় ইত্যাদি মনোবিজ্ঞানৰ বিষয়। দৰ্শন শাস্ত্ৰৰ বিষয় আত্মা, পৰমেশ্বৰ, ত্ৰিবিধ দুখৰ নিবৃত্তি আদি নানা বিষয়ৰ বিচাৰ আৰু মীমাংসা।

বৰ্ত্তমান জগতত প্ৰাকৃতিক বিজ্ঞান বা বস্তু শক্তি বিজ্ঞান নামে ( ফিজিকচ্ ) যি বিদ্যাৰ অনুশীলন হৈছে আৰু যি বিদ্যাৰ সহায়েৰে জগতৰ সমস্ত জড় পদাৰ্থৰ গুৰুত্ব, বেগ, স্থিতিস্থাপকতা আদি বিশেষ গুণৰ জ্ঞান লাভ কৰিব পাৰি, সেই বিদ্যাও মহৰ্ষি কনাদৰ বৈশেষিক দৰ্শনৰ কিছুমান অংশত পোৱা যায়। বৈশেষিক দৰ্শনৰ পৰিভাষাৰে সেইবোৰ কথা আয়ুৰ্ব্বেদে বিশ্লেষণ কৰিছে।

ইয়াৰ বাহিৰেও বস্তুতত্ব বিজ্ঞান শাস্ত্ৰ ( কমিষ্ট্ৰী ) যাৰ সহায়েৰে জগতৰ সমস্ত বস্তুৰ স্বৰূপ বা পৰমাণু বিষয়ত জ্ঞান জন্মে, আৰু বস্তুবোৰক বিশ্লেষণ কৰি মুল বস্তুৰ আবিষ্কাৰ আৰু বেলেগ বেলেগ বস্তুৰ সংযোগৰ দ্বাৰা স্বতন্ত্ৰ গুণবিশিষ্ট নতুন পদাৰ্থৰ সৃষ্টি হয়, সেই বিদ্যাৰ অলোচনাও আয়ুৰ্ব্বেদীয় "ৰসতন্ত্ৰত" পোৱা যায়। ৰসতন্ত্ৰত পাৰদ আদি ধাতু ও উপধাতুৰ সংযোগ আৰু বিশ্লেষণ আদি কৰ্ম্মৰ আলোচনা আছে। বিশেষকৈ বস্তুতত্ব বিজ্ঞানৰ কথা চতুঃষষ্ঠি কলা বিদ্যাৰ অন্তৰ্গত 'সংযোগ ক্ৰিয়া বিজ্ঞনতো" পোৱা যায়।

আয়ুৰ্ব্বেদৰ দ্ৰব্যগুণ প্ৰকৰণত উদ্ভিদ বিদ্যাৰ ( বটানি ) আলোচনা আছে। জগতৰ সমস্ত তৃণ গুল্ম লতা আদিৰ জাতি বিভাগ, অঙ্গ প্ৰত্যঙ্গাদিৰ নাম, উদ্ভিদ আদিৰ উৎপত্তি, লালন পালন আদি কাৰ্য্যৰ তত্ব জানিবৰ বাবে উদ্ভিদ্ শিক্ষাৰ প্ৰয়োজন। খোৱা বস্তু আৰু ঔষধ আদিৰ গুণ নিৰ্ণয়ৰ বাবে দ্ৰব্য গুণৰ প্ৰয়োজন।

মানুহৰ মঙ্গলকৰ সমস্ত শাস্ত্ৰৰ মূল তত্ব বিচাৰি চালে আয়ুৰ্ব্বেদতেই পোৱা যায়। "শৰীৰ পৰিচয়" ( এনাটমি ) শৰীৰ, অস্থি পেশী আদিৰ উপাদান, আকৃতি, সংখ্যা সংস্থান, গঠন প্ৰণালী, "শৰীৰ বিজ্ঞান" ( ফিজিওলজি ) ৰক্ত ধাতু শৰীৰত সঞ্চাৰিত হোৱাৰ প্ৰণালী, খোৱা বস্তুৰ পৰিপাকৰ বিবৰণ, মল মুত্ৰ আদি বাহিৰ হোৱা প্ৰণালী, শব্দ স্পৰ্শ আদিৰ অনুভৱ, অঙ্গ প্ৰত্যঙ্গৰ পৰিচালন আদিৰ বিবৰণ, ৰোগৰ নিদান তত্ব, লক্ষণ তত্ব, চিকিৎসা ক্ষেত্ৰত ঔষধবোৰৰ প্ৰয়োগ বিজ্ঞান, কালচৰ্য্যা ৰাত্ৰিচৰ্য্যা ঋতুচৰ্য্যা, আহাৰ আদিৰ নিয়ম, সদাচাৰ, বস্ত্ৰ জোখাৰ নিয়ম, ঘিউ তেল আদি পাকৰ ব্যবস্থা, বস্ত্ৰ গ্ৰহণৰ নিয়ম, ঔষধৰ ভাৱনা বিধি, অৰিষ্ট আসৱ সুৰা আদি প্ৰস্তুতৰ নিয়ম, ইত্যাদি নানা বিষয়ৰ আলোচনা আয়ুৰ্ব্বেদৰ নিজা সম্পত্তি।

আয়ুৰ্ব্বেদ মতে চিকিৎসা বিদ্যা আঠ বিধ প্ৰধান অঙ্গত বিভক্ত। এই বাবে আৰ্য্য চিকিৎসা শাস্ত্ৰক "অষ্টাঙ্গ আয়ুৰ্ব্বেদো" বোলে; যেনে (১) কায় চিকিৎসা ( ঔষধৰ সাধ্য ৰোগ চিকিৎসা ) (২) শল্যতন্ত্ৰ ( শস্ত্ৰবিদ্যা ) (৩) শালাক্য তন্ত্ৰ ( চকু কাণ আদিৰ চিকিৎসা ) (৪) ভূত

বিস্তা তন্ত্ৰ ( মাগল ৰোগ ) (৫) কৌমাৰ ভৃত্যতন্ত্ৰ ( শিশু পালন আৰু চিকিৎসা ) (৬) অগদতন্ত্ৰ ( বিষ চিকিৎসা ) (৭) ৰসায়ণ তন্ত্ৰ ( জৰা ব্যাধি নাশক ঔষধ আদিৰ বিবৰণ আৰু প্ৰযোগৰ নিয়ম ) (৮) বাজীকৰণ তন্ত্ৰ ( শুক্ৰ অল্প, দুষ্ট, শুষ্ক, আৰু ক্ষীণ হলে তাৰ চিকিৎসা আৰু সুস্থ মানুহৰ সন্তান উৎপাদন কৰা শক্তি বঢ়াৰ উপায় ) ঋষি প্ৰণীত আয়ুৰ্ব্বেদীয় গ্ৰন্থবোৰৰ নাম তন্ত্ৰ আৰু সংহিতা। তন্ত্ৰশাস্ত্ৰ নামে যি গ্ৰন্থৰ প্ৰচলন আছে সি স্বতন্ত্ৰ।

বেদত যেনেকৈ জ্ঞান কাণ্ড আৰু কৰ্ম্ম কাণ্ডৰ আলোচনা আছে আয়ুৰ্ব্বেদতো এই দুটা বিভাগ আছে। চৰকৰ সূত্ৰস্থান ( ৰোগ ঔষধ আৰু অন্নাদিৰ বিবৰণ ) শৰীৰ স্থান ( শৰীৰৰ বিবৰণ ) নিদানস্থান ( ৰোগৰ কাৰণ ) বিমান স্থান ( ৰসায়ণ বিস্তা আৰু ফিজিওলজিৰ বিবৰণ ) আৰু ইন্দ্ৰিয় স্থান ( ইন্দ্ৰিয়বোৰৰ বিবৰণ ) জ্ঞান কাণ্ড। চিকিৎসা স্থান, ( চিকিৎসা বিষয়ৰ বিবৰণ ) সিদ্ধিস্থান অৰ্থাৎ ( স্বেদ বমন, বিৰেচণ, নস্যবস্তি ) ফিচ্ কাৰী ( আদি পঞ্চ কৰ্ম্মৰ বিবৰণ ) কল্প স্থান ( বিষ আৰু বিষনাশক ঔষধৰ বিবৰণ আদি ) কৰ্ম্ম কাণ্ড।

আয়ুৰ্ব্বেদ অকল মানুহৰ চিকিৎসাৰ বাবেই ৰচিত হোৱা নাছিল, হাতী ঘোঁৰা গছ-গছনি আদিৰো চিকিৎসা পদ্ধতি আয়ুৰ্ব্বেদত পোৱা যায়।

হাতী চিকিৎসাৰ বাবে মহৰ্ষি পানকাপ্য মুনিৰ "পানকাপ্য সংহিতা," ঘোঁৰা চিকিৎসাৰ বাবে নকুলৰ "অশ্ব বৈদ্যক" আৰু 'শালি হোত্ৰ সংহিতা"।

গৰু চিকিৎসাৰ বাবে গোতম সংহিতা গছ-গছনিৰ চিকিৎসাৰ বাবে শাঙ্গধৰে কৰা সংগ্ৰহ গ্ৰন্থৰ "উপবন বিনোদ" ভাগ। এইদৰে গজায়ুৰ্ব্বেদ অশ্বায়ুৰ্ব্বেদ গবায়ুৰ্ব্বেদ বৃক্ষায়ুৰ্ব্বেদ আদি নানা গ্ৰন্থ পোৱা যায়।

যি হওক, আয়ুৰ্ব্বেদ সৰ্ব্বশাস্ত্ৰৰ আকৰ আৰু ইয়াৰ জন্ম এই ভাৰতবৰ্ষতেই হৈছিল। বহু শতাব্দী ধৰি ৰাষ্ট্ৰবিপ্লৱ, বিদেশীয় জাতিৰ আক্ৰমণ, বিধৰ্ম্মী ৰজা সকলৰ অত্যাচাৰ, অবজ্ঞা আৰু ধৰ্ম্মবিপ্লৱ আদিৰ ফলত ভাৰতবৰ্ষত নানা বিষয়ৰ অৱনতিৰ লগে লগে আয়ুৰ্ব্বেদ শাস্ত্ৰৰো যথেষ্ট অৱনতি ঘটিছে।

অয়ুৰ্ব্বেদৰ "সংক্ষিপ্ত ইতিবৃত্তি" নামে প্ৰবন্ধত এই বোৰ কথা বিশ্লেষণ কৰিবৰ ইচ্ছা থাকিল।

—:০:—

## প্ৰধান সম্পাদকৰ কাৰ্য্য-বিবৰণী—ষোড়শ সন্মিলন— তেজপুৰ ১১।৪।৩৬

আজি ১৫ বছৰৰ মুৰত, সুপ্ৰাচীন শোণিতপুৰ ৰাজ্যৰ অন্তৰ্গত, অতীত গৌৰৱৰ মহিমাময় স্মৃতিৰে পৰিপূৰ্ণ এই বিনন্দীয়া তেজপুৰ নগৰত, আমাৰ দেশৰ সাহিত্যিকসকলৰ মাতৃ পূজাৰ অৰ্থে আকৌ শুভ সমাগম হৈছেহি। এই হেন পুণ্যময় ঠাইত এনেহেন পুণ্যময় অভিপ্ৰায়েৰে সমবেত হোৱা পুণ্যতনু সুধীসকলৰ দৰ্শন পাই আমাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সভ্যসকলে অপাৰ আনন্দ অনুভৱ কৰিছে, আৰু তেওঁলোকসকলক ভক্তিপূৰ্ণ অভিবাদন জনাইছে। মঙ্গলময় পৰমেশ্বৰৰ কৃপাত, এই সন্মিলনৰ সকলো কাৰ্য্য যেন সুমঙ্গলেৰে আৰু সুকলমে সম্পন্ন হয়।

মঙ্গলদৈ মহকুমাৰ ৰাইজৰ বিপুল উৎসাহৰ ফলত, ১৯৩৪ চনৰ ২৭ আৰু ২৮ ডিচেম্বৰ তাৰিখে মঙ্গলদৈ নগৰত এই সভাৰ পঞ্চদশ সন্মিলন সমাবেশেৰে হৈ



গল। সেই সন্মিলনত আমাৰ সুযোগ্য আৰু শ্ৰদ্ধাস্পদ নেতা, সুসাহিত্যিক ৰায়বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা ডাঙৰীয়াই সভাপতিৰ আসনৰ গৌৰৱ বৃদ্ধি কৰিছিল। আমাৰ দুৰ্ভাগ্যৰ গুণে, সেই সময়ত অতি টান নৰিয়াত পৰা বাবে, আমি তাত উপস্থিত থাকিব নোৱাৰিলো; আৰু সভাৰ সহকাৰী সম্পাদক শ্ৰীযুত দেৱেন্দ্ৰনাথ বেজবৰুৱা দেৱেহে সন্মিলনত আমাৰ বাবৰ কাম কৰিব লগীয়া হৈছিল। তাৰ পাচতো আমাৰ শৰী সম্পূৰ্ণৰূপে সুস্থ নোহোৱাত, তামি সভাৰ কাৰ্য্যলৈ ভালকৈ মন কৰিব পৰা নাই। শ্ৰীযুত বেজবৰুৱা দেৱ আৰু অপৰ সহকাৰী সম্পাদক শ্ৰীযুত তুলসীনাৰায়ণ শৰ্ম্মা দেৱেহে আমাৰ হৈ সভাৰ সৰহ ভাগ কাম কৰি আহিছে। ইয়াৰ বাবে, এই সুযোগতে তেওঁলোকলৈ আন্তৰিক শলাগ জনাইছোঁ। ৰীতি মতে কাম কৰিব নোৱাৰি আমি ইয়াৰ বহু পূৰ্ব্বেই প্ৰধান সম্পাদকৰ বাবৰ পৰা অৱসৰ প্ৰাৰ্থনা কৰিছিলোঁ। কিন্তু কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে সেই প্ৰাৰ্থনা মঞ্জুৰ নকৰিলে।

আজিৰ এই ষোড়শ সন্মিলন প্ৰথমতে যোৱা বৰদিনৰ বন্ধতে পাতিবলৈ যো-জা কৰা হৈছিল। বিশেষ অসুবিধাৰ নিমিত্তে অভ্যৰ্থনা সমিতিয়ে ইয়াক তেতিয়া স্থগিত কৰি এই ইষ্টাৰ বন্ধলৈ চোঁহোকাই আনিব লগীয়া হল।

এই বছৰ আমাৰ মহানুভৱ সম্ৰাট ৰাজাধিৰাজ পঞ্চম জৰ্জ্জৰ তিৰোভাৱ আমাৰ পক্ষে অতিশয় বিষাদৰ ঘটনা। তেওঁৰ প্ৰজাৰঞ্জক গুণ, ভাৰতবৰ্ষৰ কল্যাণৰ কথাত প্ৰবল সহানুভূতি, ভাৰতীয় প্ৰজাৰ মাজত শিক্ষাৰ বহুল প্ৰচাৰৰ অৰ্থে আন্তৰিক আগ্ৰহ আৰু সেই সম্পৰ্কে দিল্লীৰ দৰ্বাৰত আৰু কলিকতাৰ বিশ্ববিদ্যালয়ত তেওঁৰ নিজা উক্তি আপোনালোক সকলোৰে বিদিত আছে। জগদীশ্বৰে তেওঁৰ সজ আত্মাক উৰ্দ্ধগতি প্ৰদান কৰক। তেওঁৰ সুযোগ্য উত্তৰাধিকাৰী ভাৰতৰ নতুন সম্ৰাটো তেওঁৰ দৰেই আমাৰ অকৃত্ৰিম ৰাজভক্তিৰ অধিকাৰী আৰু পৰম আশা ভৰসাৰ স্থল।

আমাৰ পঞ্চম সন্মিলনৰ সভাপতি, সৌম্যমূৰ্ত্তি শান্ত প্ৰকৃতি, অমৃতভূষণ অধিকাৰী মহোদয়ৰ মৃত্যু এই সাহিত্য সভাৰ পক্ষে বৰ দুৰ্ভাগ্যৰ কথা। তেওঁৰ মৃত্যুত আমি এগৰাকী নিৰৱ কিন্তু প্ৰবীন আৰু সুবিজ্ঞ সাহিত্যিক হেৰুৱালোঁ।

চিপাঝাৰ সাহিত্য সভাৰ সম্পাদক মুক্তানন্দ গোস্বামী মহাশয়ৰ মৃত্যুৰ বাবেও আমাৰ অনেক হানি হৈছে। তেওঁ এজন সুযোগ্য সাহিত্য কৰ্ম্মী আছিল।

শ্ৰদ্ধাস্পদ ৰমাকান্ত বৰকাকতী ডাঙৰীয়া বৃদ্ধ বয়সত হে হানি পৰিছে। তথাপি আমাৰ পক্ষে সি বেজাৰৰ কথা। তেওঁ সুবিখ্যাত 'ভ্ৰমৰঙ্গ' নাটকৰ এজন লিখক আছিল, তাহানি কলিকতাত থকা অ, ভা, উ, সা, সভাৰ সম্পাদক আছিল আৰু অসমীয়া সাহিত্যৰ উন্নতিৰ অৰ্থে সদায় দেহে কেহে পুৰুষাৰ্থ কৰিছিল। তেওঁৰ অভিজ্ঞতা, উদ্দগণি আৰু দৃষ্টান্তৰ গুণত অনেক অসমীয়া ডেকা অসমীয়া সাহিত্য চৰ্চ্চা কৰিবলৈ অনুপ্ৰাণিত হৈছিল।

আমাৰ দেশৰ মুছলমান সকলৰ ভিতৰত অসমীয়া সহিত্যত ৰতি থকা লোকৰ লেখ সৰহ নহয়। এনে স্থলত মুন্সী চলেমান খাঁৰ দৰে এজন সুলিখকৰ মৃত্যু অসমীয়া সাহিত্যিক সমাজৰ পক্ষে অতি পৰিতাপৰ বিষয়।

স্বৰ্গীয় নবীনচন্দ্ৰ বৰদলৈ অকল যে ৰাজনীতি ক্ষেত্ৰত হে খ্যাতনামা এনে নহয়; এই দেশৰ সহিত্য ক্ষেত্ৰতো তেওঁ সুপৰিচিত আছিল। তেওঁৰ অকাল মৃত্যুত অসম দেশে এজন ৰসজ্ঞ আৰু সুৰুচিৰ সাহিত্যিক পুৰুষ হেৰুৱালে। তেওঁক অনতিপলমে সাহিত্য সন্মিলনৰ সভাপতি স্বৰূপে পোৱা হ'ব বুলি কাৰ্য্য নিৰ্ব্বাহক সমিতিয়ে আশা কৰি আছিল।

কৃতবিদ্য উৎসাহী ডেকা বিষ্ণুচন্দ্ৰ গোস্বামী দেৱৰ অকাল মৃত্যু অতি সন্তাপৰ কথা। তেওঁৰ ওপৰত মাতৃভূমিৰ অনেক আশা আছিল।

যোৱা সন্মিলনত গৃহীত হোৱা প্ৰস্তাৱ সমূহৰ বিষয়ে কৰিব লগীয়া সকলোখিনি লিখা-লিখি কাৰ্য্য যথা সময়ত কৰা হল। তাৰ ফলাফলৰ চমু আভাস তলত দিয়া হৈছে:—

আমাৰ মাজুৰৰ গৱৰ্ণৰ চাৰ মাইকেল্ কীন্ বাহাদুৰক এই সভাৰ পৃষ্ঠপোষক হবলৈ অনুৰোধ কৰি এটি প্ৰস্তাৱ

গ্ৰহণ কৰা হৈছিল। তেখেতে সন্মিলনৰ এই অনুৰোধ অনুগ্ৰহ কৰি ৰক্ষা কৰিলে।

সন্মিলনৰ এটা সিদ্ধান্তত ১৯৩৫ চনৰ পৰা আৰম্ভ কৰি সাহিত্য সভালৈ বছৰি ৩০০০৲ তিনি হাজাৰ টকাকৈ আকৌ দান দিবৰ অৰ্থে চৰ্কাৰক টানি অনুৰোধ কৰা হৈছিল। তাৰ উত্তৰত সমিধান পোৱা হ'ল যে, "সাহিত্য পত্ৰিকা" খনকে পুনৰ প্ৰকাশ কৰিবৰ অৰ্থে ১৯৩৫-৩৬ চনৰ চৰ্কাৰী বজেটত ৬০০, টকাৰ দান ধাৰ্য্য কৰা হৈছে; আৰু চৰ্কাৰৰ সেই সময়ৰ আয়-ব্যয়ৰ অৱস্থালৈ চাই তেতিয়া তাতকৈ অধিক টকা মঞ্জুৰ কৰিব নোৱাৰি।

এই বিষয়ে আগেয়েও অনেক লিখা-লিখি কৰি থকা হৈছিল; আৰু তাৰ ফল স্বৰূপে গবৰ্ণৰ বাহাদুৰে শিক্ষামন্ত্ৰী মহোদয়ক সাহিত্য সভা পৰিদৰ্শন কৰিবলৈ অনুৰোধ কৰি থোৱা আছিল। সেই মতে ১৯৩৫ চনৰ চেপ্টেম্বৰ মাহত শিক্ষা মন্ত্ৰীয়ে সাহিত্য সভা পৰিদৰ্শন কৰিছিলহি। তেতিয়াও তেখেতক সাহিত্য সভাৰ সঙ্কটাপন্ন অৱস্থাৰ বিষয়ে বিস্তৃত ভাৱে জনোৱা হৈছিল। তেখেতৰ পৰিদৰ্শন ৰেপটৰ সভাৰ পৰা নকল পাই গবৰ্ণৰ বাহাদুৰে ২২।১২।৩৫ তাৰিখে সভালৈ ২০০, টকাৰ সাহায্য পঠাইছে। ১৯৩৬-৩৭ চনৰ চৰ্কাৰী বজেটতো এই সভাৰ বাবে মুঠতে ১০০০, এহেজাৰ টকাৰ দান মঞ্জুৰ কৰা জনা হৈছে।

অসমীয়া ভাষা শিক্ষাৰ নিমিত্তে কলিকতা বিশ্ববিদ্যালয়ত সুকীয়াকৈ এখনি আসন ( chair ) স্থাপন কৰাবলৈ চৰ্কাৰক অনুৰোধ কৰি এটি প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। অৰ্থৰ অনাটনৰ বাবে সম্প্ৰতি এই কাৰ্য্য কৰা সম্ভৱ নহয় বুলি ইয়াৰ সমিধান পোৱা হল।

যোগ্যবান সাহিত্যিকসকলক উপাধি আৰু চনদ দিয়াৰ কথাৰ বিষয়ে কাৰ্য্য—নিৰ্ব্বাহক সমিতিয়ে চৰ্কাৰলৈ লিখা-লিখি কৰিছিল; কাৰণ, সমিতিয়ে ভাবে যে তেনে উপাধি আৰু চনদ চৰ্কাৰে গ্ৰাহ্য কৰিলেহে অসমৰ বাহিৰেও অন্য ঠাইতো তাৰ যথোচিত আদৰ হ'ব। এই বিষয়ে উত্তৰ পোৱা হৈছে যে, চৰ্কাৰী বা বিশ্ববিদ্যালয়ৰ উপাধিৰ বাজে আন অনুষ্ঠানৰ পৰা পোৱা উপাধি চৰ্কাৰে সম্প্ৰতি গ্ৰাহ্য কৰিব নোৱাৰে।

অসম সাহিত্য সভাৰ এটি ইতিবৃত্তি লিখাই প্ৰকাশ কৰিবৰ নিমিত্তে যি প্ৰস্তাৱ আছিল তাক কাৰ্য্যত পৰিণত কৰিবৰ অৰ্থে কাৰ্য্য—নিৰ্ব্বাহক সমিতিয়ে শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী দেৱক ইতিবৃত্তি লিখিবলৈ নিয়োগ কৰিছে। এই বিষয়ে তেখেতৰ পৰা উত্তৰ পোৱা হৈছে যে চৰ্কাৰী কাৰ্য্যৰ ভিৰৰ গুণে তেখেতে অলপ লাহে লাহেহে এই ইতিবৃত্তি লিখি দিব পাৰিব।

চন্দ্ৰকান্ত ভৱনত অসমীয়া ভাষাৰ স্বৰ্গগত খ্যাতনামা সাহিত্যিকসকলৰ প্ৰতিকৃতি স্থাপনৰ বিষয়ে আগৰে পৰা যত্ন কৰি অহা হৈছে; কিন্তু অৰ্থৰ অনাটনত সেই কাৰ্য্য এতিয়ালৈকে আশানুৰূপে হৈ উঠা নাই। ইয়াৰ বাজেও সাহিত্য সভাত উপযুক্ত মতে দান কৰা দাতা সকলৰো স্মৃতি চিহ্ন ৰাখিবৰ নিমিত্তে কাৰ্য্য—নিৰ্ব্বাহক সমিতিৰ অতিশয় অভিলাষ আছে। সেই মতে দক্ষিণপাটৰ পূজনীয় পুণ্যস্মৃতি ৺নৰদেৱ গোস্বামীৰ চিত্ৰ পূৰ্ব্বেই স্থাপন কৰা হ'ল। সম্প্ৰতি কমলাদেৱী ট্ৰাষ্ট ফণ্ডৰ স্বৰ্গগতা কমলাদেৱীৰ আৰু সেই ফণ্ডৰ দাতা শ্ৰদ্ধাস্পদ শ্ৰীযুত ৰাধানাথ গোস্বামী দেৱৰ একোখনি চিত্ৰও স্থাপন কৰা হৈছে।

উত্তৰ লক্ষীমপুৰ সন্মিলনত শ্ৰীযুত জীৱেশ্বৰ বৰুৱা নামেৰে অসমীয়া শিল্পী একনে চন্দ্ৰকান্ত ভৱনত থবলৈ সভাৰ নিৰ্দ্দেশ মতে যেই সেই এগৰাকী খ্যাতনামা পুৰুষৰ Bust আকাৰৰ প্ৰস্তৰ মূৰ্ত্তি এটি বানচ নোলোৱাকৈ কৰি দিবলৈ গাত লৈছিল। সন্মিলনে ৰায়বাহাদুৰ সন্দিকৈ ডাঙৰীয়াৰ প্ৰতিমূৰ্ত্তি কৰাবলৈ আদেশ দিছিল। তাৰ নিমিত্তে Clay model অৰ্থাৎ মাটিৰ চানেকি কৰিবলৈ উক্ত শিল্পীলৈ ফটোগ্ৰাফ পঠোৱা হৈছে।

সন্মিলনৰ প্ৰস্তাৱ অনুসৰি অসম দেশৰ অভাব অভিযোগলৈ অধিক দৃষ্টি কৰিবলৈ আৰু চিণ্ডিকেট আৰু চিনেটত অসমৰ উপযুক্ত সংখ্যক সভ্য লবলৈ অনুৰোধ কৰি, কলিকতা বিশ্ববিদ্যালয়লৈ লিখা হৈছিল। কিন্তু সেই চিঠিৰ প্ৰাপ্তি স্বীকাৰৰ বাহিৰে অন্য কোনো সমিধান পোৱা নহল।

দাতি কাষৰীয়া পৰ্ব্বতীয়া জাতি আৰু অসমত দিতাপী হোৱা অনা-অসমীয়াৰ মাজত অসমীয়া ভাষা প্ৰচলন কৰিবৰ অৰ্থেও এটি প্ৰস্তাৱ আছিল। এই কাৰ্য্যলৈ অৰ্থৰ প্ৰয়োজন; আৰু অৰ্থৰ অভাৱত এই বিষয়ে সম্প্ৰতি একো কৰিব পৰা নাই।



যোৱা সন্মিলনৰ পাচৰ পৰা এই বছৰৰ মাৰ্চ্চ মাহৰ অন্তলৈকে আমাৰ ৬ খন নতুন সভা স্থাপিত হৈছে আৰু মূল সভাৰ ৫৩ জন নতুন সভ্য ভুক্ত হৈছে।

ওপৰত উল্লেখ কৰা গৱৰ্ণমেণ্টৰ পৰা পোৱা ৬০০, টকাকে হাতত লৈ "সাহিত্য সভা পত্ৰিকা" সম্প্ৰতি আকৌ প্ৰকাশ কৰা হৈছে। কিন্তু অকল সেই টকাৰেই পত্ৰিকাৰ উন্নতি কৰা দূৰৰ কথা, তাক অকল জীয়াই ৰখাও কঠিন কাম। পত্ৰিকাৰ স্থায়িত্বৰ বাবে সভাৰ সভাসকলৰ প্ৰবল সহানুভূতিৰ প্ৰয়োজন। পত্ৰিকা সম্পাদনৰ বাবে দুটীয়াকৈ দুজন সম্পাদক মনোনীত কৰাতকৈ অকল এজনৰ গাতে গোটেই ভাৰ দিলে কাম কাজৰ পক্ষে এতিয়াতকৈ অনেক সুচল হোৱাৰ সম্ভৱ। এই কথা আপোনালোকৰ কাণ চোৱাবৰ আৱশ্যক বুজি, এই সিনিতে জনাই থলোঁ।

লক্ষীমপুৰ সন্মিলনত শ্ৰীযুতা শান্তিপ্ৰভা হাতীবৰুৱানীয়ে "কানিৰ অপকাৰিতা" বিষয়ত সৰ্ব্বোৎকৃষ্ট ৰচনাৰ বাবে এটি ৰূপৰ পদক দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। এই পদক পৰীক্ষকৰ বিচাৰ মতে বিশ্বনাথৰ শ্ৰীযুত দীননাথ শৰ্ম্মা দেৱে পাব লগীয়া হোৱাত এই সন্মিলনতে দিয়াৰ দিহা কৰা হৈছে।

পঞ্চদশ সন্মিলনৰ সভাপতি ৰায়বাহাদুৰ আগৰৱালা ডাঙৰীয়াই "পটন্তৰ" আৰু 'ফকৰা" সংগ্ৰহৰ বাবে ২৫৲টকা মূল্যৰ যি পুৰস্কাৰ ঘোষণা কৰিছিল, তাৰ বাবে পটন্তৰ আৰু ফকৰা সংগ্ৰহ কৰি পঠাবলৈ অনেকে সময় বঢ়াই দিবলৈ আবেদন কৰাত কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে ১৯৩৬ চনৰ ৩১ জুলাই তাৰিখলৈকে সময় বঢ়াই দিছে।

পঞ্চদশ সন্মিলনতে মৌলবী আব্দুৰ ৰহমান, চৰ ডেপুটী কলেক্টৰ চাহাবে "সাহিত্যত সাম্প্ৰদায়িকতা" বিষয়ৰ উৎকৃষ্ট ৰচনাৰ বাবে ২৫৲টকা মূল্যৰ এটি পদক আগ বঢ়াইছিল। তাৰ বাবে তিনিখন ৰচনা পোৱা হৈছিল। কিন্তু পৰীক্ষা কৰাই চাই, তাতোকৈ ভাল ৰচনা পাবৰ আশাত, ১৯৩৬ চনৰ ১৫ মাৰ্চ্চলৈকে সময় বঢ়াই জাননী দিয়া হৈছিল। সেই সময়ৰ ভিতৰত নতুন কোনো ৰচনা পোৱা নহল বাবে কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে পুণৰ ৩০।৬।৩৬ তাৰিখলৈকে সময় বঢ়াই দিছে।

মঙ্গলদৈৰ শ্ৰীযুত শুকলাল ঘোষ ডাঙৰীয়াই ১৯৩৫ চনৰ ভিতৰত প্ৰকাশ হোৱা সৰ্ব্বোৎকৃষ্ট গ্ৰন্থৰ বাবে, এই ষোড়শ সন্মিলনতে এটি স্বৰ্ণ পদক দিবলৈ ঘোষণা কৰিছিল। তাৰ বাবে উপযুক্ত সংখ্যক কিতাপ নেপাই, কিতাপ পঠাবলৈ ৩০।৬।৩৬ তাৰিখ পৰ্য্যন্ত সময় বঢ়াই দি কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে নতুনকৈ বিজ্ঞাপন দিছে।

মৌলবী মহিবুল্লা, ই, এ; চি, চাহাবে "অসমীয়া সাহিত্যত ইচ্লাম আৰু অসমীয়া মছলমানৰ ঠাই ক'ত"—এই বিষয়ৰ সৰ্ব্বোৎকৃষ্ট ৰচনাৰ বাবে সোণৰ পদক এটি দিবলৈ মঙ্গলদৈ সন্মিলনত প্ৰতিশ্ৰুতি দিছিল। এই বিষয়ে কোনো ৰচনা এতিয়ালৈকে নোপোৱাত ইয়াৰ বাবেও ৩০।৬।৩৬ তাৰিখলৈকে সময় বঢ়াই দি বিজ্ঞাপন দিয়া হৈছে।

লক্ষীমপুৰ সন্মিলনৰ বুৰঞ্জী শাখাৰ সভাপতি শ্ৰীযুত সৰ্ব্বেশ্বৰ কটকী দেৱৰ অভিভাষণটি ছপা কৰাই বিতৰণ কৰিবৰ নিমিত্তে সন্মিলনৰ আদেশ আছিল। সেই অভিভাষণ এই সন্মিলনতে বিতৰণ কৰিব পৰাকৈ ছপা কৰাই আনিবলৈ কটকী দেৱক অনুৰোধ কৰা হৈছিল। সিদিনা মাত্ৰ সম্বাদ পোৱা হৈছে যোলে এই সন্মিলনত তাক বিতৰণ কৰিব পৰা নহব।

চন্দ্ৰকান্ত অভিধানৰ সংশোধন কামলৈ ট্ৰাষ্ট বোৰ্ডে ছমাহৰ সময় দিছিল। কিন্তু ছমাহৰ ঠাইত ১০মাহ কাম কৰি আৰু ২০৩।০ অনা খৰচ কৰি ব্যঞ্জন বৰ্ণৰ "জ" আখৰলৈকেহে সংশোধন কৰিব পৰা হ'ল। সেই বাবে ট্ৰাষ্ট ফণ্ডৰ সুতৰ টকা খৰচ হৈ যোৱাত, সম্প্ৰতি ট্ৰাষ্ট বোৰ্ডে সংশোধন কাৰ্য্য স্থগিত ৰাখিছে।

কমলা দেৱী ট্ৰাষ্ট ফণ্ডৰ পৰা "বিজ্ঞানৰ গল্প" নামেৰে এখন গ্ৰন্থ গ্ৰন্থকাৰক ছপা কৰিবলৈ দিয়া হৈছিল, আৰু তাৰ প্ৰথম ফৰ্ম্মাটো ছপা হলেই পুৰস্কাৰৰ অৰ্দ্ধেক টকা দিবলৈকো প্ৰতিশ্ৰুতি দিয়া হৈছিল। গ্ৰন্থকাৰৰ পৰা

সেইমতে কিতাপৰ ফৰ্ম্মা এতিয়ালৈকে পোৱা নাই। তদুপৰি এই ট্ৰাষ্ট ফণ্ডৰপৰা, অসমৰ মহৎ লোকসকলৰ চৰিত্ৰাৱলীৰ এক গ্ৰন্থ শিশু পাঠ্য উলিয়াবলৈ যোৱা সন্মিলনে আদেশ কৰিছিল। তাৰ বাবেও এখনি চব্-কমিটী নিযুক্ত কৰা হৈছে। সেই কমিটীৰ পৰাও নিৰ্দ্দিষ্ট ৰেপৰ্ট নোপোৱাত এই ফণ্ডৰ পৰা সম্প্ৰতি নতুন গ্ৰন্থ ছপাবলৈ দিয়া হোৱা নাই।

নবদেৱ ট্ৰাষ্ট ফণ্ডৰপৰা প্ৰকাশ কৰিবলৈ যি কেইখন গ্ৰন্থ পৰীক্ষা কৰোৱা হ'ল, তাক উপযুক্ত যেন দেখা নগ'ল। ইয়াৰ বাবে উপযোগী গ্ৰন্থৰ বিচাৰ কৰি থকা হৈছে। আৰু পালেই ছপাবলৈ দিয়া হ'ব।

এই ফণ্ডৰপৰা পূৰ্ব্বে প্ৰকাশ কৰা "শ্ৰীশ্ৰীদেৱ দামোদৰ চৰিত্ৰ" আৰু "শ্ৰীশ্ৰীবনমালী দেৱ চৰিত্ৰ"ৰ বিষয়ে ২।৩ ঠাইৰ পৰা আপত্তি পোৱা হৈছিল। তাৰ বিচাৰ কৰিবলৈ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে এখনি চব কমিটী নিযুক্ত কৰিছিল। সেই কমিটীয়ে কিতাপ কেইখন আদ্যোপান্ত পঢ়ি চাই আৰু ভালেখিনি আলোচনা কৰি শেহত তাত সাহিত্য সভাৰ হৈ একোখন ওপৰঞ্চি পাতনি সংযোগ কৰিবৰ দিহা দিছে; আৰু সেই পাতনি বাতৰি কাকত আদিত প্ৰকাশ কৰিবলৈকো কৈছে। কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়েও সেই প্ৰস্তাৱকে গ্ৰহণ কৰি পাতনি লিখিবলৈ উপযুক্ত লোক নিয়োগ কৰিছে। এই সম্বাদ আপত্তিকাৰীসকলক যথা সময়ত জনোৱা হৈছে।

চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ট্ৰাষ্ট ফণ্ডৰ হিচাপ পত্ৰ ট্ৰাষ্ট বোৰ্ডৰ বিধান মতে বেলেগে থাকে আৰু বেলেগ পৰীক্ষকে পৰীক্ষা কৰে। ই দুখন ফণ্ডৰ হিচাপ আগৰ দৰেই সাহিত্য সভাৰ হিচাপৰ লগতে ৰখা হৈছে। ১৯৩৫।৩৬ চনৰ হিচাপ এতিয়াও পৰীক্ষকে পৰীক্ষা কৰিবৰ সময় হোৱা নাই। ১৯৩৪।৩৫ চনৰ পৰীক্ষা কৰা হিচাপৰ নকল এই বিৱৰণীৰ শেহত সংযোগ কৰি দিয়া আছে। সভাৰ ১২১৫৫৴৭মুঠ আয় আৰু ১১০০৮৵৯ মুঠ ব্যয় হৈছিল। এই টকা বাদ-খাচ কৰি ১১৪৶১০ বাকী আছিল। ১৯৩৪।৩৫ চনত সভাৰ ৮১৩৷৶১১ ধাৰ আছিল। ১৯৩৪।৩৫ চনত বাকী থকা এই ১১৪৶১০ দি আংশিক ৰূপে সেই ধাৰ মৰা হৈছে। তাক বাদ দি ১৯৩৫ চনৰ ১লা এপ্ৰেল তাৰিখে সভাৰ ৭৭২৷৷১ পাই ধাৰ আছিল।

Times of Assam, বাতৰি, অসমীয়া, বন্তি, অসম বাইজ, আৱাহন, অৰুণ, Journal of the Assam Research Society,—জেউতি, প্ৰভাত, Leader, ভাৰত কল্যাণ, আসাম গেজেট্—এইবিলাক কাকত আৰু আলোচনী স্বত্বাধিকাৰী আৰু সম্পাদকসকলৰ অনুগ্ৰহত সভাই নিয়ম মতে বিনামূল্যে পাই আছে। তাৰ বাবে তেখেতসকলক আমি এইখিনিতে ধন্যবাদ জনাইছোঁ।

কাউন্সিলৰ সভাত সাহিত্য সভাৰ সপক্ষে যত্ন কৰা বাবে, অসম কাউন্সিলৰ সভ্যসকল আমাৰ আন্তৰিক ধন্যবাদৰ পাত্ৰ। এই সম্পৰ্কে শ্ৰীযুত কাশীনাথ শইকীয়া আৰু খাঁ বাহাদুৰ মৌলবী কেৰামত আলিৰ নাম বিশেষ উল্লেখযোগ্য।

এই সভাৰ প্ৰায় সৰহ ভাগ সভ্যই চৰ্কাৰী কাম কৰা মানুহ। সম্প্ৰতি তেওঁলোকৰ কোনো কোনোৱে আমালৈ সুধি পঠাইছে বোলে এই সাহিত্য সভা ৰাজনৈতিক অনুষ্ঠান হয়নে নহয়? ইয়াত ৰাজনীতি বিষয়ৰ কথা আলোচনা হব পাৰেনে নোৱাৰে? যদিহে ই ৰাজনৈতিক অনুষ্ঠান, নতুবা ইয়াত ৰাজনীতিৰ আলোচনা হয় বা হ'ব পাৰে, তেনেহলে সভ্য তালিকাৰ পৰা তেওঁলোকৰ নাম বাদ দিবলৈকো তেওঁলোকে আমালৈ জনাই পঠাইছে। তেওঁলোকৰ এই কথাৰ যথাযোগ্য উত্তৰ দিয়া হৈছে। কিন্তু এই অদ্ভুত সন্দেহ কি কাৰণত উদ্ভৱ হবলৈ পাইছে, আমি তাক ভালকৈ জানিব পৰা নাই। সেইবাবে এই সভাত প্ৰকাশ্য ভাৱে জনাইছোঁ যে, "আসাম সাহিত্য সভা" সম্পূৰ্ণৰূপে অৰাজ-নৈতিক অনুষ্ঠান; ইয়াত ৰাজনীতিৰ আলোচনা নাই, আৰু হ'বও নোৱাৰে; ৰাজনীতিৰ লগত ইয়াৰ কোনো প্ৰকাৰৰ সংসৰ্গ নাই। এই কথা সভাৰ নিয়মাৱলীৰ পৰাই স্পষ্টকৈ জানিব পাৰি।

সভাৰ নিয়মাৱলীখনৰ কোনো কোনো ঠাইত সাল-সলনিৰ প্ৰয়োজন দেখা গৈছে। সেইবাবে আপোনাসকলক জনালোঁ। তাৰ আৱশ্যকীয় সালসলনি কৰিবৰ অৰ্থে যেন কিবা যুগুত দিহা কৰা হয়।



সাহিত্য সভাৰ আশানুৰূপে কাম হোৱা নাই। এই-বাবে কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সভ্যসকলে আন সকলোতকৈ অধিক বেজাৰ পাইছে। সভাই কৰিব লগীয়া সকলোখিনি কাৰ্য্যৰ বাবেই ধনৰ প্ৰয়োজন। সভাৰ যাই পুঁজি আছিল চৰ্কাৰৰ পৰা পোৱা দান। সেয়ে ১৯৩০ চনৰ পৰা একেবাৰেই বন্ধ হৈ আছে। তেতিয়াৰে পৰা প্ৰথম কেইবছৰ আগৰ যি অলপ সাঁচতীয়া ধন আছিল তাৰেই কোনো প্ৰকাৰে কাম চলিছিল। অন্তত সিয়ো ঢুকালত ১৯৩৪ আৰু ৩৫ এই দুবছৰ দুৰ্যোগৰ সঙ্কট উপস্থিত হ'ল। সভাৰ বৰঙনি আৰু লোকেল বোৰ্ড মিউনিচিপেলিটীৰ পৰা যি পোৱা হয়, তাৰে আন কিবা, কাম হওক চাৰি, মাটীৰ খাজনা, ঘৰৰ টেক্স, দৰ্ম্মহা আৰু কাগজ কলম ডাক টিকটৰ খৰচেই নচলে। সম্প্ৰতি যোৱা অক্টোবৰ মাহৰ পৰা, সভাৰ কাম কৰা মানুহৰ দৰ্ম্মহা দিব পৰা নাই। গতিকে এই দুবছৰ অকল সভাখন জীয়াই ৰাখিব পৰাই দুৰূহ হৈ উঠিছিল। এনে স্থলত সভাই বিশেষ একো কাৰ্য্য কৰিব নোৱাৰাটো সম্পূৰ্ণ স্বাভাৱিক কথা।

সভাৰ আৰ্থিক অৱস্থাৰ কথা আমাৰ যোৱা বাৰৰ বিৱৰণীত বিবৃতৰূপে লিখা আছিল; আৰু তাৰ উন্নতিৰ অৰ্থে কিবা উপায় কৰিবলৈকো আপোনাসকলক বিশেষ-ৰূপে জনোৱা হৈছিল। তাৰ ফল স্বৰূপে সন্মিলনত অকল প্ৰস্তাৱ এটি গৃহীত হোৱাৰ বাজে অন্য কোনো উপায় স্থিৰ নহল।

সেই প্ৰস্তাৱটি এয়ে আছিল:—

"অসম সাহিত্য সভাৰ পুঁজি টনকিয়াল কৰিবৰ অৰ্থে, তলত নাম দিয়া ভদ্ৰলোক কেজনক আজিৰ সন্মিলনে অনুৰোধ কৰে:—ৰায় বাহাদুৰ শ্ৰীযুত পদ্মনাথ গোহাঁই বৰুৱা, ৰায় বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা, শ্ৰীযুত নীলমণি ফুকন, শ্ৰীযুত পদ্মধৰ চলিহা, আৰু অসম সাহিত্য সভাৰ সম্পাদক।" ইয়াৰ প্ৰস্তাৱক আছিল শ্ৰীযুত মহীচন্দ্ৰ বৰা, বি, এল আৰু সমৰ্থক আছিল শ্ৰীযুত ৰাধানাথ হাজৰিকা, বি, এল।

এই কথাৰ বাবে এই কেইজন ভদ্ৰলোকলৈ যথা সময়ত চিঠি লিখা হৈছিল। আগৰৱালা আৰু গোহাঁই বৰুৱা ডাঙৰীয়াই তেখেতসকলৰ বয়স আৰু শৰীৰৰ অসুখৰ বাবে এই কাৰ্য্যলৈ অপাৰগতা জনালে; শ্ৰীযুত চলিহা দেৱে, বয়সীয়াল কেইজন ওলালেই ওলাবলৈ সাজু আছোঁ বুলি লিখিলে; আৰু শ্ৰীযুত নীলমণি ফুকন দেৱলৈ ৩৪ খন চিঠি দিও একো সমিধান পোৱা নগল। এতেকে সেই প্ৰস্তাৱৰ পৰা কোনো কাম নহল।

সভাৰ অৰ্থ সঙ্কট এতিয়াও পাৰ হোৱা নাই। এই বছৰ চৰ্কাৰৰ পৰা যদিওবা ১,০০০ টকা দান পোৱা হ'ব, তাৰ পৰা এই সঙ্কটৰ কিঞ্চিৎ মাত্ৰ উপসম হলেও কোনো প্ৰকাৰেই নিবাকৰণ হব নোৱাৰে। এই ধন আৰু সভাৰ বৰ্ত্তমান থকা অন্যান্য উৎপন্নেৰে কেৱল চাৰি সংখ্যা পত্ৰিকাৰ খৰচ আৰু সভাৰ অফিচ্ খৰচৰ মুৰে মুৰেও জোৰা নমৰে; এতেকে ইয়াৰে অন্য একো কাম কৰিবলৈ নোজোৰে। ইয়াৰ উপৰি কম পক্ষেও আৰু ১,০০০ মান টকাৰ সংস্থান নহলে কিবা উল্লেখ যোগ্য কাম কৰিব পৰাটো কোনো মতেই সম্ভৱ নহয়।

সেইদেখি আপোনাসকলক আকৌ সবিনয়ে জনাও, আপোনাসকলে সভাৰ অন্ততঃ আৰু ১০০০৲ টকা উৎপন্ন হ'বৰ কাৰণে এইবাৰ যেন কিবা এটা কাৰ্য্যকৰী ব্যৱস্থা কৰি দিয়ে। আপোনাসকলৰ সুব্যৱস্থাৰ গুণত, আৰু নতুন কাৰ্য্য-কাৰকসকলৰ নতুন উৎসাহৰ বলত সভাৰ অৱস্থা আকৌ অচিৰতে সুপ্ৰতুল হ'ব বুলি আশা কৰিলোঁ।

অসম সাহিত্য সভাৰ সকলো বিপদ আপদ আঁতৰ হওক, ইয়াৰ সৰ্ব্বাঙ্গীন উন্নতি হওক, আৰু ইয়াৰ পৰা দেশৰ অপাৰ কল্যাণ হওক, কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ আৰু এই বিৱৰণী লিখকৰো অন্তৰৰ এয়ে একান্ত কামনা।

তেজপুৰ
২৯ চ'ত।১৮৫৭ শক
ইং ১১।৪।৩৬

শ্ৰীচন্দ্ৰধৰ বৰুৱা
প্ৰধান সম্পাদক
অসম সাহিত্য সভা, যোৰহাট।

# সঙ্গীত।

কিবা এটা বিষয় আলোচনা কৰিব খুজিলেই আলোচ্য বস্তুটো চিনিবৰ সকলোৰে এটা হেপাহ ওপজে। গতিকে "সঙ্গীত" কি? এই বিষয়ে পোন প্ৰথমে অলপ আলচ কৰা অযৌক্তিক নহব। গান, গীত আদি শব্দৰ দ্বাৰা সাধাৰণতঃ আমি যি বুজো সেয়েই অৰ্থৰ অলপ হীন দেঢ়ি হিচাবে—সঙ্গীত। সঙ্গীতাচাৰ্য্যসকলে সঙ্গীত ইয়াকে বোলে—'প্ৰেক্ষণাৰ্থ নৃত্য-গীত বাদ্যম্।" অৰ্থাৎ দৰ্শনৰ নিমিত্তে একে সময়তে কৰা নাচ, গান আৰু বাদ্যৰ সমাবেশকেই সঙ্গীত বোলে। আকৌ এইখিনি কথাক আন এজন সঙ্গীতাচাৰ্য্যই এনেদৰে কৈছে—

"তাল বাদ্যানুগং গীতং নটিভিৰ্যত্ৰ গীয়তে।
নৃত্যস্যানুগতং ৰঙ্গে তং সঙ্গীতকমুচ্যতে॥"

নাচনীসকলে তাল আৰু বাদ্য অনুসৰণ কৰি নৃত্য (নাচন)ৰ লগে লগে নাট্য মঞ্চত যি গায় তাকেই সঙ্গীত বোলে।

এই সঙ্গীত আচাৰ্য্যভেদে চাৰি প্ৰকাৰ;—(১) সোমেশ্বৰ—সঙ্গীত, (২) ভৰত—সঙ্গীত, (৩) হনুমৎ—সঙ্গীত আৰু (৪) কাললাথ—সঙ্গীত। বৰ্ত্তমান সময়ত হনুমৎ সঙ্গীতেই সুপ্ৰচলিত।

পোন প্ৰথমে সঙ্গীত সংসাৰ। দুখদগ্ধ সকললৈ দয়া কৰি প্ৰভু শঙ্কৰে প্ৰকাশ কৰে। ইয়াৰ প্ৰমাণ বহুত প্ৰাচীন পুথিত ঢেৰ পোৱা যায়। তাৰে এঠাইত এইদৰে আছে:—

"সংসাৰ দুঃখদগ্ধানামুত্তমানামনুগ্ৰহাৎ।
প্ৰভুনা শঙ্কৰেণাত্ৰ গীতবাদ্যং প্ৰকাশিতম্॥"

সংসাৰৰ বহুমুখী জ্বালা-যন্ত্ৰণাত দগ্ধবিদগ্ধ সজ্জন সকলৰ অনুগ্ৰহৰ কাৰণেই প্ৰভু শঙ্কৰৰ দ্বাৰা এই সংসাৰত সঙ্গীত প্ৰকাশিত হৈছিল। সংসাৰৰ জটিল যন্ত্ৰণাত পৰি লটি-ঘটি হোৱা সকলৰো সুখ সামগ্ৰীৰ এই কেইটাহে প্ৰধান।

"গীতং পীনপয়োধৰা সুবদনা নাৰী বিচিত্ৰা কথা,
ৰম্যং হৰ্ম্মতলং সুধাংশুকিৰণা প্ৰোদ্দিপীতা যামিনী।
চিত্তজ্ঞাঃ সুহৃদঃ সুতঃ সুমনসো ভক্তাঃ পুনঃ সেৱকাঃ,
শুদ্ধং গীতফলং কবিত্বমতুলং সংসাৰসাৰামতাঃ॥"

গীত, পীন পয়োধাৰা আৰু সুবদনা ৰমনী, বিচিত্ৰ কথা, ৰমনীয় অট্টালিকা, উজ্জ্বল চন্দ্ৰৰ কিৰণময়ী নিশা, মনপোৱা বন্ধু, প্ৰশস্তমনা সন্তান, বিনীত সেৱক আৰু বিমল গীতৰ ফল আতুলণীয় কবিত্বই সংসাৰৰ সাৰ বস্তু। এইবোৰৰ ভিতৰতো গীতেইহে সংসাৰ সুখৰ প্ৰথম আছিল। এই সঙ্গীতত যাৰ মন বিমোহিত নহয়, ইয়াতো যি জনে সুখ অনুভৱ কৰিবৰ প্ৰয়াস নাপায়, সি জনৰ মানৱ জনম বৃথা। ঠিক এই কথাকেই পূৰ্ব্বাচাৰ্য্যসকলে সঙ্গীত প্ৰশংসাৰ চলতে এনেদৰে কৈছে;

"সঙ্গীতকেন ৰমোন সুখং যস্ত ন চেতসি।
মনুষ্য বৃষভো লোকে বিধিনৈব স বঞ্চিতঃ।"

এই পৃথিৱীত মনোৰম সঙ্গীতৰ দ্বাৰা যাৰ চিত্ত সুখ নোপজে সেই মহাপুৰুষ বিধাতাৰ দ্বাৰা প্ৰবঞ্চিত।

স্বৰভেদে এই সঙ্গীত আকৌ দুই ভাগত বিভক্ত, বৈদিক আৰু লৌকিক। উদাত্ত, অনুদাত্ত আদি বৈদিক স্বৰেৰে গোৱা সঙ্গীতক বৈদিক সঙ্গীত আৰু নিষাদাদি লোকপ্ৰচলিত স্বৰেৰে গোৱা গীতক লৌকিক সঙ্গীত বোলে।

বৰ্ত্তমান যুগত আমাৰ দুখুনী অসমত বৈদিক সঙ্গীতৰ ধ্বনি শুনিবলৈ নাই বুলিলেও অত্যুক্তি নহয়। কিন্তু আদি কালত এই অসমো (তেতিয়াৰ ধৰ্ম্মাৰণ্য) সাম-গীতিৰ সুন্দৰ ধ্বনীৰে নিনাদিত হৈছিল। হায়! বশিষ্ঠাশ্ৰমৰ সন্ধ্যা ললিতা কান্তা তিনি ভনীয়ে আজিও অমীয়া কুলু কুলু স্বৰেৰে অতীতৰ সেই মধুৰিমাময় সাম গীতিৰ ধ্বনিৰ পবিত্ৰ সোঁৱৰণী সদৌ অসমবাসীৰ হিয়াত প্ৰতিধ্বনিত কৰিব লাগিছে। বৰ আনন্দৰ কথা যে এতিয়া অসমৰ দুই ঠাই মানত দুখনমান



বৈদিক টোল স্থাপিত হৈছে আৰু তাত সাধ্য অনুসাৰে বেদৰ স্বৰ শিকাবলৈ তাৰ কৰ্ত্তৃপক্ষই যত্ন কৰিছে। আশা কৰোঁ এই টোলৰ পৰাই পুনৰায় অসমৰ সেই প্ৰাচীন কীৰ্ত্তি ফুটি ওলাব।

সঙ্গীতসেৱক আচাৰ্য্যসকলৰ মনত এই সঙ্গীত স্বৰ, ৰাগ, তাল, নৃত্য, ভাব, কোক আৰু হস্ত এই সাতোটা অবয়বৰ সম্মিলন।

সঙ্গীতৰ প্ৰথম অঙ্গ স্বৰ। সঙ্গীত বৈদিক আৰু লৌকিক ভেদে স্বৰৰো প্ৰভেদ আছে। বৈদিক সঙ্গীতৰ স্বৰ চাৰিবিধ—(১) উদাত্ত, (২) অনুদাত্ত, (৩) স্বৰিত আৰু (৪) প্ৰচিত। উচ্চ স্বৰেৰে গোৱা সঙ্গীত উদাত্ত স্বৰ, নিম্ন সুৰেৰে গোৱা বিলাকৰ স্বৰ অনুদাত্ত, আৰু উভয়ৰে সংমিশ্ৰণত গোৱা বৈদিক গানবোৰ স্বৰিত স্বৰ। আচাৰ্য্য ভৰতৰ মতে প্ৰচিত স্বৰ হে ছান্দাস্ (অৰ্থাৎ বৈদিক) আৰু উদাত্ত, অনুদাত্ত আৰু স্বৰিত নাম এই তিনিও বিধ স্বৰ লৌকিক গানৰ।

একে সময়তে বাদ্যযন্ত্ৰ আৰু গায়কৰ কণ্ঠত উত্থিত স্বৰ নিষাদ, ঋষভ, গান্ধাৰ, ষড়জ, মধ্যম, ধৈৱত পঞ্চম এই সাত প্ৰকাৰৰ। এই সাতবিধ স্বৰৰ পৰাই সংক্ষেপকৈ সঙ্কলন কৰি হাৰমোনিয়াম আদি বাদ্যযন্ত্ৰত গোৱা সা-ঋ-গ-ম-প-ধ-নি আদি গানৰ গত। এই স্বৰবোৰ বিধাতাৰ সৃষ্ট প্ৰাণীবিশেষৰ কণ্ঠধ্বনিৰ পৰা লোৱা। তাৰ প্ৰমাণ নাৰদৰ এই বচনত স্পষ্টভাৱে পোৱা যায়।

"ষড়জং ৰৌতি ময়ূৰো গাবো নৰ্দ্দতি চৰ্ষভম্।
অজা বি ৰৌতি গান্ধাৰং ক্ৰৌঞ্চোনদতি মধ্যমম্॥
পুষ্পসাধাৰণে কালে কোকিলো ৰৌতি পঞ্চমম্
অশ্বশ্চ ধৈৱতং ৰৌতি নিষাদং ৰৌতি কুঞ্জৰঃ॥"

ময়ূৰৰ কণ্ঠধ্বনিৰ পৰা ষড়জ গৰুৰ নাদৰ পৰা ঋষভ ছাগলীৰ মাতৰ পৰা গান্ধাৰ, ক্ৰৌঞ্চৰ পৰা মধ্যম, বসন্তকালৰ কুলিৰ কলকণ্ঠৰ পৰা পঞ্চম, ঘোঁৰাৰ (হ্ৰেষা) শব্দৰ পৰা ধৈৱত আৰু হাতীৰ মাতৰ পৰা নিষাদ স্বৰ গ্ৰহণ কৰিছিল। সঙ্গীতৰ স্বৰ বিষয়ে বহুত আচাৰ্য্যৰ বহুত মতান্তৰো দেখা যায়। কিন্তু সাধাৰণত সা-ঋ-গ-ম-প-ধ-নি এই সাতপ্ৰকাৰৰ স্বৰ। তাৰ উপৰিও নানা ৰকম মিশ্ৰ স্বৰ আছে। যেনে নিষাদ নোহোৱা স্বৰৰ নাম ষড়বা ঋ আৰু প নোহোৱা স্বৰৰ নাম ওড়বা ইত্যাদি। এই দৰে মল্লাৰাদি আৰু নানাবিধৰ মিশ্ৰ স্বৰ প্ৰচলিত আছে।

সঙ্গীতৰ দ্বিতীয় অবয়ব ৰাগ। গায়কৰ কণ্ঠত উচ্চাৰিত ৰাগ ভৰত আৰু হনুমানৰ মতে ছয় শ্ৰেণীৰ—ভৈৰৱ, কৌশিক, হিন্দোল, দীপক শ্ৰী আৰু মেঘ। তেওঁবিলাকৰ মতে প্ৰত্যেক ৰাগৰে পাচোঁটাকৈ ৰাগিণী আছে। সোমেশ্বৰ আৰু কাললাথৰ মতে এই প্ৰত্যেক ৰাগৰে ছয়টাকৈ ৰাগিণী। সোমেশ্বৰ আৰু কাললাথৰ মতে ছয় ৰাগৰ নাম ভিন ভিন্। তেওঁবিলাকৰ মতে শ্ৰী; বসন্ত, পঞ্চম, ৰৱ, মেঘ আৰু নটনাৰায়ণ এই ছয়টাই ৰাগৰ নাম। আকৌ আন কাৰো কাৰো মতে মালব, মল্লাৰ, শ্ৰী,বসন্ত, হিল্লোল আৰু কৰ্ণাট এই ছয়বিধ ৰাগ। মুঠ কথা এই বিষয়ে নানা মুনিৰ নানা মত। প্ৰত্যেক ৰাগৰে যে ছয়টাকৈ ৰাগিণী আছে তাৰ বিবৰণ এনেদৰে পোৱা যায়:—

'ধানসী মানসী চৈব ৰামকৰী তু সিন্দুৰা।
আশাবৰী ভৈৰৱী চ মালবস্য ইমাঃ প্ৰিয়া॥১॥
বেলাবলী চ পুৰবী কলিতা মাধবী তথা।
কোড়া কেদাৰিকা চাপি মল্লাৰদয়িতা ইমাঃ ॥২॥
গান্ধাৰী সুভগা চৈব গৌৰী কৌমাৰিকী তথা।
বেলোয়াৰী চ বৈৰাগী শ্ৰীৰাগস্য প্ৰিয়া ইমাঃ॥৩॥
তুড়ী চ পঞ্চমী চৈব ললিতা পঠমঞ্জৰী।
গুৰ্জ্জৰী চ বিভাষা চ বসন্তস্য ইমাঃ প্ৰিয়াঃ॥৪॥
মাধুৰী দীপিকা চৈব দেশকাৰীচ পাহিৰা।
বৰাৰী মোৰহাটীচ হিল্লোলস্য ইমাঃ প্ৰিয়া॥৫॥
বিটিকা চাথ ভূপালী ৰামকেলী গড়াতথা।
কামোদা চাপি কল্যাণী কৰ্ণাটস্য প্ৰিয়া ইমাঃ॥৬॥

মালব ৰাগৰ, ধানসী, মানসী, ৰামকৰী, সিন্দুৰা, আশাবৰী আৰু ভৈৰৱী, মল্লাৰৰ বেলাবলী, পুৰবী; কলিতা, মাধবী কোড়া আৰু কেদাৰিকা, শ্ৰীৰাগৰ—গান্ধাৰী; সুভগা, গৌৰী, কৌমাৰিকী, বেলোয়াৰী আৰু বৈৰাগী, বসন্তৰ তুড়ী, পঞ্চমী, ললিতা পঠমঞ্জৰী, গুৰ্জ্জৰী আৰু বিভাষা,

হিল্লোল ৰাগৰ ময়ূৰী, দিপীকা, দেশকাৰী, পাহিৰা, বৰাৰী আৰু মোৰহাটী, আৰু কৰ্ণাট ৰাগৰ বিটিকা, ভূপালী ৰামকেলী, গড়া, কামদা আৰু কল্যাণী এই ছয় ছয় বিধ প্ৰত্যেক ৰাগৰ ৰাগিণী।

সঙ্গীতত যি সি সময়তে যেই সেই ৰাগ বা ৰাগিণী তোলা বিধি নহয়। সময় মতেহে সঙ্গীতত ৰাগ ৰাগিণী প্ৰয়োগ কৰাৰ বিধি। এই বিষয়ে সঙ্গীত—দামোদৰ নামৰ গ্ৰন্থৰ শিব-নাৰদ সংবাদত এনেদৰে উল্লেখ আছে,—

"বিভাষা, ললিতা চৈব কামোদা পঠমঞ্জৰী।
ৰামকিৰী, ৰামকেলী বেলোৱাৰী চ গুৰ্জ্জৰী।
দেশকৰী চ সুভগা পঞ্চমী চ গড়া তুড়ী।
ভৈৰবী চাথ কৌমাৰী ৰাগিণ্যো দশ পঞ্চ বা।
এতাঃ পূৰ্ব্বাহ্ন কালেতু গীয়ন্তে গায়কোত্তমৈঃ॥"

বিভাষা, ললিতা, কামোদা, পঠমঞ্জৰী, ৰামকিৰী, ৰামকেলী, বেলাৱাৰী, গুৰ্জ্জৰী, দেশকৰী, সুভগা, পঞ্চমী গড়া তুড়ী, ভৈৰবী আৰু কৌমাৰী নামৰ এই পোন্ধৰটি ৰাগিণী-হে উত্তম গায়কসকলে পূৰ্ব্বাহ্ন সময়ত গায়। দিনমানৰ অইন অইন সময়ৰ বাবেও এইদৰে বিশেষ বিশেষ ৰাগ-ৰাগিণীৰ নাম নিৰ্দ্দিষ্ট আছে।

তাল—গীতৰ কাল আৰু ক্ৰিয়াৰ পৰিমাণক তাল বোলে। কোন স্বৰ কিমান সময় গাব লাগে, কিমান সময় লাহে ধীৰে আৰু কিমান সময় বেগাবেগিকৈ গাব লাগে, কিমান পৰ মধ্যম স্বৰত গাব লাগে, কোন হাত বা আঙ্গুলি আদি শৰীৰৰ অবয়বৰ আকুঞ্চন প্ৰচাৰণ আদি ক্ৰিয়াৰ দ্বাৰা নাচিব গাব লাগে ইত্যাদি কাল আৰু ক্ৰিয়াৰ নিৰূপনক তাল বোলে। হৰ-গৌৰীৰ নৃত্যৰ পৰা তালৰ উৎপত্তি হয়। হৰৰ নাচনক তাণ্ডৱ আৰু গৌৰীৰ নাচনক লাস্য বোলে। তাৰ পৰাই তাৰ পিচৰ যুগতো পুৰুষৰ নাচনক তাণ্ডৱ আৰু তিৰোতাৰ সুকুমাৰ নাচনক লাস্য বুলি ব্যৱহাৰ কৰা হ'ল। তাণ্ডৱ আৰু লাস্য এই শব্দ দুটাৰ আদি আখৰ 'তা' আৰু 'ল' মিলি তাল নাম প্ৰাপ্ত হয়। সঙ্গীতাচাৰ্য্য ভৰতৰ মতে চৰ্চ্চৎপুট, চাচপুট ষটিতাপুত্ৰকা আদি নানা প্ৰকাৰ তাল।

নৃত্য—তাল পৰিমাণ আৰু ৰসৰ লগে লগে লয়লাস যুক্ত অঙ্গ বিক্ষেপক নৃত্য বোলে। এই নৃত্যকে তাণ্ডৱ, নটন, নাট্য, লাস্য, নৰ্ত্তন, নৃত্ত, নাট, লাস, লাসিক, নৃতি আদি শব্দেৰে জনা যায় যদিও, প্ৰত্যেক বিধৰে অলপ অলপ পাৰ্থক্য আছে। যেনে উদ্ধত নৃত্যক তাণ্ডৱ বোলে, আৰু সুকুমাৰ নৃত্যক লাস্য বোলে আৰু ভাবাশ্ৰয় নাচনক নৃত্ত বোলে; ইত্যাদি। পূৰণি কালৰ সঙ্গীতনিপুণ পুৰুষ সকলে কলিকালৰ পাপ-তাপযুক্ত মানৱ জাতিৰ পক্ষে নৃত্য অতিকৈ হিতকৰ বুলি কৈছে। সেই যুগৰ বীণ-বৰাগী দেৱৰ্ষি নাৰদে এঠাইত এনেদৰে কৈছে :—"নৃত্যতাং শ্ৰীপতেৰগ্ৰে তালিকা বাদনৈৰ্ভৃশম্

উড্ডীয়ন্তে শৰীৰস্থাঃ সৰ্ব্বে পাতকপক্ষিণঃ॥"

শ্ৰীপতিৰ আগত নাচন আৰু বাৰ বাৰ তাল বাদ্য কৰিলে শৰীৰত থকা সকলো পাপ পক্ষী উৰি যায়। নৃত্যৰ প্ৰশংসা ঘোষণা কৰা এনে প্ৰমাণ ঢেৰ পোৱা যায়।

নানা অভিনয় সম্পৰ্কীয় সকলো ৰকমৰ ৰস বি বোধে বুজাই সেইবোৰক ভাব বোলে। আচাৰ্য্যসকলে ভাৱ বিষয়ে এই কথাকে এনেদৰে কৈছে,—

"নানাভিনয় সম্বন্ধান্ ভাবয়ন্তি ৰসান্ ইমান্,
যস্মাত্তস্মাদমী ভাবা বিজ্ঞেয়া নাটকোক্তিষু॥"

এই ভাব প্ৰধানতঃ তিনি প্ৰকাৰৰ—(১) স্থায়ী (২)ব্যভিচাৰী আৰু (৩) সাত্বিক। ৰতি আদি আঠ প্ৰকাৰৰ স্থায়ী, নিৰ্ব্বেদ আদি তেত্ৰিশ বিধ ব্যভিচাৰী আৰু স্বেদ আদি আঠবিধ সাত্বিক ভাব মিলি মুঠতে উনপঞ্চাশ প্ৰকাৰৰ ভাব।

কোক আৰু হস্তাধ্যায় বাদ্যযন্ত্ৰ আৰু হস্তাদি চালন বিষয়ক।

ওপৰত কোৱা সকলোখিনি কথাই ভাৰতীয় প্ৰাচ্য সঙ্গীতৰ বিষয়ৰহে। কিন্তু দেশ কাল, ভাব, ভাষা, আৰু পাত্ৰাদি ভেদে পৰবৰ্ত্তী যুগত পৰিবৰ্ত্তনশীল এই জগতৰ এই সঙ্গীত বিদ্যাৰো নানা ৰকম পৰিবৰ্ত্তন ঘটিছে আৰু



ঘটিব লাগিছেই। সঙ্গীত বিদ্যাতো পিচৰ যুগৰ সঙ্গীতনিপুণ ওস্তাদসকলে নিজ নিজ অভিৰুচি আৰু পাণ্ডিত্য মতে কিছুমান স্বকীয়া গঢ় দিছে। সেয়ে দেশ, ভাষা, ভাব আৰু আৰু পাত্ৰ ভেদে নানা ধৰণত পৰিণত হৈ উঠিছে। গতিকে তাল-মান, সুৰ-সঞ্চাৰ আৰু নাম আদিও নানা প্ৰকাৰে নানাত্ব প্ৰাপ্ত হৈছে। সেই বাবেইহে অসমীয়াৰ বৰগীত, বিহুগীতৰ উপৰিও, হাম্বীৰ-কাৱালী, ইমন্ কল্যাণ ধাম্বাজ একতালা আদি আৰু অইন অইন দেশতো, কীৰ্ত্তণ, ভাৱালী, গজল আদি নানা সুৰ আৰু নাম আদিৰ প্ৰবৰ্ত্তন হৈছে। কিন্তু এইটো স্বতঃসিদ্ধ কথা যে ভাৰতত প্ৰচলিত অধিক ভাগ সঙ্গীতৰেই মূলভিত্তি ভাৰতীয় প্ৰাচীন আৰু প্ৰাচ্য সঙ্গীত বিদ্যাৰ ওপৰতহে।

এই সপ্তাঙ্গ সঙ্গীত সকলো মানুহৰে শিক্ষণীয়। কিন্তু সকলো প্ৰাণীৰ হৃদয়তন্ত্ৰীতেই এক-প্ৰকাৰ বিধি বিহিত সঙ্গীত লহৰি জীৱনৰ আদিৰ পৰা অন্তলৈকে অজানিত সুৰেৰে উঠিবই লাগিছে। এই সঙ্গীতেই প্ৰাণীৰ প্ৰাণ আৰু জীৱৰ পৰমায়ু। প্ৰাণীয়ে এই সংসাৰত প্ৰবিষ্ট হৰৰ দিনৰে পৰা আকৌ দেহ পৰিবৰ্ত্তন নকৰা দিনলৈকে দিনে-ৰাতিয়ে, নিদ্ৰায় জাগৰণে সকলো অৱস্থাতে আৰু সকলো সময়তেই অনৱৰত, এই সঙ্গীত সুধা উশাহ নিশাসৰ লগতে 'হংসঃ' স্বৰূপে পান কৰিবই লাগিছে। যি দিনা যি মুহূৰ্ত্তত এই শ্ৰেষ্ঠ সঙ্গীতৰ সামৰণি পৰে সিদিনা সেই মুহূৰ্ত্ততেই প্ৰাণীৰ প্ৰাণ পখী শৰীৰ-সজা পেলাই থৈ উৰি যায়। জীৱণ মৰণ সমস্যানিহিত এই জীৱণ সঙ্গীতেই সকলো সঙ্গীততকৈ শ্ৰেষ্ঠ।

আগেয়ে উল্লেখ কৰা হৈছে অসাৰ সংসাৰত এই সুধাময় সঙ্গীত এটা প্ৰধান সুখৰ সামগ্ৰী। সঙ্গীতৰ বলতেই তাপিতৰ সন্তপ্ত হিয়াত শান্তিৰ শীতল জল-বিন্দু বৰষে ৰোগীয়ে ৰোগৰ উপশম অনুভৱ কৰে ভোগীৰ ভোগ লিপ্সা উমে উমে জাগি উঠে। আনকি সংসাৰত সকলো ৰকম বস্তুতে বিৰাগীৰ হিয়াতো সঙ্গীত সোঁতত পৰিলে অপাৰ ৰাগৰ সঞ্চাৰ হয়। সেই বাবেহে দেৱৰ্ষি নাৰদ মুনিয়েও বীণা যন্ত্ৰ হাতত লৈ দিনে ৰাতিয়ে অনবৰত সংসাৰৰ সকলো পিনে মধুৰময় হ'বে কৃষ্ণ সঙ্গীতধ্বনি তুলি ফুৰিছিল।

এই সঙ্গীতৰ প্ৰভাৱতেই সৰ্ব্বপ্ৰভু ভগৱানো নগণ্য ভক্তৰ অধীন হৈ পৰে। যেতিয়া ভক্তৰ হিয়াৰ কৰুণ ধ্বনি ভক্তবৎসল ভগৱানৰ ওচৰত প্ৰতিধ্বনিত হয়, তেতিয়া আৰু তেওঁ সৰ্ব্বশ্ৰেষ্ঠ প্ৰভু হৈও সেই ভকতৰ বশ নোহোৱাকৈ থাকিব নোৱাৰে। অৰ্থাৎ তেওঁৰ নামৰ সুমধুৰ সঙ্গীতেই তেওঁক ধৰিবৰ একমাত্ৰ চৰমজ্ঞান্। আৰু তেৱোঁ তাতেইহে নিজে উপস্থিত দেখা দিয়ে। তাকেই ভগৱানে কথা-প্ৰসঙ্গত তেওঁৰ প্ৰিয়ভক্ত নাৰদ মুনিৰ আগত এইদৰে কৈছিল,—

"নাহং তিষ্ঠামি বৈকুণ্ঠে যোগিনাং হৃদয়েনচ।
মদ্ভক্তা যত্ৰ গায়ন্তি তত্ৰ তিষ্ঠামি নাৰদ॥

হে নাৰদ! মই বৈকুণ্ঠ নাইবা যোগীৰ হৃদয়তো নাথাকোঁ; কিন্তু মোৰ ভক্ত সকলে য'ত মোৰ স্তুতি গান কৰে মই তাতেই হে থাকোঁ।

সম্ভৱতঃ সকলো জগন্নাথ যাত্ৰীয়েই লক্ষ্য কৰিছে যে উৰিষ্যাৰ জগন্নাথ মন্দিৰ বোলে পূবমুৱা আৰু বোলে তেওঁক সেৱা কৰিব লাগিলে পশ্চিমমুৱা হৈ হে সেৱিব লাগে। হিন্দুৰ আন সকলো দেৱ দেৱীয়েই পশ্চিম বা দক্ষিণ মুৱা। জগন্নাথ কিয় পূবমুৱা? এই কথা নিশ্চয় জানিব লগীয়া। এই বিষয়ে প্ৰচলিত এনে এটা আখ্যান আছে যে এসময়ত কিবা কাৰণত মহা প্ৰভু জগন্নাথে ঘোৰ মূৰ্ত্তি ধৰি সংসাৰ ধ্বংস কৰিবলৈ ওলোৱাত পৰম ভক্ত জয়দেৱে স্তুতি কৰি তেওঁৰ মন্দিৰৰ পিচফালে ৰহি তেওঁক সেই ভীষণ কাৰ্য্যৰ পৰা বিৰত কৰিছিল। আৰু জয়দেৱে য'ত বহি তেওঁৰ অসীম স্তুতি-গান গাইছিল, দাৰুব্ৰহ্ম জগন্নাথো সেই ফালেই মুখ দি চিৰদিনলৈ তাৰে সাক্ষী স্বৰূপে তেনে হৈয়েই থাকিল। আমাৰ কথাত কোৱা "জয়দেৱৰ স্তুতি পাই পূবমুৱা হৈলা যায় বাইজক ৰাখিবৰ মনে" এই কথা ফাকিও ইয়াৰেই সাক্ষী স্বৰূপ।

জগতত এনে পদাৰ্থ পাবলৈ বৰ টান, যি সঙ্গীতৰ তুলনাত বেচিকৈ কি মনুষ্য, কি দেৱতা, কি যোগী, কি ভোগী, সকলোৰে মন সমানে মুহিব পাৰিছে। ইয়াৰ প্ৰভাৱতেই যোগীশ্ৰেষ্ঠ অচল অটল হিমাচলৰ দৰে

বিশ্বামিত্রও মুগ্ধ আৰু বিচলিত হৈছিল। ইয়াত অৱশ্যে অলপ কামিনী কাঞ্চনৰ ভাব নিহিত আছে। কিন্তু যি সঙ্গীতৰ লগত এই নাম গন্ধও নাই তাতেইহে সঙ্গীতৰ অতুলনীয় মহিমাময় প্ৰভাৱ বিৰিঙ্গি ওলায়। এই বিধৰ সঙ্গীতেই পাপী-তাপী দীন-দৰিদ্ৰ, যোগী, ভোগী দেৱতা, মনুষ্য, আদি সকলোৰে চিত্ত সমানে বিমোহিত আৰু আকৰ্ষণ কৰে। সীতা-হৰণ, সীতাৰ বনবাস, পাণ্ডৱৰ-অজ্ঞাতবাস, বেউলা-লখীন্দৰ, নল-দময়ন্তীৰ কাহিনী শুনি কাৰবাৰ মনত কেতিয়াবা আমনি লাগেনে? ইয়াৰ কাৰণত ইয়াকেই বিচাৰি পোৱা যায় যে যি সঙ্গীতত বষাদ-কাহিনী নিহিত থাকে সেয়েই সকলোৰে চিত্ত সমানে আকৰ্ষণ কৰে আৰু তাকেই অমীয় ভাৰত আপ্লুত কৰে। এইষাৰ কথাকে পাশ্চাত্য পণ্ডিত এজনে এইদৰে কৈছিল—' Sweetest is the song that tells of the saddest thought" বিশেষ বিষাদ বাৰ্ত্তা ব্যক্ত কৰা সঙ্গীতেইহে মধুৰতকৈও মধুৰতম সঙ্গীত।

সকলো কলা-বিদ্যাৰ ভিতৰতে সঙ্গীতো এবিধ সূক্ষ্ম কলা (Fine art) আৰু এই বিধৰ কলাৰেই প্ৰাধান্য সকলো বিস্তাৰ ওপৰতে প্ৰকাশ পায়। হিন্দুৰ উপাস্য বাগাধিষ্ঠাত্ৰী সৰস্বতী দেৱীক ঋষি মুনিসকলে বীণাপানী বীণাবাদিনী সঙ্গীতৰাণী ৰূপে বৰ্ণনা কৰি গৈছে। তেওঁৰ হাতত থকা কচ্ছপী বীণাৰ ঝঙ্কাৰ হে পশু-পক্ষী, কীট-পটঙ্গাদি, সকলো প্ৰাণীৰে হৃদয় যন্ত্ৰত প্ৰতিধ্বনিত হৈ বাক্যভঙ্গী প্ৰস্ফুৰিত হৈছে যাৰ সহায়ত সকলো জীৱ-জন্তুৱে ব্যক্ত বা অব্যক্ত সুৰেৰে নিজ নিজ ভাব আনৰ ওচৰত অনায়াসে প্ৰকাশ কৰিব পৰা হৈ,ছ। তাকেইহে শাস্ত্ৰজ্ঞ সুধিসকলে একেবাক্যে কৈছে—

"ন বিস্তা সঙ্গীতাং পৰা।"

——:*:——

# অসমীয়া সাহিত্যত ইছ্‌লাম্ আৰু অসমীয়া মুছলমানৰ আসন।

অসমীয়া মুছলমান আজি নিবিড় অন্ধকাৰত আচ্ছন্ন, পথভ্ৰষ্ট লক্ষ্যহীন। যুগ যুগ সঞ্চিত কুসংস্কাৰ আৰু কু-আদৰ্শহেতু অসমত সত্য সনাতন ইছ্‌লাম মেঘলুপ্ত, কলঙ্কিত আৰু ঘৃণিত ধৰ্ম্ম। ইছ্‌লামৰ আজি ঘোৰ দুৰ্দ্দিন। পবিত্ৰ কোৰানৰ স্বাশ্বত বিধান ইয়াৰ আৰবী ভাষাতেই আবদ্ধ। ইছলাম অৰ্থে কি বুজায় তাক ভালকৈ বুজোতা কমহে ওলাব। মাতৃভাষাৰ প্ৰতি অৱজ্ঞাহেতু মোছলেমৰ চিন্তা-শক্তি নিষ্পেষিত, হৃদযন্ত্ৰ বন্ধ। অসমীয়া ভাষাক আপোন বুলি সাৱটি নোলোৱা কাৰণেই মোছলেমে নিজক আজিও চিনি পোৱা নাই। ভাবুকৰ ডিঙত বেদনাৰ অনন্ত ছাপ বহা নাই। মায়া, মোহ আৰু কুসংস্কাৰৰ অন্ধকাৰ কাৰাগাৰ ভাঙ্গি উলঙ্গ কৃপানধাৰী মুক্তিসেনা বাহিৰ হৈ অহা নাই।

মুছলিম সমাজৰ কৰ্ম্মকুণ্ঠিতা আৰু অলসতাবশতঃ ইছলাম ধৰ্ম্ম সম্বন্ধীয় কিতাপ নাই বুলিলেও অত্যুক্তি কৰা নহয়। আজি অসমত অসমবাসীয়ে আমিৰ হামজা, হজৰত আলি, হাতেম তাই, আৰব্যোপন্যাস, পাৰস্যোপন্যাস আনকি কোৰানৰ প্ৰকৃত অৰ্থ আৰু ভাব উপলব্ধি কৰিবলৈ অক্ষম। অসমীয়াৰ মাৰফতে ইছলামী কিতাপৰ কোনো বিষয় জানিবৰ উপায় নাই। [ হিন্দু কৰ্ত্তৃক উক্ত-দুই উপন্যাস যদিও আছে তাতো যে অলপ (গল্প) লবচৰ হোৱা নাই তাক বৰ্ণনা কৰাও সত্যৰ অপলাপ কৰা হব। ] অসমীয়া সাহিত্যই ইছলামৰ দ্বাৰা পুষ্টিলাভ কৰিব পৰা নাই বুলিলেও বঢ়াই কোৱা নহয়। যি দুই এখনি কিতাপ আছে সি এখন প্ৰদেশৰ এটা জাতিৰ বাবে



সম্পূৰ্ণ নগন্য। মৌলবী জোনাব হাজী ফাইজুদদ্দিন আহমদ চাহেবৰ হজৰত মোহম্মদ (দঃ) মৌলবী নজিৰ উদ্দিন চাহেবৰ গৌহৰে ইছলাম, মৰহুম চৈয়দ আব্দুলহক চাহেবৰ মিছবাহতুলইছ্‌লাম, জোনাব মৌলানা মিৰ্জ্জা আব্দুৰ ৰহমান বেগ চাহেবৰ আন ওৱাৰে ইছলাম আৰু দুই এখনি ক্ষুদ্ৰকায় কিতাপ নথকা হলে আজি অসমত মোছলমে দৈনন্দিন ধৰ্ম্ম সাধনাৰ ৰীতি নীতি বিলাকো বুজিব নোৱাৰিলেহেতেন। আৰু অসমীয়া সাহিত্য সম্বন্ধীয় মৌলবী নজিৰ মফিজুদ্দিন আহমদ চাহেবৰ জ্ঞানমালিনী তাৰ লগত আৰু দুই এজন সাহিত্যিকৰ কাব্য আৰু কবিতাই এই বিশাল মোছলেমৰ অভাব গুচাব পাৰেনে? ইছ্‌লামৰ প্ৰশস্ত অংশ এতিয়াও এন্ধাৰত—মোছলেম-অসমৰ দুৰ্দ্দশাৰ প্ৰতিকাৰ এতিয়াও সম্ভৱপৰ হোৱা নাই। এই ইছলামতে কত মুছলিম কবিৰ অমৰ কাব্য কত ঐতিহাসিকৰ তত্ত্ববহুল ইতিহাস বহু ভাস্কৰৰ অক্ষয় সৌধ মন্দিৰ, কত মোগলৰ সুৰম্য-হৰ্ম্ম শিল্প সাধনাৰ ইতিহাস আজিও তত্ত্ব-জিজ্ঞাসু পৃথিৱীৰ ওচৰত নীৰৱে প্ৰচাৰ কৰিছে। তেনে ধৰণৰ পুস্তক অসমত কেইখন? যুগ-যুগান্তৰৰ পুঞ্জীকৃত জ্ঞানৰ ভঁৰালৰ মুছলিম সভ্যতাৰ উচ্চতম কীৰ্ত্তিস্তম্ভ আবেহায়াতৰ অফুৰন্ত উৎসৰ অসম মোছলেমে আজিও সন্ধান পোৱা নাই। অসমীয়া সাহিত্যত মোছলেমে এই দান আজিও দিব লাগে বুলি ভাবিবলৈ সময় পোৱা নাই; ইছলামক উপযুক্ত আসনত বহুৱাব পৰা নাই, অদূৰ ভবিষ্যতেও যে পাৰিব তাকো আশা কৰা দুৰাশা মাথোন।

এই বিলাকৰ কথা বাদ দিয়ো কব খোজোঁ যে পাঠশালাবিলাকত কৰবাত কেতিয়াবা মুছলিম লিখকৰ দুটি এটি কবিতা বা প্ৰবন্ধ পাঠ কৰিবলৈ পাই পাঠকৰ মনত যে কি স্বৰ্গীয় আনন্দ লাগে, কঙালে ধন পোৱাৰ দৰে কি বেহেস্তৰ হাঁহি ফুটি উঠে, তাক আমাৰ আলেম আৰু শিক্ষিত সমাজে কেতিয়াবা সপোনতো ভাবি চাবলৈ অৱসৰ পাইছেনে? আকো ক্ষণেকতে মনত পৰে অসম-মুছলিমৰ কথা বিশ্ব-ইছলামৰ কথা। কিন্তু কি হব যি দুই এজনৰ কলমত দুটি এটি কবিতা বা প্ৰবন্ধ ফুটি উঠে, তেখেতসকলেও সিমানতে চিন্তাৰ ধাৰা ৰুদ্ধ কৰে—গৱেষণাগাৰ বন্ধ কৰে, কমজোৰ কলমতো মামৰে ধৰে, শেষত এদিন সমাজক কন্দুৱাই নিজৰেই যৱনিকা পাত হয়। সাহিত্য ক্ষেত্ৰত এয়েই মুছলিমৰ সাধনা

গোটেই অসমত ইতিহাস, সাহিত্য, উপন্যাস, ভূগোল, আলোচনী আনকি সংবাদ পত্ৰ লিখাৰ ভাৰ হিন্দু সভ্যতাৰ হাতত। মুছলিমে এই কাম হাৰাম (নিষিদ্ধ) বুলি বিবেচনা কৰেইনে কি, এই মহত্তম কাৰ্য্যৰ পৰা একেবাৰেই আৰ্ত্তৰত। গতিকে অসম-মোছলেমে দুখ- সুখ, আশা-আকাঙ্ক্ষাদিৰ বাস্তৱ ছবিৰ আশা কৰে কিহত; স্বাৰ্থ সংৰক্ষণৰ ঘৃণাক্ষৰেও প্ৰতিবাদ দেখুৱায় কিহত; গুৰুতৰ অভাৱ অভিযোগৰ প্ৰতিবিম্ব প্ৰতিফলিত হয় ক'ত? অসম হিন্দুসমাজৰ বৰ্ত্তমান পৰিস্থিতি অন্য দেশৰ তুলনাত সহস্ৰগুণে হীন। তেওঁলোক নিজৰ ঘৰ চম্ভালোতেই ব্যস্ত; আমাৰ পিনে চকু দিবৰ সময় কত? সকলো সময়তে সকলো ক্ষেত্ৰতে সকলোৰেই যে উদাৰ আৰু নিৰপেক্ষ অন্তৰৰ পৰিচয় দিব ইয়াক আশা কৰাই বৃথা। ইয়াৰ প্ৰমাণ শ্ৰীযুত গোবিন্দৰাম দাস ডাঙ্গৰীয়াৰ "তিৰোতাৰ সমাজত স্থান কত" এই সমালোচনামূলক প্ৰবন্ধটিতে। আৰু এটি কথা কওঁ যে এজনে জানিবা এনে কথা লিখিলেই; কিন্তু ভাবিব লগীয়া বিষয় এয়ে যে এনে অভূতপূৰ্ব্ব আৰু জঘণ্য কাহিনীয়ে আৱা হনৰ পিঠিত ঠাই পালে কেনেকৈ? সকলো ক্ষেত্ৰতে এনে কথা নাথাটিব হব পায়। ইও এক নিয়তিৰ নিৰ্ম্মম পৰিহাস, মুছলমানৰ ওপৰত। সি যি নহওক, আমাৰ হিন্দুসমাজৰ ওচৰত আকুল নিবেদন তেখেত সকলৰ পৰা আমি উন্নতিৰ প্ৰেৰণাত বাজে অন্য বিকৃত আলোচনা যেন নেপাওঁ। কাৰণ এই যুগ হৈছে, হিন্দু মোছলেমৰ সংহতি শক্তি আৰ্জ্জনৰ মহাসন্ধি ক্ষণ। বিদ্বেষ ভাব থকা আলোচনীৰ দ্বাৰা কেৱল যে ওচৰ সম্পৰ্কীয় এটি জাতিকেই ঠাট্টা কৰা হব এনে নহয়, বৰং মোছলেম সমাজত সেই সংবাদপত্ৰ অথবা আলোচনীৰ প্ৰচলন কম হোৱাবো সম্ভৱহে। অনেকে

ভাবিব পাৰে, তাত আমাৰ ক্ষতি কি? কাৰণ মহা সিন্ধুৰ মাজত বিন্দুকণাটিৰো প্ৰয়োজন আছে; সেইহে সিন্ধুৰেও বিন্দুক সাদৰে সাৱটি ধৰে। ওপৰত লিখা কথাবিলাক যদিও এই প্ৰবন্ধত অনাৱশ্যক তথাপি অসমত ইছলামৰ প্ৰতি অনুদাৰ ভাৱ আৰু হিন্দুৰ তুলনাত অসমীয়া মুছলমান যে লক্ষগুণে নগণ্য তাৰো আভাস দেখুওৱা হৈছে বুলিও ভাবিছোঁ। অসমীয়া মুছলমানে এই অসম মাতৃৰ হাওৱা পানীৰ পৰা ডাঙৰ দীঘল হৈছে যদিও স্বীয় সাহিত্যৰ যাবতীয় সম্বল আজিও শিকিব পৰা নাই। া—ি—ী—ু—ূ—ে া কাৰৰ উচ্চাৰণ আৰু স্বৰবৰ্ণ, ব্যঞ্জনবৰ্ণৰ কেইটামান আথৰ বাদ দি প্ৰায় সকলো অক্ষৰৰ উচ্চাৰণ এবং সং ব্যৱহাৰ শতকৰা নিৰান্নৈ জনে শুদ্ধকৈ কৰিব নেজানে। ইয়াতকৈ আৰু মৰ্ম্মস্পৰ্শী কোনো বিষয় আছেনে? ব্যাকৰণৰ ওপৰত ব্যুৎপত্তি থকা লোক মোছলেম সমাজত প্ৰায়েই দেখা নেযায়।

জাতীয় সাহিত্যৰ ভবিষ্যতে স্ব সম্প্ৰদায়ৰ দুখ-সুখ আশা আকাঙ্ক্ষাৰ বাস্তৱ স্বৰূপ ব্যক্ত কৰি জাতিক নিয়ন্ত্ৰিত কৰা হয়। কুসংস্কাৰ অন্ধ অনুৰক্তি, পাপাচাৰ আৰু যাবতীয় মোহ-ধ্বংস আৱৰ্জ্জনাৰাশি সাহিত্য মহীয়সীৰ প্ৰতিভা দাবানলত পুৰি তাৰ চিতাভস্মৰ ওপৰত বৰ্ত্তমান মানৱৰ সময়োপযোগী প্ৰগতিশীল উপকৰণ নৱ বলে বলীয়ান হৈ জন্ম লাভ কৰে। সাহিত্যই হৈছে জাতিৰ অদৰ্শ ও ইতিহাসৰ শ্ৰেষ্ঠতম কংকাল। মুঠ কথা সাহিত্য সভ্যতাৰ কেন্দ্ৰীভূত আসন। জাতীয় জীৱন-বিকাশৰ কোনো স্তৰত যদি সংক্ৰামক ব্যাধিৰ পৰশ পৰিলক্ষিত হয়, তেন্তে বুজিব লাগিব যে সাহিত্য মহীয়সীৰ সাধনা পূৰ্ণ হোৱা নাই। অসম মোছলেমৰ সৰ্ব্বাঙ্গ পঙ্গু হৈ গৈছে কিন্তু তথাপিও কোনো চেতনা হোৱা নাই। মুছলিম আজিও সুষুপ্ত। স্বপ্ন অথবা জাগৰণৰ বিশ্ব কোলাহলে ৰূপ ৰস গন্ধ স্পৰ্শাদিৰ অভিব্যক্তি লৈ হৃদয়ত আঘাত কৰিব পৰা নাই, কৰ্ত্তব্যবোধি বলবৎ হোৱা নাই, বিচাৰ শক্তিয়ে লাভালাভ দেখুওৱা নাই। কুৰি শতিকাৰ প্ৰচণ্ড আঘাতেও মোছলেম হৃদয়ত চেতনা জগাব পৰা নাই। আসুৰিক শক্তিবিলাকে নিজৰ শক্তিৰ অহমিকাত অন্ধ হৈ বিশ্ব বাৰুদখানাত জুই দি ধ্বংস কৰিবলৈ চেলু বিচাৰিছে। ইউৰোপৰ আক্ৰান্ত যৌৱন ৰক্তকুণ্ডত নাচি উঠিছে। বিশ্বব্যাপী তুমুল সংঘাটত পাৰিপাৰ্শ্বিক তন্দ্ৰাচ্ছন্ন জাতিবিলাকেও জাগৰণৰ মন্ত্ৰ মুখত লৈ নিজ শক্তিৰ বৃদ্ধিৰ আশাত দিনে ৰাতিয়ে আত্মনিয়োগ কৰিছে। তাৰ লগে লগে গোটেই বিশ্ব যুগ পৰিবৰ্ত্তনৰ মোহিনী সঙ্গীতত ভোল। এই অভূতপূৰ্ব্ব মুহূৰ্ত্ততো অসম মোছলেম শুই আছে। হায় মোছলেম! কেতিয়া তোমাৰ হৃদয়ত অনুপ্ৰেৰণাৰ স্পন্দন হব, শিৰাই শিৰাই উষ্ণ শোণিত প্ৰবাহিত হব; তোমাৰ মস্তিষ্কৰ ৰন্ধ্ৰে ৰন্ধ্ৰে ৰসকোষ পয়দা (উৎপন্ন) হব। অসম মোছলেম এইবিলাক কথাৰে ভাগী হব নোপায়নে? মোছলিম ভাবুকৰ মস্তিষ্কপ্ৰসূত চিন্তাধাৰাকো আমি দেখিবলৈ নাপাওঁ। অসমত মুছলমানৰ অস্তিত্বৰ এয়ে লক্ষণ। জাতিয়তাবোধ স্বভাৱিক, সেই কাৰণেই মুছলমান ভাবুকৰ দৰদী ভিতৰ উচ্চবাচ্য কোনোকথা জানিবলৈ আগ্ৰহ থকাটো আমাৰ পক্ষে দোষণীয় নহব হব পায়। হায় ইছলাম! এদিন তোমাৰেই গীতিঝঙ্কাৰত দেশ বিদেশ প্ৰকম্পিত হৈছিল, তোমাৰ সন্তানসকলে কেৱল ক্ষাত্ৰ শক্তিৰ পৰিচয় দিয়েই ক্ষান্ত নাছিল, লগে লগে তোমাৰো সৌৰভ বিলাইছিল জগতত। কালৰ বিবৰ্ত্তনত তোমাৰ ভাগ্য ৰবি আজি মেঘলুপ্ত হৃতসৰ্ব্বস্ব। অসমত চোৱা তোমাৰ নিমখহাৰাম সন্তানৰ কি দশা! মুছলিমৰ প্ৰতি ধমনীৰ আৱৰ্তি তোমাৰেই সৌৰভেৰে সৌন্দৰ্য্যৰে আকৌ বিকশিত কৰি দিয়াঁ, সহানুভূতিৰ স্নিগ্ধ পৰশ বুলাই মুছলিমৰ দগ্ধ হৃদয়ত সান্ত্বনা দি কোৱাঁচোন এবাৰ "উঠ মৃত মোছলেম, শুন আৰবৰ নৱ জাগৰণৰ কথা, ইছলামৰ পুনৰ অভ্যুত্থনৰ বিশ্বব্যাপী কোলাহলৰ কথা, প্ৰিয় পুত্ৰ মোষ্টাফা কামালৰ অবিৰাম সাধনাৰ কথা আৰু গাজী ৰেজাচহ পাহালবি আৰু জামালুদ্দিন প্ৰমুখ আফগান নেতৃবৃন্দৰ আত্মত্যাগৰ কথা।"

ধৰ্ম্মই আমাক কি? শিক্ষা দিয়ে আৰু কিয়ই প্ৰতিপালনীয়। এই কথাৰ উত্তৰ নিষ্প্ৰয়োজন যদিও মুঠতে, যি ধৰ্ম্ম



মানৱক সভ্যতাৰ পথ দেখুৱাই, যি অন্যায় অবিচাৰ আৰু অসভ্য অন্ধবিশ্বাসৰ পৰা মনুষ্যক মুক্তি দিয়ে, য'ত মানৱৰ কুপ্ৰবৃত্তিবিলাকৰ মৃত্যু হলাহল বিৰাজ কৰিছে, সেই ধৰ্ম্মকহে আমিও আপোন বুলি ধৰি লব লাগে আৰু সেই ধৰ্ম্মইহে আমাৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰিব পাৰে, নতুবা পৈতৃক ধৰ্ম্ম বুলি তাক আৰু কিমান দিন ধৰি থাকিব পাৰিম? কোৰানেই কৈছে "ম অতম মাকফা", মিছা যাবই লাগিব; সত্যৰ অনুসৰণ আমালোকে কৰিবই লাগিব। আকৌ কওঁ প্ৰগতিবিৰোধী কোনো ধৰ্ম্ম সভ্যসমাজে ধৰি ৰাখিব নোৱাৰে। প্ৰখৰ আৰু মুক্ত বিবেকৰ ওচৰত সংস্কাৰ সহজেই পৰাস্ত হবই। শত মেকিয়াভেলি শত নেপোলিয়ানে তাৰ বাট ভেটা দি ৰাখিব নোৱাৰে। এই কাৰণে আজি ধৰ্ম্ম লৈ গোটেই দুনিয়া ব্যতিব্যস্ত হৈ পৰিছে। ইছলামৰ সৌন্দৰ্য্য দেখা সকলো মহামনীষীৰ মত যে ইছলাম ভিন্ন অন্য ধৰ্ম্ম সংস্কাৰৰ দ্বাৰা পুনঃ প্ৰতিষ্ঠিত হোৱা অসম্ভৱ। ইয়াতো যে মূলতে সত্য নিহীত নাই তাক কোনে ক'ব পাৰে? কবলৈও ভয় হয় কামউনিজমৰ বৰ্ত্তমান গতিত ভাৰতবাসীৰো মন চঞ্চল হৈ পৰিছে; সকলোতে প্ৰত্যক্ষ বা পৰোক্ষ ভাবে কম্যুনিষ্ট ভাৱধাৰাৰ আভাস ফুটি উঠিছে। আজি খোদাক বিশ্বাস কৰাকো দুৰ্ব্বলী আৰু শিশুৰ খেমালি বুলি কৈছে। দোষ কাৰ গাত? মোৰ মনে, অত্যাধিক সংস্কাৰ দ্বাৰা ধৰ্ম্ম প্ৰচাৰক সকলে প্ৰকৃত ধৰ্ম্ম কৰনাতে থৈ কিছুমান আৱৰ্জ্জনাহে সাঙ্গি ধৰিছে। যি হ'ক, ইছলামনো কি? প্ৰগতিবিৰোধ কোনো কথা ইছলামে কবলৈ সাহস কৰেনে? শুনিছো ইছলামত দীন পৰকাল আৰু ইহকালৰ কাম্য বস্তু হাত সৰাধৰিকৈ ফুৰিছে। তেন্তে ইয়াৰ উত্তৰ দি জীৱন তত্ত্বৰ এটা সুস্পষ্ট ইঙ্গিত দিয়ক আমাক। ইছলাম "ফিতৰত" বা স্বভাৱৰ ওপৰত প্ৰতিষ্ঠিত ধৰ্ম্ম। স্বভাৱে কি বিচাৰে? সত্য সুন্দৰ আৰু সহজ। গতিক ধ্বংস বা অৱনতিৰ বীজ ইছলামত নাই। ইছলাম ধৰ্ম্মমতানুসাৰে ব্যক্তিগত স্বাধীনতা সদায়েই ৰক্ষণীয়। ক্ৰমোন্নতিৰ বাটত আধ্যাত্মিক আদৰ্শৰ অনুপ্ৰেৰণা দ্বাৰা মানুহে উচ্চৰ পৰা উচ্চতৰ জ্ঞানমাৰ্গলৈ যাবলৈ ব্যক্তি স্বাতন্ত্ৰ্য আৰু স্বাধীনতাই তেওঁৰ সৰ্ব্বশ্ৰেষ্ঠ উপায়। ইছলামে খোদা আৰু মানুহ এই দুটিকেহে — সকলোতকৈ ডাঙৰ আসন দিছে। কিন্তু কম্যুনিষ্ট কৰ্ম্ম তালিকাত সমষ্টিৰ কল্যাণত ব্যক্তিক ধ্বংস কৰিবৰ নীতি অনুসৃত হৈছে। কম্যুনিজমৰ ৰাজত্বত মানৱৰ মন আত্মসন্তোষৰ বাবে সৰ্ব্বদা তৈয়াৰ। শাসন প্ৰণালী (খোদাৰ) নথকাৰ বাবে উদ্দেশ্যহীন ভাবে বিচৰণ কৰি থাকিব। এই শাশনহীন নাস্তিক মতবাদতকৈ যে ইছলাম ভাব ধাৰা শ্ৰেষ্ঠ তাক অন্য ধৰ্ম্মাৱলম্বীয়ে নকলেও মুছলমানে কবলৈ বাধ্য। আৰু কওঁ যে ত্ৰয়োদশ শতাব্দীৰ পূৰ্ব্বে আৰবৰ বালুকাময় মৰু প্ৰান্তৰত ইছলামৰ যি মহান সন্তানে জন্মলাভ কৰিছিল, আৰু তেওঁ যি নীতি প্ৰচাৰি গ'ল, তাক আধুনিক উন্নতিয়েও পাচ পেলাই যাব পৰা নাই। মানৱ সমাজৰ সুখ সন্তোষ সত্য-প্ৰেম কেৱল ইছলামতেই পোৱা যায়। কিন্তু অসমীয়া সাহিত্যত ইয়াৰ সম্পূৰ্ণ বিপৰীত হৈ ইছলামে দেখা দিছে। ইছলামৰ আসন সাহিত্যত যে ক'ত আছে, তাক বিচাৰি উলিয়াবলৈ দুৰূহ হৈ পৰিছে। ইছলামৰ আসন দেখুৱাবলৈ গৈ ইছলাম মহিমা গোৱাই হৈছে যেন দেখি কথাটোৰ প্ৰমাণ দিব লগীয়াত পৰিলোঁ। কোৰানে কয় "কোনে কি ধৰ্ম্ম বাছি লব তাৰ কেনো বাধা বাধকতা থাকিব নোৱাৰে।" "ধৰ্ম্ম বিষয় লৈ হত্যা নালাগে গালি পৰাই ইছলামে জায়েজ নালাগে।" "নানা যে ধৰ্ম্ম বিৰাজমান ইয়ো এক খোদাৰেই দিয়া।" কিন্তু আজি অসমত ইছলামৰ বিধি বিধানৰ কোনো মূল্য নাই। মুছুলিমৰ আড়ষ্ট বুদ্ধিয়ে আগ গুৰি ভাবি পোৱা নাই। তাৰ উপৰিও ইছলাম সম্বন্ধে ভুল ভ্ৰান্তিহে সাহিত্য ক্ষেত্ৰত দেখিবলৈ পোৱা যায়। মুছলিম দৰ্শন, আকাশ-মাৰ্গৰ উজ্জল ৰত্ন এভাৰোচৰ নিৰ্ভীক সুৰত শ্ৰুত হৈছিল যে কোৰান নিৰ্দ্দেশিত ধৰ্ম্মমত সমূহৰ অক্ষৰগত অৰ্থবিলাকহে জন সাধাৰণে সাধাৰণতে ধাৰণা কৰিব পাৰে, সেইবিলাকৰ নিগূঢ় অৰ্থ উপলব্ধি কৰা তেওঁলোকৰ পক্ষে অসম্ভৱ,

কাৰণ প্ৰকৃত অৰ্থ উদ্ধাৰ কৰিবলৈ মুক্তবুদ্ধি, নিৰপেক্ষ নীতি ও প্ৰস্ফুটিত বিবেকৰ দৰ্কাৰ। আৰবী ব্যাকৰণত ব্যুৎপত্তি নথকা হেতু আৰু কোৰাণৰ প্ৰতি ভূল ধাৰণা বশতঃ কোনো কোনোৰ শনি-দৃষ্টি ইছলামৰ ওপৰত প্ৰায়েই দেখা যায়। ইছলামৰ প্ৰকৃত সৌন্দৰ্য্য আমি যদি দাঙ্গি ধৰিব পাৰোঁ, তেন্তে ইমানখিনি কেতিয়াও হব নোৱাৰে।

অসমীয়া সাহিত্যত প্ৰকৃত ইছলাম প্ৰতিভাত হোৱাই নাই বুলিলেও অতিৰঞ্জিত কৰা নহয়। চলিত ইছলামৰ লগত প্ৰকৃত ইছলামৰ সাদৃশ্য একেবাৰেই নাই। উদাহৰণৰ অভাৱ হলে প্ৰশ্নৰ বাণ নিক্ষেপ হব পাৰে আৰু ইছলামৰ অসমীয়া সাহিত্যতো আসন পৰিস্ফুট হৈ নুঠিব পাৰে, গতিকে অৱস্থা চাই বৰ্ণনা কৰিবলৈ বাধ্য হলো। সৰ্ব্বসাধাৰণৰ বিশ্বাস আছে যে (সাংসাৰিক) দুনিয়া সুখতকৈ অনাদি অনন্ত পৰকালৰ সুখ শান্তি সহস্ৰ গুণে ভাল, আৰু ই ধৰ্ম্মমত সমূহৰো প্ৰধান লক্ষ্য। কিন্তু ইছলামত কি কয় তাক কোনোৱে নাজানে আৰু জানিবলৈ আগ্ৰহো নকৰে। ইছলামে কয় "মানৱ সৃষ্টিৰ শ্ৰেষ্ঠতম প্ৰাণী। 'কৃতিৰ কোনো বস্তুৱেই তোমাৰ পূজ্য নহয়। বৰং সিইঁত তোমাৰ দাস।" সিইঁতক নিজ কৰ্তৃত্বাধীনলৈ আনি পাৰ্মানে ব্যৱহাৰ কৰাই ইছলামৰ উদ্দেশ্য।

হজৰত মোহম্মদ (দ) আকৌ কৈ গৈছে "সন্ন্যাসবাদ ইছলামৰ অনুমোদিত নহয়। বৈৰাগ্য সাধনত মুক্তি ইছলামত নাই।" তথাপি The world is a fleeting show ৰ ভূৰি ভূৰি দৃষ্টান্ত মুছলিম সমাজত দেখা পোৱা যায়। মুছলমানে দুনিয়াক মায়াবিনী বুলি পৰিত্যাগ কৰি পৰপাৰৰ এক মনোলোভা ৰাজ্যৰ চিৰশান্তিৰ উন্মাদনাত ধৰ্ম্ম কৰ্ম্ম সৱ বিসৰ্জ্জন দিছোঁ। হজৰত মতে "সাংসাৰিক ভোগ তৃষ্ণাৰ প্ৰতি অৱহেলা কৰা যেনে বিশ্ব সৃষ্টিৰ মূল উদ্দেশ্যৰ প্ৰতি বৰ খেলাক কৰাও তেনে।" ইয়াতো যে জীৱন তত্ত্বৰ এটি সুস্পষ্ট ইঙ্গিত পোৱা গৈছে, তাক কোনে অস্বীকাৰ কৰিব পাৰে? আৰু এটি হজৰতৰ হৃদয় নিজৰাৰ অমিয়া ধাৰা নিদি থাকিব নোৱাৰিলোঁ। কথাটি এই "প্ৰত্যেক আবাল-বৃদ্ধ-বণিতাৰ পক্ষে বিদ্যা শিক্ষা ফৰজ (কৰ্ত্তব্য) কৰি দিয়া হল"। পুনৰ কৈছে ("খোদাৰ) মোৰ ফালৰ পৰা যিহকে পোৱাঁ সত্য আৰু সং মানৱ সমাজত প্ৰচাৰ কৰি দিয়া। পূত কোৰানৰ স্বাশত বাণীতে শ্ৰুত হয় 'জ্ঞানীৰ কলমৰ চিঁয়াহী ধৰ্ম্ম যোদ্ধাৰ শোণিত অপেক্ষা শ্ৰেয়ঃ।" ইয়ো এক উন্নতিৰ অভিব্যক্তি নহয়নে? হজৰতৰ অকাট্য বাণীতেই আমি শুনিবলৈ পাওঁ 'নিজ উন্নতিৰ অৰ্থে স্বয়ং চেষ্টা নকৰিলে খোদায়েও তাৰ অৱস্থাৰ পৰিবৰ্ত্তন নকৰে।" খোদা সৌন্দৰ্য্যৰ নিকেতন তেওঁ সুন্দৰক ভাল পায়। তাৰ উপৰিও ইছলামেই প্ৰচাৰি গল কৰ্ম্ম বাদ বা অদৃষ্ট বাদৰ শাণিত অস্ত্ৰ Antomatic action আৰু Volunhary action, মানে কোনো ক্ৰিয়া কৰা নকৰা মানৱৰ সম্পূৰ্ণ ইচ্ছাধীন। এনেবিলাক স্বাশত ও স্বৰ্গীয় বিধান থকা স্বত্বেও অনেক অসমীয়া মুছলমানৰ অন্ধবিশ্বাস সাহিত্য ক্ষেত্ৰত ফুটি উঠে। অনেক অন্য ধৰ্ম্মাৱলম্বীৰ ইছলামবিদ্বেষ ভাৱ দেখা যায়। মুছলিম সমাজ আজিও তকদিৰ সংক্ৰান্ত ভুল বিশ্বাসত আবিষ্ট আৰু আড়ষ্ট হৈ দুখ সুখৰ মালিক খোদা বুলি তেওঁৰ মিছাতেই অবিচাৰৰ ভাগী কৰিছে। ধৰিত্ৰীৰ ধৰ্ম্ম কৰ্ম্ম সকলো ছিন্ন কৰি ভাবী স্বৰ্ণৰশ্মি বিমণ্ডিত পৰম ৰমনীয় আৰু পৰম আকাঙ্ক্ষিত এক শান্তিৰ ৰাজ্যৰ আশাত মৃত্যুক্ষণক ভাবি আছে, কৃতকৰ্ম্মৰ ফল পাবলৈ এই মুছলমানেই। সাহিত্যতো সত্য কৰ্ম্ম ফুটি উঠিব নাপায়নে? উন্নতি প্ৰেৰণা মুছলমান সাহিত্যিকে আমাক দিব নাপায় নে? অধিকন্তু এই বিলাকৰ অপব্যৱহাৰ আৰু জঘণ্য ৰূপ দেখিহে কলিজা ফাটি যায়! নিজ মাতৃভাষাক চহকী কৰা দূৰৈৰ কথা, দুৰ্ব্বলহে কৰিছে।

অসমীয়া ভাষাত ইছলামৰ সৌন্দৰ্য্য ফুটি নুঠাৰ কাৰণেই মুছলমানে নিজৰ মহৎ সাধনাবিলাকৰ প্ৰতি আস্থাহীন হৈ অৱহেলা আৰু উপেক্ষা কৰিছে। ইয়াৰ প্ৰকৃত কাৰণ হৈছে এই। যেই কোনো কাম



কৰিবলৈ হলে তাত মনসংযোগ সুদৃঢ় হব লাগিব। নতুবা ধৰ্ম্মৰ আদেশ-নিষেধবিলাকে সেই সাধনাৰ উদ্দেশ্য বুজুজাৰ গতিকে তাৰ উদ্দিষ্ট প্ৰভাৱ কাৰো মনত বিস্তাৰ কৰিব নোৱাৰে। যদিও সেই কাম খোদাৰ হুকুম বুলি ভাবে আৰু নাপালিলে গুণাহ বা পাপ হব বুলি ভাবি আদায় কৰে তেন্তে কেৱল শৰীৰক নিৰ্ম্মম আৰু অত্যাধিক পৰিমাণে দুঃখ দিয়াহে হব। তাৰ পৰা যে কিবা ফল পোৱা যাব ইয়াৰ কথা ভবাও মিছা। আৰু তেজক পানী কৰি কত কষ্টে দুটি পইচা আৰ্জ্জিবা, তাৰো শতকৰা হিচাবে মূল্য ধৰি আদায় কৰিব লাগে কিয়? অসমীয়া মোছলেমে এই সাধনাবিলাকৰ উপকাৰ দেখিবলৈ নাপাই লাহে লাহে তাৰ প্ৰয়োজন নাই বুলি ভাবিবলৈ ধৰিছে। অধিকাংশই ইয়াৰ উপকাৰিতা আজিও বুজিব পৰা নাই। (সকলোৱেই যে নাজানে সেই কথা ইয়াত কোৱা নাই। মুছলিম সমাজতো এনে মানুহ বহুত আছে যি এই বিলাক পুঙ্খানুপুঙ্খে বুজে আৰু বুজাব লাগে বুলিও জানে, কিন্তু স্বাধীন চিন্তা সমাজৰ আগত দাঙ্গি ধৰিবলৈ আলম নাই) এতিয়া দেখা যাওক কি মঙ্গলৰ কাৰণে এই কঠোৰ অথচ স্বাশত আদেশবিলাক দুৰ্ব্বল মনুষ্যত অৰ্পণ কৰিছে—এই হেন নিষ্ঠুৰ মূৰ্ত্তিৰ অন্তৰালত কোনো সৌন্দৰ্য্য আত্ম গোপন কৰি আছেনে কি—শুকান মৰুৰ অন্তৰ তলত কল্লন স্নিগ্ধধাৰা প্ৰবাহিত নে—নাই দুনিয়াৰ ভোগ লালসা বৰ্জ্জিত কৰি সংসাৰ-সুখ ভৰিৰে ঠেলিছ? মৃত্যুৰ পৰ পাৰে কৃত কৰ্ম্মৰ ফল ভোগ কৰিবলৈ, আশা পালি বহি থাকিম? শুনিছো ইছলামৰ প্ৰত্যেক সাধনাটোতে দীন দুনিয়াৰ কাম্য বস্তু হাত ধৰাধৰিকৈ ফুৰিছে; তেন্তে ইয়াৰনো উত্তৰ নাপামনে? নিশ্চয় আছে; ধৰা যাওক ৰোজাৰ কথাকেই,। হজৰতে কৈছে "হে মোমেন সকল! ৰোজা তোমালোকৰ কাৰণে কৰ্ত্তব্য ৰূপে নিৰ্দ্ধাৰিত কৰি দিয়া হল, যেন তোমালোক সংযমশীল হব পাৰা"। আকৌ অৱতাৰণা কৰিছে "ৰোজা আত্মৰক্ষাৰ ঢাল, ৰোজা পালনকাৰীয়ে অশ্লীলতা মিথ্যা, পৰনিন্দা, শত্ৰুতা কলহ ইত্যাদি অসৎ আচৰণ বিলাক বৰ্জ্জণ কৰে যেন। যদি এই বিলাক কু প্ৰবৃত্তি দমন কৰিব নোৱাৰা তেন্তে পানাহাৰ ত্যাগত কোনো লাভ নাই।" উক্ত কথাও স্পষ্টাক্ষৰে প্ৰতিধ্বনি কৰি গৈছে আমাৰেই আৰবৰ হজৰতে। সকলো কথা এই প্ৰৱন্ধত অৱতাৰণা কৰা নিষ্প্ৰয়োজন গতিকে, অসমীয়া ভাষাত ইছলামৰ আসন ক'ত এই কথা দেখুৱাবলৈ কেই আষাৰমান বৰ্ণনা কৰিয়েই আজিলৈ সিমানতে প্ৰৱন্ধৰ উপসংহাৰ কৰিম। মুঠতে ইছলামৰ প্ৰত্যেক আদেশ নিষেধতে জীৱন তত্ত্বৰ এটি জটিল সমস্যা আৰু লিপ্সা ৰাক্ষসীৰ জিবা মেৰ খাই আছে; চিন্তাশীল ব্যক্তি মাত্ৰেই উপলব্ধি কৰিছে। কিন্তু এই অচেতন মুছলিম অসমবাসীয়ে তাৰ অনুসন্ধান পোৱা নাই। দুৰ্ব্বলীৰ হাতত পৰি ইছলামৰ আজি চেহেৰাই বদলি হল। তথাপিও আনন্দৰ বিষয় এই যে দুনিয়াৰ নানা স্থানৰ পৰা ইছলাম গ্ৰহণ কৰা মানুহৰ নিত্য নূতন খবৰ আহিব লাগিছে। জড়বাদীৰ মুলুকতো ইছলাম তৰোৱাল দ্বাৰা প্ৰচাৰ হৈছে। ভাবিব লগীয়া বিষয়; দুৰ্ব্বল মুছলিমৰ কি টকা আছে, ক্ষমতা আছে বা ৰাজ্যই আছে যে নাস্তিককো ভুলাইছে? সৌন্দৰ্য্যৰ বাহিৰে একো নাই ইছলামত। কিন্তু অসমত সেই সৌন্দৰ্য্য ক'ত? সাহিত্যত নেদেখোঁ দেখোন। অনেকেই ভাবিব পাৰে যে বৰ্ত্তমান যুগত ধৰ্ম্মবিপ্লৱৰ বাহিৰে অন্য উপায় নাই। মহা মহা বৈজ্ঞানিকেও ঈশ্বৰ শূণ্য বুলি জোৰ মাতেৰে চিঞৰিব ধৰিছে। আমিও ঢোঁতে খৰ মাৰিছোঁ কিন্তু ভাবি চোৱা নাই এবাৰ মৃত্যুক্ষণৰ কথা, যেতিয়া সংসাৰৰ সকলো প্ৰিয়জনৰ স্নেহ-বন্ধন ছিন্ন কৰি শূণ্যৰ কোলাত মিহলি হোৱাৰ ভয়ত মন উদ্বেগাকুল হৈ উঠিব, ধৰণীৰ লগত সহস্ৰ মায়াৰ বন্ধনে আবদ্ধ নাস্তিক মানসিক বৃত্তি লৈ মৃত্যুক দেখিব শিতানত বহি আছে, নিৰ্ব্বাপিত প্ৰদীপৰ ন্যায় তাৰ সকলো অস্তিত্ব বিলুপ্ত কৰিবলৈ, তেতিয়া তাৰ মন কেনেকুৱা হ'ব। এইবিলাক নভবাকৈ মৃত্যু আৰু জীৱাত্মাৰ প্ৰতি হঠাতে কৈ উঠোঁ ঈশ্বৰ নাই। কোনে

কব পাৰে সঠিককৈ এই কথা? চকুৱল এটি কথাতে তাৰ কল্পনা বা বিবেকে ধৰা দিয়ে এই কথাত যে, এই বিৰাট বিশ্বৰ উদ্ভাৱন আৰু নিমন্ত্ৰণৰ মুলত যে এক বিৰাট পুৰুষ আছে বুলিয়ে কয় তেওঁনো কেনেকৈ হ'ল? আৰু স্বভাৱিকতে যদি তেওঁ হব পাৰে ইমান গুণ সম্পন্ন হৈ তেন্তে এই বিশ্বৰো এনেয়ে হ'ল। কাৰ্য্য-কাৰণৰ উদ্দেশ্যই মানবৰ মন বেদনা কৰিলে। যা'হক এই কথাৰে আমালোকে কাৰো লগত তৰ্ক চলাব নোৱাৰো। মুঠতে ইয়াকে ভাবি লোৱা উচিৎ যে নাম পাৱলৈও ভয়লগা বৈজ্ঞানিকেও ঈশ্বৰ থাকিলে ভাল পায়; যদি ঈশ্বৰৰ অস্তিত্বৰ বিষয় কোনো কথা তেওঁলোকে বুজি সন্দেহাতুৰ মনক বুজায় মৰিব পাৰে তেন্তে তেওঁলোকৰো মনত আনন্দৰ পৰিধি নাথাকিব নাথাকে। বৰ্ত্তমান আস্তিকবাদী মুছলিমৰ মাজত সাহিত্যৰ ভিতৰেদি এই কথাবিলাকো গুচাই মানুহক ধাৰ্ম্মিক কৰিবলৈ আমাৰ নায়েবে ৰসুল আলেম সমাজত ক'ত? সমৰ্থবান লোকসকলে কিহত মগ্ন আছে? এতিয়াই ইছলামৰ দুঃখৰ সীমা নোহোৱা হ'ল যেতিয়া সই প্ৰবাদ থাকিব "ইছলাম জীন্দা হোতা হৈয় হাৰকাৰ বাদোক বাদ।" মাজে সময়ে অনেক আলেমৰো খবৰ পাওঁ কিন্তু চেষ্টা নকৰাহে দুখিত। মাতৃভাষাক সাৱটি ধৰা, ইছলামৰ অমৰ দান সমাজত বিলোৱা। সাহিত্যৰ ভিতৰত।

আমাৰ মাজত প্ৰচুৰ অভাৱ শক্তিশালী লিখকৰ। যাৰ লিখনভঙ্গী চতুৰ যি ৰস সৃষ্টি কৰিব পাৰে; যাৰ মস্তিষ্ক প্ৰসূত বাণীয়ে আমাক অমৃত সৰোবৰত হাজিৰ কৰি দিব পাৰে, যি সত্যানুসৰণ-কাৰী। আধুনিক লক্ষ-ভ্ৰষ্ট জীৱনৰ অনুসন্ধান আমাক নালাগে—যি সমাজ জীৱন বিকাশৰ অন্তৰায়। কাৰণ কোৰানেই কৈছে "হে মানৱ চিন্তা কৰ। অনুধাবন কৰা, চিন্তাৰ দ্বাৰা উপলব্ধি কৰা।" এতিয়া আমাৰ মাজত লাগে স্বাধীন চিন্তাৰ আলম লৈ সত্যঅনুসন্ধানকাৰী সাহিত্যিক আৰু তেওঁৰ কাব্য কবিতা। অসমীয়া মুছলমানে সাহিত্য সাধনাত অমনোযোগ দিছে। কিন্তু এই অন্ধ মূঢ় মূক সমাজতো যে কত চিন্তাশীল লোকৰ শিক্ষা আৰু অনুশীলনৰ অভাৱত নিৰৱে বন কুসুমৰ দৰে জীৱন লীলাৰ অৱসান হৈছে, তাৰ কি ইয়ত্তা আছে? এই সৰ্ব্বনশীয়া সোঁতৰ গতিৰোধ কৰিবলৈ মুছলমান লিখক সকল ক'ত? তেওঁলোকৰ সাহিত্য ক্ষেত্ৰত আসন একেবাৰেই এচুকত। মৌলবী ফৈয়াজুদ্দিন চাহেব আৰু মৌলবী মফিজুদ্দিন চাহেবৰ নাম বাদ দিলে অসমত আৰু মুছলেম সাহিত্যিক ক'ত? হায়—ইছলাম আৰু অসমীয়া মুছলমান, এয়েই তোমালোকৰ অৱস্থা!

দৈৱ দুৰ্য্যোগত আমাৰ অসমত যিবিলাক ইছলাম ধৰ্ম্ম সম্বন্ধীয় কিতাপ বাহিৰ হয়, আৰু প্ৰবন্ধ আলোচনী বাহিৰ হয়, সেইবিলাক অধিকাংশই নিভাজ আৰু নিখুঁত হৈ নোলায়। সত্যৰ লগত সংস্পৰ্শ ৰাখি যদি কোৱা হয়, তেন্তে আমি ইয়াকো কবলৈ বাধ্য যে "বেচি টানিলে ৰচি ছিগেহে।" বৰ্ত্তমান জগতৰ পক্ষে যিবিলাক অচল, বস্তাপচা আৰু অনুপযোগী সেইবিলাককে আমাৰ প্ৰাচীন সমাজে ধৰি ৰাখিব খোজে, অথচ ইছলামে যদিও ইয়াৰ ঘোৰ প্ৰতিবাদ কৰি গৈছে। এই পুৰণি যে ভাল পায়, তাৰো এটা কাৰণ আছে, যে আমাৰ অসম মোছলেম প্ৰবীণৰ প্ৰতি ভক্তি-গদগদ। প্ৰাচীনৰ মোহ আৰু তাৰ প্ৰতি ভক্তি প্ৰৱনতাৰ আধিক্যই জাতিৰ জীৱন বিকাশৰ অগ্ৰগতিৰ পথত দুৰতিক্ৰম বাধা হৈ পৰিছে। প্ৰবীণে নিজৰ জৰাজীৰ্ণতাৰ বোজা তৰুণৰ কান্ধতো ঠেলি দিব খোজে, তাৰ তাবেদাৰী কৰিবলৈ। তৰুণে কিন্তু এই হেন মেটমৰা বোজা লৈ যুগ গতিৰ লগত তাল ৰাখি চলিব নোৱাৰে। বৰ্ত্তমান যুগ-প্ৰবাহৰ লগত ভৰি মিলাই সমান তালে খোজ কাঢ়িবলৈ হলে এই হেন গধুৰ ভাৰৰ ত্যাগ, অপৰিহাৰ্য্য কৰ্ত্তব্য। গতিকে এইখিনিতে উভয়ৰ ভিতৰত মনোমালিন্য আৰু সংঘৰ্ষ লাগি উঠে। এই যুদ্ধত অসমীয়া মোছলেমৰ অধিকাংশই প্ৰাচীনত্বৰ শিৰস্ত্ৰ বৰণ কৰি লয়। সেইহে দেশৰ অৱস্থা ইমান মাৰাত্মক। ল'ৰা-বুঢ়া সকলোৰে নাক অথবা সাহিত্যত সংস্কাৰৰ প্ৰাদুৰ্ভাব চিন্তাৰ বিৰোধিতা আৰু অন্ধ বিশ্বাসৰ দুৰ্ভেদ্য প্ৰাচীৰ দেখা যায়।



ধৰ্ম্মৰ লগত সংস্কাৰৰ বিৰোধ চিৰদিন বিদ্যমান। সংস্কাৰ ধৰ্ম্মৰ এটি ছায়া মাত্ৰ। ৰঘুমলাই যি দৰে মুল বৃক্ষৰ ৰস শোষণ কৰি তাৰ জীৱনী শক্তি হীন কৰি পেলায়, সেই দৰে সংস্কাৰেও ধৰ্ম্মৰ মুলনীতি ও সত্যতা যুগে যুগে শুহি ইয়াক শক্তিহীন কৰি কঙ্কালসাৰত পৰিণত কৰে। সংস্কাৰ মানুহৰ মহাশত্ৰু। ইছলামে চিৰদিন ইয়াৰ বিৰুদ্ধে যুদ্ধ কৰি আহিছে। নব্য তুৰ্কী ইৰাণ পাৰস্য আফগানিস্থান আদিৰ কালেই চালে ইয়াৰ জলন্ত প্ৰমাণ পোৱা যায়। আজি মানৱ জাতিয়ে বিচাৰিছে তাৰ পৰা চিৰ মুক্তি। আমাকনো তেন্তে কিয় তাকে গ্ৰহণ কৰিবলৈ কয় প্ৰবীন সমাজে? আচল কথা "বৈশিষ্টা" বুলিলে যি বুজায় তাক প্ৰগতি ক্ৰিয়াই কোনো দিন এৰি যাবই নোৱাৰে। ই অন্ধকাৰত Words worth ৰ লুচিৰ দৰে বাট হেৰুৱাই ত্ৰাহি ত্ৰাহি আৰ্ত্তনাদ কৰিবৰ ভয় নাই। সকলো যুগতে ইয়াক সভ্যতাই আগবঢ়াই নিবই। পাপহে গঙ্গাৰ সোঁতে উটুৱাই নিয়ে। বৰ্ত্তমান বৈজ্ঞানিক জগতে এৰিবলৈ কৈছে আমাক ইয়াকহে "দি আমাৰ বোজাৰ বাহিৰে অন্য সহায় নহয়" আৰু সভ্যতায়ো তাকেহে ত্যাগ কৰিছে আৰু কৰিবও চিৰদিন। তেন্তে মুছলিম সমাজৰ মহা অন্তৰায়বিলাক অপসাৰিৎ কৰিবলৈ আমাৰ আলেম সমাজ তৎপৰ নহয় কিয়? সাহিত্যক্ষেত্ৰত স্ত্ৰীশিক্ষাৰ বিৰোধাতি, স্ত্ৰীস্বাধীনতাৰ অভাৱ পৰ্দ্দা পথাৰ প্ৰচলন, স্বাধীন চিন্তাৰ বিৰোধিতা তৰুদিৰ সংক্ৰান্ত অন্ধবিশ্বাস আদিৰ সমৰ্থন আজিও তেন্তে কিয় দেখা যায়? ইছলামৰ মৰ্ম্ম কি? এয়ে নেকি? যদি নহয়, কেৱল আবৰ্জ্জনা স্তুপহে, তেন্তে নিৰ্ভীক প্ৰতিবাদ নকৰে কিয়? মুছলিমৰ মন ভঁৰালত আহাৰ্য্যৰ প্ৰচুৰ; অভাৱ বিপদত সি ছটফট্ কৰিব লাগিছে। অসমীয়া সাহিত্য বুলিলে আমি বুজি পাও যেন ই কেৱল হিন্দুৰ ভাৰাহে। নহলেনো স্কুল কলেজৰ পাঠ্যপুস্তকত মুছলমান সমাজৰ আচাৰ ব্যৱহাৰ, ৰীতি-নীতি, আদৰ্শ সামাজ্য গৌৰৱ কোনোৱে দেখিব নাপায়নে?

মুছলিম তৰুণ সমাজত প্ৰচুৰ অভাৱ এনে শিক্ষা, যি শিক্ষাৰ প্ৰভাৱত "হিমাদ্ৰি শিখৰ" নতশীৰ হয়, যি শিক্ষাই আমালোকক জ্ঞান বিবেকৰ স্বাধীনতা প্ৰদান কৰিব পাৰে, যি আমাৰ চিৰ সত্যৰ নিত্য অনুসৰ, জীৱন যাত্ৰাৰ মন্ত্ৰ, যি আমাক মৃত্যুৰ সময়ত অমৃতৰ খবৰ দিব পাৰে, আমাৰ মন পৰিপুষ্ট আৰু বিকশিত কৰিব পাৰে, দেহক সবল কৰে আত্মাক পৰিতৃপ্ত কৰে, তাকেই আমি বিচাৰিছো। তাকেই আদৰ্শ শিক্ষা বুলি গ্ৰহণ কৰিম আৰু সেয়ে হব মোছলেমৰ শিক্ষা।

আজি অসমত মোছলেম সমাজৰ সমস্তাৰ ইতি নাই; কত অভাৱ অভিযোগ, দুখ বেজাৰত জৰ্জ্জৰিত এই জাতি। মোছলেমৰ ক'ত ধ্বংশৰ আভাস সাহিত্যত দেখা দিয়ে। তথাপি মোছলেম চিৰদিনেই মাতৃভাষাৰ প্ৰতি। উদাসীন সাহিত্যৰ সৃষ্টি প্ৰধানতঃ তৰুণসকলৰ হাতত। কিন্তু তেওঁলোকো ভুলভ্ৰান্তি আৰু আৰ্থিক অস্বচ্ছলতাৰ হেতু ভীত কম্পিত। যি দিনাই তৰুণ সমাজে খোদাক ইয়াদ কৰি সাহিত্যক বৰণ কৰি লব সেই দিনাই আলাদিনৰ অদ্ভুত ঐন্দ্ৰজালিক প্ৰদীপ প্ৰতিভাৰ প্ৰত্যক্ষ প্ৰমাণ হাতে হাতে পাব, সকলো বাধা বিঘিনি অচিৰে দুৰীভুত হব, জাতীয় সংক্ৰামক ব্যাধি চিৰ দিনলৈ নিৰ্ব্বাসিত হব। বৰ্ত্তমান কিন্তু অসমীয়া মোছলেমৰ দুখৰ অবধি নাই; অভাৱ অভিযোগ অপৰিসীম ॥

সভ্যতাৰ প্ৰধান ৰবি! ( সাহিত্য )

আজিও তোমাক অসম মোছলেমে পোৱা নাই কিয় চিনি?
জ্বলি উঠা নাই জ্ঞানৰ আলোক আজিও হীয়াৰ তলিত,
সিৰাই সিৰাই ভাৱৰ আবেগ হোৱা নাই বিকশিত।
সোণৰ সপোনে মুছলিম দিলত ৰূপৰ অঞ্জন আঁকি,
ভবিষ্য সুখৰ সুন্দৰ মুৰতি দিয়া নাই আহি ঢালি।
গঙ্গৰ জোৱাৰ অহা নাই কিয় ডুবাই উভয় কুল;
বসন্তৰ গান পঞ্চম সুৰত পোৱা নাই বুল-বুল।
পৰিচয়ভীক শীতল মলয় প্ৰেমৰ পৰাগ আনি,
হতাশ মনে ঘূৰি গুচি যায় মোছলেম, তন্দ্ৰাতুৰ দেখি।
সুযুক্তে কোনেও শত বেদনাৰ অস্ফুত কণ্ঠৰ গান।
প্ৰাণ-তন্ত্ৰীত অৰ্ঘ ঢালি দিয়া মোহিনী সঙ্গীত তান।
"সাৰাব নেশাত" মাতাল তেনেই, দেহত চেতনা নাই,
কালৰ চক্ৰই ঘাটে নাশিছে সকলো কতনো বেদনা হায়।
সভ্যতাৰ প্ৰধান ৰবি! ( সাহিত্য )
অসম মুল্লুক তৰধ তেনেই, নাই সেই গান, নাই বুলবুলি।

By- Mvi Sayid Sahidur Rahman.

# কলিকতা বিশ্ববিদ্যালয়ৰ অসমীয়া পাঠ্য।

আজি বছৰদিয়েক হল, কলিকতা বিশ্ববিদ্যালয়ৰ অসমীয়া পাঠ্য নিৰ্ব্বাচনৰ বেমেজালিৰ বিৰুদ্ধে এজন লেখকে হাতত কাপ লৰ লগা হৈছিল; তাৰ ফল স্বৰূপেই হওক বা 'আমুসত চাউল' নখকা বাবেই হওক, সেই এবে বছৰতে মেট্ৰিকুলেশ্যনৰ পাঠ্য "সাৰথি" আৰু "সাদৰী" আঁতৰিল, আৰু যথাসময়ত "সাহিত্য-কোষ" নামৰ বাছনিয়ে ঠাই পালে। ইণ্টাৰমিডিয়েট আৰু বি-এ পৰীক্ষাৰ পাঠ্যৰ তেনে নবে চকুত লগা সালসলনি নহলেও, দুই এখনি নতুন পুথি জনমি প্ৰৱণিক অঙ্কৰাই দিছে; এই সালসলনি কেনে ভাবে হৈছে, তাতে অৱশ্যে চকু দিয়া হব।

দুৰ্ভাগ্যবশতঃ সত্য প্ৰায় সদায় অপ্ৰিয় আৰু সত্য-কৰ্ত্তাৰো গতি সেয়ে; এই বাবেই হবলা সত্য কলেঁ আগবঢ়া জ্ঞানীৰ কাম নহয় বুলি তেনে কৰোঁতাৰ লেখ তাকৰ; আৰু তেনে লোক ওলালেও তেওঁক সমৰ্থন কৰোঁতাতকৈ যদি স্বাৰ্থ অন্বেষণ পক্ষপাতিতা হিংসা আদি নানা পাপৰ কালিমা সানি আক্ৰমণ কৰাসকলক অনুমোদন কৰোঁতাই সৰহ ওলায়। মেট্ৰিকুলেশ্যনৰ আগৰ পাঠ্য দুখনৰ বিৰুদ্ধে কওঁতে "তলি ফুটা অসমীয়া সাহিত্যত" তেনে গ্ৰন্থ সততকাই ক'ত পোৱা হ'ব বুলি চমুনিয়াহ কাঢ়োঁতা কেজনে এই সালসলনিত বিলাপ কৰা নাই সেইয়া ভাবিব লাগিব, তেওঁলোকৰ দুঃস্বপ্ন মিছা; এতিয়াও এনে দুঃস্বপ্ন কোনোবাই দেখিব লাগিলে নিশ্চয় এই অভিজ্ঞতাৰ পৰা তেনে লোকে সুফল পাব বুলি আমি আশা কৰিব পাৰোঁ।

কলিকতা বিশ্ববিদ্যালয়ৰ অসমীয়া পাঠ্য নিৰ্ব্বাচন সাধাৰণৰ বাবে বিশেষজ্ঞৰ অৱশ্য হাত যেন লাগিলেও এই সমালোচনাত যি "বিধিৰ বিধান" বুলি লেখকে অৱশ্যে মানি লোৱা নাই; গতিকে ইয়াক নিখুঁত বুলি নভবা বা তাৰ বিৰুদ্ধে কোনো কথা সন্দেহ কৰা আৰু কলেঁ আগবঢ়া পাপ বুলি ভবা নাই। লেখকৰ মতে এই বাছনিত অকল যে বহুত খুঁত আছে সেয়ে নহয়; সম্ভৱ সেই খুঁতত এড়ালি আঁতমতে চলাবো দি আছে।

ইয়াৰ আগতে আৰু এটি কথাৰ উল্লেখ নকৰিলে কথাটোৰ কেৰা নাভাগে। কলিকতা বিশ্ববিদ্যালয় লগত অসমীয়া ভাষাৰ সম্বন্ধ সৰহখিনি বাহিৰ, অন্তৰ বিশেষ নাই বুলি কলেও বঢ়াই কোৱা নহব; অৱশ্যে তাৰ বাবে কোন দায়ী তাৰ বিচাৰ কৰিব খোজা নাই। এনে অৱস্থাত, অসমীয়া পাঠ্য বাছনিৰ ভাৰ দুই এজন হাতত পৰাটো, আৰু সেই দুই এজনেই এই বিষয় স্বেচ্ছাচাৰিতা কৰাটো অসম্ভৱ নহয়; কিয়নো, এই বিষয় হাত দিবলৈ, প্ৰথমতে, বিশ্ববিদ্যালয়ৰ লগত এই সাহিত্যৰ সম্বন্ধই বেলেগ ধৰণৰ; দ্বিতীয়তে, অসমীয়া বাইজ অসম-সাহিত্য সভাৰ ইয়াত মাতেই নাই বা মাত দিওঁতেও হয়তো বিচাৰোঁতা নাই। এনে বৈষম্যত অৱশ্যে এই সম্পৰ্কে বৰ্ত্তমান অৱস্থাৰ কোনো উন্নতি আশা বা বিড়ম্বনা মাত্ৰ!!

সম্প্ৰতি ১৯৩৭ আৰু ১৯৩৮ চনৰ কলিকতা বিশ্ববিদ্যালয়ৰ ভিন ভিন থাপৰ বাবে তলত নাম দিয়া পাঠ্যবোৰ নিৰ্ব্বাচিত হৈছে:—

(ক) মেট্ৰিকুলেশ্যনৰ বাবে:—(১) শ্ৰীযুত সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী সম্পাদিত "সাহিত্য-কোষ" (দুই বছৰৰ বাবে প্ৰায় বাছনিহে অলপ সুকীয়া)। (২) ৺সত্যনাথ বৰাৰ "সৰল ব্যাকৰণ।" তিৰোতাৰ পৰীক্ষাৰ বাবে অপৰন্তু:—(৩) শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞাৰ 'চানেকি', (৪) শ্ৰীযুত সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকীৰ 'হেমচন্দ্ৰ বৰুৱাৰ জীৱন চৰিত' (৫) শ্ৰীযুতা ধৰ্ম্মেশ্বৰী দেৱীৰ "ফুলৰ শৰাই", (৬) ৺সত্যনাথ বৰাৰ 'সৰল ব্যাকৰণ'।

(খ) ইণ্টাৰমিডিয়েটৰ বাবে:— (১) শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত ৺হৰকান্ত শৰ্ম্মাৰ "অসম বুৰঞ্জী," (২) শ্ৰীযুত জ্ঞাননাথ বৰাৰ "যুগতত্ব," (৩) শ্ৰীযুত বিৰিঞ্চিকুমাৰ বৰুৱা আদি সম্পাদিত "কবিতা কুঞ্জ," (৪) শ্ৰীচক্ৰবৰ্ত্তীৰ "কুমাৰ হৰণ"।



তিৰোতাৰ বাবে অপৰন্তু:—(৫) কবিৰাজ চক্ৰবৰ্ত্তীৰ "শকুন্তলা কাব্য," (৬) ৺সত্যনাথ বৰাৰ "সাহিত্য বিচাৰ", (৭) শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱাৰ "পদ্মকুমাৰী" (১৯৩৭) আৰু শ্ৰীযুত পদ্মনাথ বৰুৱাৰ "গাহৰী' (১৯৩৮) (৮) শ্ৰীযুত সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকীৰ "সত্যনাথ বৰাৰ জীৱন চৰিত" (৯) শ্ৰীযুতা নলিনীবালা দেৱীৰ "সন্ধিয়াৰ সুৰ"।

(গ) বি-এৰ বাবে:— (১) শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱাৰ 'শঙ্কৰদেৱ", (২) ৺সত্যনাথ বৰাৰ "চিন্তাকলি", (৩) শ্ৰীযুত অম্বিকানাথ বৰা সম্পাদিত "ৰুক্মিণীহৰণ নাট" (৪) শ্ৰীযুত ৰঘুনাথ চৌধাৰীৰ "কেতেকী"।

এই পুথিবোৰৰ গুণাগুণ আৰু উপযোগিতা সম্বন্ধে আলোচনা কৰাৰ আগতে তাৰ সমিধান ৰূপে আশা কৰিব লগা এক 'পেটেণ্ট' বা মামুলি' উত্তৰৰ সঙ্কেত দি থোৱা উচিত হব,—ইণ্টাৰমিডিয়েট আৰু বি-এৰ উপযুক্ত বাছনিৰ অভাৱত এনে, কিতাপকে নিদি আৰু কি দিব পাৰি, ইত্যাদি—; কিন্তু সেইদৰে প্ৰশ্ন কৰোঁতাজনেই অন্তৰৰ অন্তত সেই প্ৰশ্নৰ উত্তৰ জানে; প্ৰথমতে 'এনে' কিতাপৰ অৰ্থ 'সেই' কিতাপকেইখনেই নহয়, আৰু দ্বিতীয়তে, 'উপযুক্ত' বাছনিও ক্ষায়ক্ষেত্ৰ পালে (কোনো ভিতৰুৱা ইঙ্গিত নহলেও) ওলাব পৰা একো অসম্ভৱ যে নহয়, সেইটো পূৰ্ব্বেও কোৱা হৈছে, অভিজ্ঞতায়ো দেখুৱাব পাৰে।

আৰু এটা সাধু আছে; কোনো এথাপৰ এজন পৰীক্ষকৰ অনুপযুক্ততা সম্পৰ্কে ভালদৰে সন্দেহ কৰি এটা ৰাইজৰ দায়িত্বপূৰ্ণ অনুষ্ঠানে কোনো বিশ্ববিদ্যালয়ৰ কৰ্ত্তৃপক্ষলৈ আবেদন নিবেদন কৰিছিল। পিছে 'হিতত বিপৰীত'! নিজ ক্ষমতাত হস্তক্ষেপ কৰা হৈছে বুলি কেনো বিশ্ববিদ্যালয়ে একে বছৰতে সেই গৰাকীক তাতোতকৈ ওখ থাপৰ পৰীক্ষক পাতি দিলে! "যা ভাত খুৱেৰে, মৰা যেন মুখেৰে" পাঠ্য বাছনি সম্পৰ্কে এনে আলোচনাৰো বিপৰীত ফল ধৰিলে তেনেহলে আচৰিত হোৱা অনুচিত হব; তথাপি সাধাৰণ বিচাৰৰ বাবেই এই আলোচনাত প্ৰবৃত্ত হোৱাত দোষ কৰোঁ বাধা নাই।

প্ৰথমতে, মেট্ৰিকুলেশ্যনৰ পাঠ্যৰে আলোচনা কৰা হওক। এই আলোচনাত অৱশ্যে নতুন একো নহব, কিয়নো এই পুথি নিৰ্ব্বাচিত হবৰে পৰা কাকতে-পত্ৰই ইয়াৰ বিৰুদ্ধে নানা আপত্তি হলেও সেইবোৰ গৰাকীসকলৰ কাণৰ ওচৰ পোৱাগৈ নাই, হয়তো পোৱাৰ আশাও তাকৰ; গতিকে প্ৰকৃততে আৰু অধিকৰ প্ৰয়োজন ক'ত? তথাপি নাতিদীৰ্ঘকতৰ সেই সমালোচনাবোৰকে সমৰ্থন কৰি কব লাগিব যে প্ৰথমতে যি তত্তা-ভুকুতাৰে কিতাপখনি বাছনিৰ মাজেদি চালনি-সৰকা দি আহিল, এতিয়া কেইবা তাত্ত্বণলৈকে তাৰ সাক্ষী প্ৰৱন্ধ-বাছনিয়ে দিবই লাগিছে। "আৰ ছিগা চুলি, তাৰ ছিগা চুলি, মাৰি যাওঁ নেথেৰী খোপা। আৰ ফটাকানি, তাৰ ফটাকানি, পিন্ধি যাওঁ গেখোৱা লেটা॥" —এয়েই যে সাহিত্য-কোষ বা সাহিত্য সম্পাদন নহয়, সম্পাদকে তাক অৱশ্যে জানে বুলি মনি নোৱাৰোঁ; কিন্তু তাৰ বাবে তেওঁৰ গোগাতাই নাই নে আহৰিয়েই নাই কব নোৱাৰোঁ, সংগ্ৰহটি অ'ৰ ত'ৰ পৰা খপিয়াই অনা কিছুমান প্ৰৱন্ধৰ দ'ম হৈছে মাথোন। এই প্ৰৱন্ধত তাৰ বিশদ আলোচনাৰ বাবে ঠাই নাই, আৱশ্যক হলে সুকীয়াকৈ তাৰ বিচাৰ কৰা হব পাৰে; কিন্তু তাৰ আগতে সেই কোনোবা কালৰ "সাহিত্য-সংগ্ৰহৰ" লগতে এই "কোষ" বিজাই চাব পাৰি, আৰু আমাৰ সাহিত্যই পিছ-গতিত চলিছে, নে এই পিছৰ বাছনিয়েই সেই পিছ-গতি দেখুৱাইছে তাকো বিচাৰ কৰিব পাৰি।

এই থাপৰ তিৰোতা পৰীক্ষাৰ্থীৰ বাবে দিয়া পদ-পুথি আৰু ব্যাকৰণৰ বিৰুদ্ধে কবলৈ বিশেষ নাই, "চানেকি" পুথিও উপযোগী বুলিব পাৰি, যদিও অন্ততঃ ২৩ বছৰৰ মূৰে মূৰে এই পুথিবোৰৰ সলনি নিতান্ত আৱশ্যক। "হেমচন্দ্ৰ বৰুৱাৰ জীৱন-চৰিতত" হ'লে ছাত্ৰ-ছাত্ৰীয়ে নতুন কি বিচাৰি পাব বা নতুন বুজি দি দুই এটা কথা আছে তাত লাগতিয়াল বুলিবলৈ কি আছে তাক কোৱা টান।

ইণ্টাৰমিডিয়েটৰ বাছনি ৰূপে অকল "কবিতা-কুঞ্জ" উপযোগী বুলি ক'ব পাৰি, যদিও পিছৰ ভাগৰখত এই বাছনি আৰু উন্নত কৰিবৰ ঠাই আছে। পুৰণি কাব্য সাহিত্যৰ আভাস দিবলৈ বুলিয়েই যদি "কুমৰ হৰণ" নিৰ্ব্বাচিত হৈছে, তেনেহলে তাত বিচাৰ-বিপৰ্য্যয় হৈছে; কিয়নো এই থাপত তেনে এখন সমগ্ৰ কাব্যতকৈ

তাৰ কেইটিমান অধ্যায়ৰ বাছনিয়েহে সেই উদ্দেশ্য অধিক সম্পূৰ্ণ কৰিলেহেঁতেন। ইয়াৰ বাহিৰে "অসম বুৰঞ্জী" আৰু "যুগতত্ত্বৰ" বাছনিৰ ৰহস্য "নিহিতং গুহায়াম্",—অন্ততঃ সৰলভাৱে তাৰ তত্ত্ব বিচাৰি নাপালোঁ; পাওঁতা জনে দয়া কৰিলে কৃতাৰ্থ হম। ইয়াৰ এথনো সাহিত্য যি নহয়েই, সাহিত্যৰ বুৰঞ্জী ফালৰ পৰাও এথনৰো এনে কোনো বিশেষত্ব দেখা নাযায় যে পুথি বাছোঁতাজন নিৰ্ব্বাচনত দ্বিধা বোধ কৰিব নালাগে; এই বিষয়েও ঠোৰতে মাথোন কৈ থোৱা হ'ল, আনে বাধ্য নকৰিলে এই অপ্ৰীতিকৰ আলোচনা বহলাব নোখোজোঁ।

এই থাপৰ তিৰোতা পৰীক্ষাৰ্থীলৈ বছা উপন্যাস আৰু আধুনিক কবিতা পুথিৰ বাছনিৰ বিৰুদ্ধে কবলৈ বিশেষ নাই; পুৰণি "শকুন্তলা কাব্যৰ" নিৰ্ব্বাচন "কুমৰ হৰণ"ৰ দৰেই অনুপযোগী, আৰু ততোধিক, কিয়নো "কুমৰ হৰণ"ৰ কাব্যমূল্য ইয়াত নাই। বাকী দুখন—৺সত্যনাথ বৰাৰ "সাহিত্য-বিচাৰ" আৰু "সত্যনাথ বৰাৰ জীৱনী" এই দুখন পুথিৰ বিষয়েও সম্প্ৰতি চমুকৈ কোৱাই ভাল। "সাহিত্য-বিচাৰ"ৰ এটি বিচাৰ ভালেমান বছৰৰ আগতে এই লিখকেই এই পত্ৰিকাত প্ৰকাশ কৰি দেখুৱাইছিল যে সাহিত্য সম্বন্ধে এই পুথিয়ে সত্যৰ লগতে অনেক ভ্ৰান্তিমূলক ধাৰণা জন্মায়।; "জীৱন-চৰিত"খনো সেইদৰে তাতকৈ অধিক লাগতিয়াল গ্ৰন্থৰ সলনি দিয়া সমীচীন হোৱা নাই।

বি-এ পৰীক্ষাৰ বাবে নিৰ্ব্বাচিত পুথি কেখনো নিৰ্ব্বাচকৰ পৈণত নিৰ্ব্বাচনৰ ঠাইত অপইতা বাছনি আৰু আমঠ বা তেনে কোনো স্বভাৱৰ নিদৰ্শন! "শঙ্কৰদেৱ" গ্ৰন্থ নিৰ্ব্বাচন ঠিক হলেও ইমান দিনে তাৰ সলনি বিচাৰি পাব লাগিছিল হবলা। "কেতেকী" কবিতাটি ভাল হলেও সেইদৰে অসমীয়া কাব্যসাহিত্যৰ 'একামেবাদ্বিতীয়ম্' নহয় বুলি কেইবা বছৰৰ আগতে কোৱা হৈছিল। শ্ৰীযুত অম্বিকানাথ বৰা সম্পাদিত "ৰুক্মিণীহৰণ নাট" ওলায়েই বি-এৰ পাঠ্যৰূপে সন্মানিত হোৱাত আমিও ৰঙ পাইছোঁ, কিন্তু ইও যে "একমেবাদ্বিতীয়ম" হবলৈ গে আমাৰ ধৈৰ্য্য পৰীক্ষা নকৰে। ৺সত্যনাথ বৰাৰ "চিন্তাকলি" নামৰ পুথিখন, যে একেদৰে সদ্যোজাত হৈয়ে সন্মানিত হোৱাত ৰং পাইছোঁ বুলি নোৱাৰিলোঁ। স্বৰ্গীয় লেখক আৰু তেখেতৰ সুযোগ্য দুই সাহিত্যিক পুত্ৰৰ সকলো মহত্ত্বৰ প্ৰতি এই লিখকৰ যথেষ্ট শ্ৰদ্ধা আছে, আৰু সেইসকলে লিখকৰ মৃত্যুৰ পিচত অশেষ হেপাহেৰে পূজনীয় পিতাৰ স্মৃতিৰ তৰ্পণ কৰি সেই ৰচনাবোৰ প্ৰকাশ কৰিছে। অন্ততঃ ২।৩ বছৰৰ অধিক এনে পুথি ৰখা হলে তেনে কৰোঁতাজন বুদ্ধিবিপৰ্য্যয়ৰহে পৰিচয় দিব।

পাঠ্য সমূহৰ বিষয়ে এই মত লিখকে দীৰ বিবেচনাৰে কৰিছে বুলি ভাবে, আৰু সুধী দুই চাৰিজন মতৰ লগত মিলাতহে ইয়াক প্ৰকাশ কৰিছে। সুধী সমাজে, অন্ততঃ অসম সাহিত্য সভাই এই সম্পৰ্কে মত প্ৰকাশ কৰা উচিত বুলি লেখকে বিবেচনা কৰে।

---

# পুৰণি গীত সাহিত্য

( সংগ্ৰহ )

আমাৰ জন্মভূমি অসম প্ৰদেশখনক পুৰণি গীত পদ, ফকৰা যোজোনা আৰু সাঁথৰ দৃষ্টান্তৰ দেশ বা ৰাজ্য বুলিব পাৰি। সাহিত্যত এই সকলো বিলাকৰে ঠাই আছে। পুৰণি গীত পদ বিলাকৰ পৰা আমি ভাষা-জ্ঞান, সাহিত্য-জ্ঞান আৰু ধৰ্ম্ম-জ্ঞান লাভ কৰাৰ বাহিৰেও গীত পদৰ ৰচক কবি মহাপুৰুষসকলৰ বিষয়েও অনেক বহুমূলীয়া কথা জানিব পাৰো।

কামৰূপৰ বজালী অঞ্চলৰ ৺বিষ্ণুৰাম তালুকদাৰ মহাশয়ে অনেক পুৰণি গীত পদ সংগ্ৰহ কৰিছিল। তেখেতে সংগ্ৰহ কৰা 'যজ্ঞ পৰ্ব্ব" পুথি এখন প্ৰকাশ হৈছে। তেখেতে সংগ্ৰহ কৰা কিতাপ আৰু কেইখনমান আছে বোলে। চাৰি বছৰমান আগতে তেখেত স্বৰ্গী হৈছে। ইয়াত তেখেতৰ পুত্ৰ শ্ৰীযুত তৰুণকৃষ্ণ তালুকদাৰ শিক্ষক মহাশয়ৰ পৰা পোৱা গীত কেইটামান প্ৰকাশ কৰা হল।

## কৃষ্ণ লীলাৰ গীত—

১। দিহা॥ মেঘে কৰিছে অন্ধিকাৰ।
কাকো কেহ নেদেখয় তণু আপোনাৰ,
মেঘে কৰিছে অন্ধিকাৰ॥

পদ॥ পাতিলা ইন্দ্ৰৰ পূজা ভাঙিলা কানাই।
ই বেলি জানিবা গোকুলৰ ভাল নাই॥
গোপ কান্দে, গোপী কান্দে কান্দে বৎস ধেনু।
আৰু কি গোকুলে আসিব ৰাম কানু॥
ইন্দ্ৰে হানে বজ্ৰ শিলা মেঘে ঢালে পানী।
গোকুলৰ গোপীসৱে লীলাক নাজানি॥
সাত দিন সাত ৰতি শিলে বৰষিলা।
তথাপি গোকুলৰ একো লোম নলৰিলা॥
কহয় মাধৱ দাসে চিত্ত বিয়াকুল।
গোবৰ্দ্ধন ধৰি হৰি ৰাখিছে গোকুল॥

২। তলৰ গীতটো থিয় নামত গায়:—

দিহা॥ কি ৰূপ দেখাইলা শ্যাম, কদম্বৰ
তলেহে, অজানুলম্বিত বনমালা গলে
জলেহে॥ ( কি ৰূপ ............. )

পদ॥ যায়ো নাৰে যায়ো নাৰে কদম তলে ৰৈয়া।
কানাই পাতিছে খেলা ৰাধাকে লাগিয়া॥
কলসীতে পানী নাই যমুনা বহু দূৰ।
হাণ্ডিতে নপাৰে ৰাপে ভৰিতে নেপুৰ॥
সখীগণ সঙ্গে ৰাধা যায় শাৰী শাৰী।
কতো বেলি পাইলা গৈয়া যমুনাৰ বাৰি॥
ইটো ভৰ দ্বিপৰ বেলা কোনে বায়ে বাঁশী।
বান্ধিলা মাথাৰ কেশ ভাঙিলা কলসী
দৈ নষ্ট দুগ্ধ নষ্ট আৰু নষ্ট ঘোল।
হৃদেৰ কাঞ্চুলি নষ্ট ঘামে তলবল॥
তীৰে বস্ত্ৰ থৈয়া গোপী জলতে নামিলা।
গোপীৰ বস্ত্ৰ লৈয়া কানাই কদম্বে উঠিলা॥

৩। দিহা॥ মোৰ বাছা দূৰকে নাযাবা, ধেনু চাৰিবাক
ধেনু ৰাখিবাক মই চাই থাকিবু ঘৰে॥

পদ। অহ্নৰ বাছা হে ডাঙৰ দীঘল
মোৰ ৰাম কানু সৰু।
ইটো বৃন্দাবন খেলন খেলাই
অকলে চৰাইব ধেনু॥
ঘৰৰ বাহিৰ বেণ্ডৰ ভিতৰ
তাতে চাৰি থাকা ধেনু।
পদুলিৰ মুৰতে কেলি কদম ডেলি
তাতে উঠি বাবা বেণু॥
খৰিকা জহাৰ অন্ন সিজে দিবু
দুই জনে বাটিয়া খাবা।

শুদ্ধ সুবৰ্ণৰ বাঁশী গঢ়ে দিবু
দুই জনে বাঁশী বজাবা।
গলতে দিবু তোৰ গলে গলপতা
হাততে বলয়া থাৰ।
কৰ্ণতে দিবু তোৰ সোণাৰে কুণ্ডল
কোচ ভৰি দিবু লাড়ু॥
কহয় মাধৱ শুনা বন্ধু সব
এৰিও বিষয় ধান্দা।
ৰাম নাম ধন অমূল্য ৰতন
হৰি নাম গলে বান্ধা॥

( কেওৰ = চৌ-হদ চাপ, আটীয়া। )

( খৰিকা-জহা = এবিধ সৰু দীঘলীয়া ধান, ইয়াৰ চাউলৰ সুগন্ধ আছে। )

( ধান্দা = চিন্তা, ভাবনা, আশা, মায়া। )

৪। দিহা॥ কমলনয়ন যাদুহে॥

পদ॥ যাদু মোৰে যাদু মেৰে যাদু মোৰে হায়।
দুখুনী মায়ৰ চিত্ত কি দিয়া জুৰায়॥

কদম গছে উঠি কৃষ্ণ কদম ফুল তোলে।
তৈৰ পৰা জাম্প দিয়া পৰিল কালী জলে॥
কালী জলে পৰি কৃষ্ণ কৰে লোটা লুটি।
জাম্প দিয়া বলভদ্রে ধৰিলা সাৱটি॥
বিষৰ আলে বিষৰ জালে নদী বহি যায়।
গৰু গোপ মৰি আছে তাত পানী খাই॥
উপৰে সুৰয় পক্ষী গৰলৰ জালে।
তোমাৰ পুত্র যদুমণি পৰিছে কালী জলে॥
কালীৰ শিৰত জাম্প দিয়া নাচে যদুমণি।
নাৰী সৱে কৰি আছে ক্রন্দনৰ ধ্বনি॥
নাগপত্নী স্তুতি কাৰে কৃষ্ণ মোৰ প্রাণ।
আঞ্চল পাতিয়া মাগোঁ দিয়া স্বামী দান॥
নাৰীৰ স্তুতিত তুষ্ট ভগবন্ত ভৈলা।
ৰমণ দ্বীপক লাগি কালীক পঠাইলা॥
কহয় মাধৱ দাসে দীন হীন মতি।
জনমে জনমে হোক কানুত ভকতি॥

৫। দিহা॥ সখিহে কি মোৰ কপাল
মোৰ সখিহে নেদেখিলো প্রাণৰ গোপাল॥

পদ॥ শৰৎ কালৰ নিশি কৃষ্ণ সঙ্গে বনে পশি
নানা সুখে বঞ্চিলো ৰজনী
কৃষ্ণৰ সঙ্গক পাই যেন স্বৰ্গ সুখোদয়
মোৰ প্রাণে হেন অনুমান॥
প্রভাত হইল যেৱে হৰি এৰি গৈলা মোৰে
কোন কালে গৈলেক নজানি।
হেন হৰি বিনে সখি প্রাণ মাত্র আছোঁ ৰাখি
নাজানো মই দেখিম কাহানি॥
কৃষ্ণৰ নেদেখি মুখ বঞ্চিত হইল সুখ
কিনো বিধি লিখিলা কপালে।
দিয়াঁ সখি অনুমতি অখিত কৰোঁহ গতি
ইটো দেহ নৰাখো বিফলে॥
সখী সৱে বোলে বাণী শুনা ৰাধা বিনোদিনী
হৃদয়ে চিন্তিয়া কৰা ধ্যান।
দেৱ দামোদৰ ভণে কৃষ্ণৰ চৰণ বিনে
ৰাধিকাৰ নৰহে জীৱন॥

পুৰণি গীত পদ বিলাকৰ ভিতৰত কিছুমান সুন্দৰ শব্দৰ ব্যৱহাৰ থকা দেখা যায়। কিছুমান শব্দৰ আকৌ দুৰ্বোধ্য আছে। 'সত্র', 'কন্দলি' আদি শব্দৰ বিষয়ে বহলাই লিখিলে একোটা ডাঙৰ প্রবন্ধ হয়। আমাৰ ভাষাত বৰ্ত্তমানে বানান বা আখৰ-জোটনি যেনে জটিল আগেয়ে তেনে নাছিল। শঙ্কৰী-যুগত লিখা প্রায়বোৰ অসমীয়া আখৰৰ ভিতৰত এটা সাদৃশ্য আছে। সাঁচি পতীয়া পুথিবিলাক চালেই এই কথাৰ প্রমাণ পাব পাৰি।

৬। বন্ধু ভাণ্ডাৰীয়ে ৰচনা কৰা গীত—

বন্ধু ভাণ্ডাৰী কামৰূপৰ এজনা হৰিভক্ত পুৰুষ আছিল। তেওঁ ৰচনা কৰা গীত পদ বিলাক আজি কালিও মানুহে গাই তৃপ্তি পায়।

দিহা॥ জয় জয় সত্য ধৰ্ম্ম কৰিলা প্রচাৰ।
মায়াত ভুলিয়া লোক দেখে অন্ধকাৰ॥



পদ॥ আসুৰী স্বভাৱ ধৰি ৰজঃ তমো গুণে।
ধৰ্ম্ম কৰ্ম্ম কাক কোনে কৰ্ণেও নুশুনে॥
পঞ্চ মুল মহা পাপ এৰাইবাক প্রতি।
ইন্দ্রিয়ত কৰা হোম গীতাত কৰা মতি॥
গীতা ধৰ্ম্ম গীতা কৰ্ম্ম গীতা মহা বাণী।
অলপ অলপ কৰি পাচে দূৰ হৈব কলি॥
গুণি চোৱা ধৰ্ম্ম বিনে কিবা আছে গতি।
অহিংসা পৰম ধৰ্ম্ম জানা মূঢ়মতি॥
ভাবিয়া কইছে বন্ধু হিয়ায়ে আকুল।
সমস্ত ধৰ্ম্মৰ জানা গীতায়ে যে মূল॥

৭। দিহা॥ লোকে দেখে অন্ধকাৰ।
মৎস্য কূৰ্ম্ম ৰূপে হৰি হৈছে অৱতাৰ॥

পদ॥ শুদ্ধ শাস্ত্র ৰূপ তেওঁৰ মৎস্য কূৰ্ম্ম কায়া।
ধৰ্ম্মক গাপন কৰি দূৰ কৰে মায়া॥
কলিৰ মলিন লোকে নজানে স্বৰূপক।
মৎস্য মাংস খাই বৰ মানে আপোনাক॥
আপোনাক বৰ মানি যিটো গৰ্ব্ব কৰে।
পঞ্চ মুল মহা পাপ নৰকত পৰে॥
যানি মৎস্য মাংস আনি আনন্দত খায়।
সেই অন্ন ঈশ্বৰত অৰ্পণ নাযায়॥

আসুৰী ভোজনে ঈশ্বৰৰ ধৰ্ম্ম নহে।
শুণিয়া ভাবিয়া শ্রীবন্ধু দেৱে কহে॥

( পঞ্চ মুল প্রাণী হত্যাৰ ঠাই স্বৰূপ গৃহস্থৰ পাঁচোটা বস্তু, যেনে, পানীৰ কলহ, জুহাল, শিল পটা, ঢেঁকী আৰু বাঢ়নী,—চন্দ্র কান্ত। অভিধান )

( আসুৰী ভোজন আমিষ ভোজন ; যি ভোজনৰ লগত জীৱহত্যা আৰু হিংসাৰ সম্পৰ্ক আছে, সেই ভোজন। )

গীতাৰ মহাবাণী অসমৰ গাঁৱে ভূঞে প্রচাৰ কৰাই বন্ধু ভাণ্ডাৰীৰ জীৱনৰ লক্ষ্য আছিল। গীতাক পৃথিৱীৰ সকলো ধৰ্ম্মৰ আৰু সম্প্রদায়ৰে উমৈহতীয়া শাস্ত্র বুলিব পাৰি। গীতাৰ বাণী নিৰাশ্রয়ৰ আশ্রয়, নিৰ্ব্বলৰ বল, দুখীয়াৰ ধন। আজি কিছু দিনৰ পৰা যোৰহাটত, "গীতাৰ্থী সমাজ" স্থাপিত হৈছে। এই সমাজখন কেই গৰাকী মান বিদ্যোৎসাহী ডেকাই পৰিচালিত কৰিছে। আমি যোৱা ১৪।১,৩৭ তাৰিখ আৰু ১৭।১।৩৭ তাৰিখে এই সমাজত উপস্থিত হবলৈ পাই ভাগ্যবান বোধ কৰি আহিছো। "গীতাৰ্থী সমাজৰ" আমি সুপ্রচাৰ কামনা কৰিলোঁ।

শ্রীশ্রীৰামচন্দ্র দাস।

—— :•: ——

# অসমীয়া সাহিত্য আৰু তাৰ বহুল প্রচাৰ।

শব্দজয়তে 'সাহিত্য কি!' এই প্রশ্নৰ এটি সৰল আৰু সংক্ষেপ সমিধান পাবলৈ বৰ টান। ইয়াৰ উত্তৰত যাৰ মুনিং তেৰ সম্মত পোৱা যায়। শব্দকল্পদ্রুম কৰ্ত্তাই কয় "মনুষ্য কৃত শ্লোকময় গ্রন্থবিশেষঃ ; স তু ভট্টি-ৰঘু-কুমাৰ প্রভৃতয়ঃ।" আকৌ কোনো গ্রন্থকাৰে কয়- "কোনো কোনো বিষয়ৰ বৰ্ণনা কৰা গদ্যৰ বা পদ্যৰ পুথিয়েই সাহিত্য ;" কিছুমানে আকৌ জন্মৰ লগতে ওপজা ভাব যাৰ সহায়ত প্রকাশ পায় তাকেই সাহিত্য বুলিব খোজে। নানা জনৰ নানা মত হলেও পৰিমাৰ্জ্জিত আৰু অলাঙ্কৰাদি বিভূষিত ভাষাত লিখিত গ্রন্থাদিক 'সাহিত্য' বুলি কোৱাত বোধ কৰোঁ কোনো আপত্তিৰ কাৰণ নেথাকিব। সি যিহ'ক প্রত্যেক দেশৰ

নাইবা ভিন ভিন ভাষা-ভাষী মানুহৰ নিজ নিজ ভাষাৰ স্বকীয় সাহিত্য আছে। সেইদৰে আমাৰ অসমীয়াৰো স্বতন্ত্ৰ সাহিত্য আছে—আৰু সেয়ে অসমীয়া সাহিত্য। এই অসমীয়া সাহিত্যৰ উদ্ভৱ কেতিয়া হ'ল বিচাৰিবলৈ গলে দেখা যায় যে এই সাহিত্য আন দেশৰ বা জাতিৰ সাহিত্যতকৈ পিচৰ নহয়, বৰং কিছুমানতকৈ বহু আগৰহে। বঙ্গদেশত গদ্য-সাহিত্য ওলোৱাৰ তিনি চাৰি শ বছৰ পূৰ্ব্বেই ভট্টদেৱে ভাগৱতীয়ে স্খলিত অসমীয়া ভাষাৰ গদ্যছন্দত 'কথা-গীতা' আৰু 'কথা-ভাগৱত' ৰচনা কৰি অসমীয়া-সাহিত্য ভাণ্ডাৰ চহকী আৰু গৌৰৱ মণ্ডিত কৰি থৈ গৈছে। কিন্তু উন্নতিৰ পিচত অৱনতি কালচক্ৰৰ নীতি। এই কাৰণেই সেই সময়ত প্ৰবল প্ৰতিভাশালী হলেও বৰ্ত্তমান সময়ত এই ভাষাৰ সাহিত্য সিমান উন্নত বুলি কব নোৱাৰি। এই ভাষাই আদিৰে পৰা ওচৰ-কাষৰ বঙ্গালী আদি সাহিত্যৰ লগত যুদ্ধ কৰি অগ্নি পৰীক্ষাত বিজয় লাভ কৰি নিজৰ অস্তিত্ব ৰাখিব লগীয়া হৈছিল। আৰু সেইবোৰৰ প্ৰবল প্ৰকোপত মাজে সময়ে নিজৰ অস্তিত্ব লৈয়ে টনাটনিত পৰিছিল। কিন্তু এই এটা স্বতঃসিদ্ধ কথা যে নিত্য বস্তুৰ বিনাশ কোনোমতে হব নোৱাৰে। গতিকে-মহাসংগ্ৰাম কৰিব লাগিলেও সম্পূৰ্ণ স্বকীয় এই সাহিত্য সমূলি লোপ নেপাই ফুনাই ফুনাই তুহৰ জুইৰ দৰে উমি উঠিছে। আৰু উন্নতিৰ পিনে যি দৰে ধাৱমান হবৰ উপক্ৰম কৰিছে এইদৰে চলি থাকিলে যে অচিৰতে এই সাহিত্যও বিশ্ব-সাহিত্যৰ এটি প্ৰধানতম অঙ্গ নহব তাক কোনে কব পাৰে?

গদ্য সাহিত্যৰ নিচিনাকৈ অসমীয়াৰ পদ্য সাহিত্যও অইন সাহিত্যৰ তুলনাত পিচৰ নহয়। খৃষ্টীয় পঞ্চদশ শতিকাৰ পৰা অষ্টাদশ শতিকালৈকে এই কালখিনিৰ ভিতৰত অসমীয়াৰ পদ্য সাহিত্যই যথেষ্টৰূপে গা ধৰি উঠিছিল। এই সময়খিনিৰ ভিতৰতেই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰে হিন্দুৰ অতি পবিত্ৰ আৰু পূজাৰ বস্তু শ্ৰীমদ্ভাগৱত সৰল অসমীয়া পদ্যত অনুবাদ কৰি অসমীয়া সমাজত ভক্তি ৰস বিতৰণ কৰিছিল। ভগৱৎ প্ৰেমত আপ্লুত হৈয়েই শঙ্কৰ মহাপুৰুষে মহামানৱক জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে ভাতৃভাৱে আলিঙ্গন কৰিছিল। তাকেইহে আজিও ভকতসকলে "হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে, প্ৰেম অমৃতৰ নদী; শ্ৰীমন্ত শঙ্কৰে, পাৰ ভাঙ্গি দিলা, বহে ব্ৰহ্মাণ্ড ভেদি" এইদৰে গাই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ গুণ-কীৰ্ত্তন কৰে আৰু তেওঁৰ নামত নতশিৰে কৃতজ্ঞতা প্ৰকাশ কৰে। এই যুগতেই অসমীয়াৰ অন্যতম ভক্ত-চূড়ামণি মাধৱদেৱে উপনিষদ আৰু বেদ বেদাঙ্গৰ অতি উচ্চভাৱে বিমল ভক্তি ৰসৰ ৰহস্য এইদৰে অসমীয়া পদত প্ৰচাৰ কৰিছিল:—'মুক্তিত নিস্পৃহ যিটো, সেহি ভকতক নমো ৰসময় মাগোহোঁ ভকতি। সমস্ত মস্তকমণি, নিজ ভকতৰ বশ্য, ভজো হেন দেৱ যদুপতি॥" এই ভাবেৰে সেই যুগতেই মহাপুৰুষ মাধৱদেৱে অসমীয়াৰ হিয়াত নিষ্কাম ভক্তি মাৰ্গৰ শান্তিজল সিঞ্চন কৰিছিল। এই দুই জনা মহাপুৰুষত বাজেও এই সময়ত কেইবাজনো অসমীয়া কবিয়ে অসম আকাশত উদিত হৈ বিমল জেউতি প্ৰকাশ কৰি অসমীয়া পদ্য সাহিত্যৰ ভঁৰাল শৱত, আৰত কৰি থৈ গৈছে।

এই যুগৰ পিচতেই অসমীয়া ভাষাৰ অতি শঙ্কটাপন্ন আৰু শোচনীয় অৱস্থা উপস্থিত হয়। অসম দেশ বৃটিছ শাসনৰ তললৈ অহাৰ পিচত অসমীয়াৰ নিকটৱৰ্ত্তী বঙ্গদেশত বঙ্গভাষা প্ৰবল। এনে সময়তে বঙ্গ সাহিত্য আৰু পাশ্চাত্য ভাষাত নিপুণ বঙ্গীয় মানুহক বৃটিছ গৱৰ্ণমেণ্টে অসম প্ৰদেশতো আমোলা আদি কাৰ্য্যকাৰক নিযুক্ত কৰে। তাৰ ফলত বিদ্যালয় বিচাৰালয় আদি সকলো পিনেই বঙ্গভাষা বিয়পি পৰে। এই সময় খিনিত অসমীয়া এটা ভাষা বুলিয়েই পৰিগণিত নোহোৱা হ'ল; আৰু এই অসমীয়া ভাষাৰ ঠাই বঙ্গভাষাই একেবাৰেই অধিকাৰ কৰাৰ দৰে হল। কিন্তু 'নিত্য বস্তুৰ বিনাশ ক'তো নাই।' এই নিয়তিৰ নীতি কেতিয়াও পৰিবৰ্ত্তন নহয়। অসম দেশত বঙ্গ সাহিত্যৰ এনে ক্ষিপ্ৰ সোঁতৰ মাজতো অসমীয়াৰ অসমীয়াত্ব বিলীন হোৱা নাছিল; অসমীয়াৰ হিয়াৰ পৰা সেই ভাব একেবাৰে বিলুপ্ত হোৱা নাছিল। তেতিয়াও অসমীয়াৰ হৃদয়ত সেই ভাব



উমি উমি জ্বলিছিল। তাৰ ফলত অসম আকাশৰ উজ্জ্বল নক্ষত্ৰ স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱা দেৱে অসমীয়া ভাষাৰ বিজয়স্তম্ভ স্বৰূপ 'হেমকোষ' নামেৰে অসমীয়া অভিধান লিখে। আৰু লাহে লাহে অসমীয়া ছাত্ৰৰ অভিধান, অসমীয়া ভাষাৰ উচ্চ আৰু নিম্ন ধৰণৰ দুখন ব্যাকৰণ, পাঠমালা, বাহিৰে ৰং চং ভিতৰে কোৱা-ভাতুৰি আদি কেইবাখনো কিতাপ লিখে। আৰু তেওঁৰ অশেষ যত্নৰ ফলতেই অসমীয়া ভাষাও ভাৰতৰ সমগ্ৰ উন্নত ভাষাৰ ভিতৰত এটি বুলি পৰিগণিত হ'ল। ইয়াৰ কেই বছৰ মান আগেয়ে শিৱসাগৰৰ মিছনেৰী সম্প্ৰদায়ে এখন অসমীয়া অভিধান প্ৰণয়ণ কৰি অসমীয়া ভাষাৰ জকাটো জীয়াই ৰাখিছিল, আৰু তাতেইহে অসমীয়াৰ ওজা বৰুৱাদেৱে আমাৰ ভাষাৰ প্ৰাণপ্ৰতিষ্ঠা কৰিছিল। 'অৰুণোদয়' কাকতো এই সময়ৰে সম-সাময়িক। এই সময়তেই স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱাদেৱে দেহে কেহে লাগি অসমীয়া ভাষাৰ প্ৰবৰ্ত্তন আৰু প্ৰচলনৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। সেই বাবেইহে আজিৰ অসমীয়া সমাজে অসমীয়া ভাষাৰ গৌৰৱ অনুভৱ কৰিব পাৰিছে। তেতিয়াৰ পৰাহে অসমীয়া ভাষাই আকৌ ঠন্ ধৰি আহিব ধৰিছে। আৰু লাহে লাহে উন্নতিৰ সোপানত আৰোহন কৰিব পাৰিছে। বৰ্ত্তমান সময়ত বিশ্ববিদ্যালয়তো এই অসমীয়া ভাষাৰ পৰীক্ষা যদিও চলোৱা হৈছে, তথাপি এই ভাষাৰ প্ৰচলনৰ কাৰ্য্য এই খিনিতেই যথেষ্ট পৰিমাণে হোৱা নাই। এতিয়াও এই ভাষা দেশ বিদেশত চাৰিওপিনে বিয়পি পৰা নাই। এতিয়াও আমাৰ ভাষাৰ সাহিত্যই অইন অইন উচ্চ সাহিত্যৰ দৰে সকলোপিনে সমাদৰ লাভ কৰা নাই।

বৰ্ত্তমান সময়খিনিত সাহিত্য জগতত এটি উন্নতিৰ উৰ্ম্মি উঠিছে। নানা দেশৰ নানা প্ৰকাৰ সাহিত্যৰ বিবিধ বৰণৰ সাজ-পাৰ পৰিধান কৰি স্বীয় সৌন্দৰ্য্য জগতবাসীৰ মাজত প্ৰচাৰ কৰিব ধৰিছে। কি বঙ্গভাষা, কি হিন্দি, কি গুজৰাটী, কি মাৰাঠী সকলো ভাষায়ে এই সময়ত সোঁপত সোপে উন্নতিৰ জখলাত আগুৱাব ধৰিছে। এতেকে অসমীয়াৰ পক্ষেও এইখিনি সুখ-নিদ্ৰাৰ সময় নহয়। অসমীয়া সকলৰো বৰ্ত্তমান কৰ্ত্তব্য হৈছে—"উঠতে হবে, জাগতে হবে, লাগতে হবে কাজে। শুনতে হবে জগত বীণা কোন সুৰেতে বাজে॥" ভাৰতৰ অইন অইন সাহিত্যই যি পন্থা অৱলম্বন কৰিছে, অসমীয়ায়ো নিশ্চয় সেই সেই পন্থা অনুসৰণ কৰিব লাগে। তাকে নকৰি ভেবা লাগি চাই থাকিলে তেনেই পিচ পৰি যাব লাগিব। আকৌ এই ক্ষতি যে কেতিয়াবা পূৰণ হব ইও এক প্ৰকাৰ কল্পনাৰ অতীত। আহাৰ মাহৰ শুক্লা তৃতীয়াৰ দিনা মহাপ্ৰভুৰ ৰথ গুণ্ডচাপুৰীলৈ যাত্ৰা কৰে। সেই যাত্ৰাৰ সময়ত যেয়ে আগে পিচে মহাপ্ৰভুৰ ৰথত ধৰে সেয়ে গৈ গুণ্ডচাপুৰী দৰশন কৰে। ধৰিব নোৱাৰিলে ৰৈ গ'ল। আজি সাহিত্যক্ষেত্ৰৰ কথাও তেনেই হৈ পৰিছে। সকলো ৰকমৰ সাহিত্যই বৰ্ত্তমান সময়খিনিত কোনো এটা নিৰ্দ্দিষ্ট লক্ষ্য লৈ যেন তীব্ৰ গতিৰে ধাৱমান হৈছে। এনে অৱস্থাত আতিগুৰি চাই কঁকাল বান্ধি লব নিদিলে তেনেই পিচ পৰি থোৱা অনিবাৰ্য্য। বৰ সুখৰ আৰু সৌভাগ্যৰ কথা যে অসমীয়া ভাষা আৰু সাহিত্যৰ হকেও নানা প্ৰকাৰ কাৰ্য্য চাৰিওপিনে হব ধৰিছে আৰু সেই অনুপাতে ই বহুখিনি আগুৱাইছেও। কিন্তু ভাষা আৰু সাহিত্যৰ সম্যক্ উন্নতিৰ বাবে এই ফেৰাই যথেষ্ট কাৰ্য্য হোৱা নাই। ইয়াৰ সমুন্নতি আৰু সম্যক প্ৰচলনৰ বাবে কৰিব লগা কাৰ্য্য অশেষ আছে।

সাহিত্যৰ উন্নতি নিৰ্ভৰ কৰে বিশেষকৈ ভাষাৰ উন্নতিৰ ওপৰত, যিহেতু ভাষা নহলে সাহিত্যৰ অস্তিত্ব অসম্ভৱ। জুইৰ লগত দাহিকা শক্তিৰ, পানীৰ লগত শিতলতাৰ যেনে সম্বন্ধ, ভাষা আৰু সাহিত্যৰো ঠিক তেনে নিচেই ওচৰা ওচৰি সম্বন্ধ। গতিকে সাহিত্য বিষয়ে কিবা আলোচনা কৰিব খুজিলেই ভাষাৰ কথা আপোনা আপুনি ওলাই পৰে; আৰু ইটোৰ বিষয়ে কিবা উল্লেখ আদি কৰোঁতেই সিটোৰ বিষয়ে সুন্দৰ সমালোচনা হৈ যায়।

বহুতেই ভাষাৰ উন্নতিৰ বাবে কাম কৰা অতি দুঃসাধ্য বুলি অনুমান কৰে। মনতে ভাবে যে

এইবোৰ কাৰ্য্য বৰ বিদ্বান্ আৰু ডাঙৰ ডাঙৰ বুদ্ধিমন্ত মানুহৰ পক্ষেহে সম্ভৱপৰ হয়। কিন্তু এই কথাটোত তেনেই হৰিভৰ দিব নোৱাৰি। ভাষাৰ উন্নতিৰ হকে কি সৰু, কি ডাঙৰ, কি বেচি বিদ্বান, কি অলপ বিদ্বান, ইচ্ছা কৰিলে কম বেচি পৰিমাণে সকলোৱে কাম কৰিব পাৰে। ভাষাৰ উন্নতিৰ পিনে চকু নকৰি নিজৰ কোৱা কথাখিনিকে উন্নত কৰিবলৈ মন কৰিলেও বহু বিষয়ত অজ্ঞাতসাৰে সেই কাৰ্য্যই তয়ো উদ্দেশ্যকে সাধন কৰে। আন নেলাগে সকলোৱে নিজে নিজে শিক্ষিত আৰু ভাষাবিৎ হবলৈ ইচ্ছা কৰিলেই, নিজ ঘৰৰ লৰা-ছোৱালীক তেনে কৰিবৰ মন কৰিলেই তাৰ দ্বাৰাই ভাষাৰ উন্নতি কল্লেও যথেষ্ট কাৰ্য্য হৈ উঠে।

আমাৰ দেশত লিখা-পঢ়া জনা শিক্ষিত মানুহ নিচেই তাকৰ। তাতে আন প্ৰদেশৰ তুলনাত অসম প্ৰদেশত আৰু কম। যেতিয়ালৈকে দেশত যথেষ্ট পৰিমাণে শিক্ষাৰ বিস্তাৰ নহয়, দেশবাসী জনসমূহ সুশিক্ষাত শিক্ষিত নহয়, তেতিয়ালৈকে ভাষাৰ উন্নতি, সাহিত্যৰ উন্নতি, সমাজৰ উন্নতি, আৰু দেশৰ উন্নতি আকাশকুসুম মাত্ৰ। সেই বাবেইহে আমাৰ প্ৰধান আৰু প্ৰথম কৰ্ত্তব্য হৈছে দেশত যথেষ্ট পৰিমাণে শিক্ষা বিস্তাৰৰ ব্যৱস্থা কৰা। এতিয়া আমাৰ দেশত যিদৰে শিক্ষা বিস্তাৰৰ কাৰ্য্য চলিছে এই খিনিয়েই আমাৰ আচল উদ্দেশ্য সম্পূৰ্ণৰূপে সাধন কৰিব নোৱাৰে। যদিও দুই, তিনি গাঁৱৰ মাজত প্ৰাথমিক শিক্ষাৰ বাবে নিম্নপ্ৰাইমেৰী স্কুল, সেই অনুসাৰে মাজে মাজে উচ্চপ্ৰাইমেৰী ছাত্ৰবৃত্তি, মাইনৰ, আৰু হাই স্কুল আছে, তথাপি তাৰ দ্বাৰা যথেষ্ট পৰিমাণে শিক্ষা বিস্তাৰ হোৱা নাই। আমাৰ দেশত বিদ্যালয় তাতকৈও বেচি লাগে আৰু শিক্ষাৰ্থী ততোধিক হব লাগে, শিক্ষাৰ সুযোগ সৰ্ব্বসাধাৰণে পোৱা হব লাগে।

পৈণত বয়সত শিক্ষা উপাৰ্জ্জন সিমান সম্ভৱ নহয়, ল'ৰাকালত সেই কাৰ্য্য যিমান সুকৰ আৰু সুচল। তদুপৰি বাল্য অৱস্থাত মন যি পিনেই ঢাল খুওৱা যায় পৈণত অৱস্থাত আনকি বুঢ়াবয়সতো মনৰ আবেগ তাৰ পৰা দূৰ নহয়। সেই ভাব সততে মনত থাকে আৰু তাৰ ফলতে বাল্য কালৰ পৰবৰ্ত্তী অৱস্থাতো প্ৰচুৰ পৰিমাণে কাম সাধিত হয়। গতিকে লৰা-ছোৱালী বিলাকক সৰুৰে পৰা সুশিক্ষাপথৰ পথিক কৰি তোলা নিতান্ত প্ৰধান কৰ্ত্তব্য। কোমলমতি লৰা-ছোৱালীৰ মনত এই ভাব এবাৰ নিগাজীকৈ লগাই দিব পাৰিলে তেওঁবিলাকৰ গোটেই জীৱনব্যাপী এই ধাউতি থাকিব। আনকি এই ধাউতি পুৰুষানুক্ৰমেও চলি থাকিব যে ই সুনিশ্চয় কথা। গতিকে আমাৰ লৰা-ছোৱালী সকলৰ মনত ভাল ভাল গ্ৰন্থকাৰৰ ভাল চাই সুচিন্তিত পুথি-প্ৰবন্ধাদি পঢ়িবলৈ ধাউতি ওপজাই দিয়া উচিত। এইখিনি কৰিব পাৰিলেই সুশিক্ষা লাভৰ লগে লগে সাহিত্যজ্ঞানৰ পিপাসাও তেওঁলোকৰ হিয়াত উপস্থিত কৰা হয়।

অকল পঢ়িলেও নহয়। লিখিবৰ আগ্ৰহ আৰু শক্তিও হব লাগে। কিন্তু ল'ৰাকালৰ পৰা এই বিষয়ত অলপ ৰাপ নেথাকিলে পৰিণত বয়সত এই আগ্ৰহ আৰু শক্তি সহজে নোপজে। তোতয়া হয়'ৰ বাবে কোনো কোনো সময়ত অশেষ চেষ্টা কৰিও অকৃতকাৰ্য্য নাইবা আশানুৰূপ ফল লাভ কৰিব নোৱাৰা হব লগীয়া হয়। কিন্তু সৰু কালতে মনত এই ভাব খেলালে তেতিয়াৰ পৰা সেই হেপাহ চলি থাকে আৰু পোন প্ৰথমতে নহলেও ক্ৰমশঃ তাত নিপুণতা আৰু আশানুৰূপ ফল লভেই। অৱশ্যে এই খিনিতে এই এটা প্ৰশ্ন উঠিব পাৰে যে সৰু লৰাই কি লিখিব আৰু তেওঁলোকে নিজে লিখি বা কি সাহিত্যৰ জ্ঞানকে লাভ কৰিব ? কিন্তু দেশ, কাল আৰু পাত্ৰ অনুসাৰে কাম কৰি গলে সময়ত তাৰ দ্বাৰাই বহুত সৎকাম হৈ উঠে। সৰু ল'ৰাই ডাঙৰ উপন্যাস লিখিব, বৈজ্ঞানিক প্ৰবন্ধ ৰচিব নাইবা মহৎ গ্ৰন্থ লিখিব নোৱাৰে সচাঁ। কিন্তু তেওঁবিলাকে সততে শুনি ভালপোৱা সাধুকথা, ৰং ধেমালিৰ কথা নাইবা গাই ফুৰা নানা প্ৰকাৰৰ গীতখিনিকে পৰিমাৰ্জ্জিত



ভাষাত লিখি উলিয়াব পাৰে। আৰু তাকেই ভালদৰে সজাই সময়ত সুশ্ৰাব্য কথা-সাহিত্য আদিত পৰিণত কৰিব পাৰে। উপৰুক্ত সাধু কথাৰ চলতে কিছুমান ভাল ভাল নীতি-কথা শিকিব আৰু শিকাব পাৰে। ইয়াৰ দ্বাৰাই বহু সময়ত সামাজিক ভাব, সমাজৰ বা দেশৰ ৰীতি-নীতিও অনুসৰণ কৰা যায়। এই খিনিতে ইংৰাজী কিতাপত পঢ়া—"Little drops of water, little grains of sand, Make the mighty ocean and the pleasant land" কথাটি মনত পৰে। ঠিক এই একে কথাকে 'পিপৰাই পৰ্ব্বত খহায়,' আৰু "অল্পানামপি বস্তুনাং সংহতি কাৰ্য্যসাধিকা। তৃণৈ গুৰ্ণত্ব মাপন্নৈ ৰ্বধ্যন্তে মত্তদন্তিনঃ॥" আদি সকলো ৰকমৰ নীতি বচনে প্ৰমাণ কৰে যে অতি ক্ষুদ্ৰ আৰু অতি তুচ্ছ পদাৰ্থয়ো সময়ত অতি মহতী শক্তি ধাৰণ কৰি অভাবনীয় আৰু অতুলনীয় ফল প্ৰদান কৰে। গতিকে আমাৰ অকণ অকণ ল'ৰা-ছোৱালীহঁতৰ সৰুকালৰ নগণ্য সাধুকথা, গৰখীয়া গীত আদিয়েও যে সময়ত সুফল প্ৰদান নকৰিব এনে আশঙ্কা কৰিবৰ কোনো প্ৰয়োজন নাই।

তাৰ উপৰিও—অপাততঃ অকিঞ্চিৎকৰ হলেও পৰ কালত অতি সুফল প্ৰদায়ক—এই লিখাখিনিৰ পৰা লৰা-ছোৱালীহঁতৰ দ্বাৰা এটি সুমহদনুষ্ঠান প্ৰৱৰ্ত্তিত কৰাব পাৰি আৰু তাৰ ফলো অনেক ধৰে। তেওঁবিলাকে লিখা সাধুকথা আদিয়েই হ'ক নাইবা অইন সদ্‌গ্ৰন্থৰ অনুবাদেই হ'ক বা অইন কোনো প্ৰবন্ধই হ'ক—সেই সকলোখিনিকে গাগটনীয়াকৈ নিজ নিজ হাতত জমা নেৰাখি উমৈহতীয়া কৰি ললেই ই সেই সুফলদায়ক হৈ উঠে। যেয়ে যি প্ৰবন্ধ নাইবা কথা আদি লিখে সেই সকলোখিনিকে সকলোটিয়ে মিলি আৱশ্যকীয় সংশোধন কৰি ভাল আখৰেৰে পৰিপাটিকৈ লিখি ৰাখিলে সেয়ে সেই সমষ্টিৰ সকলোটিৰে মনৰ ভাব কাকতে-কলমে আদান প্ৰদান কৰিবৰ আহিলা হৈ উঠে। তাৰ দ্বাৰা অকল লিখক কেইজনৰেইহে যে উপকাৰ হয় এনে নহয়, ই আৰু অইন সমনীয়া আদিৰো মনত আনন্দ হেপাহ, আগ্ৰহ, উৎসাহ আৰু প্ৰতিযোগিতা আদি সদভাব সমূহৰ উৎপত্তি কৰে। আনকি এনেবোৰ কাৰ্য্যৰ দ্বাৰা (এক ভাবে দেখাত অলপ বেয়া হলেও, এক ভাবে মহৎ কাৰ্য্য সাধন কৰা) অৱিয়া-অৰি ভাব ওপজাই ক্ৰমে এইবোৰৰ উৎকৰ্ষৰ বৃদ্ধি পায়, আৰু মনৰ দৃঢ়সঙ্কল্প, ভাবৰ মধুৰতা, আৰু ভাষাৰ অমায়িকতা বাঢ়িব ধৰে। তেতিয়াই কোনোৱে গম নোপোৱাকৈয়েই সাহিত্যৰ অশেষ কাৰ্য্য সাধন কৰে, সাহিত্যদেৱী বাগধিষ্ঠাত্ৰী বাগবাদিনীৰ শ্ৰীচৰণপঙ্কজত সৰ্ব্বান্তঃকৰণৰ সৰল প্ৰণতি নিবেদন কৰে।

লৰাৰ লৰালি নাইবা আমোদ প্ৰমোদৰ চলতো যেতিয়া অজ্ঞাতসাৰে ইমানখিনি কাৰ্য্য হৈ উঠে, তেন্তে সাহিত্যসভা আদি মহৎ অনুষ্ঠানবোৰৰ পৰা যে অশেষ কাৰ্য্য সাধিত হব পাৰে তাত সন্দেহৰ লেশ মাত্ৰও নাই। মাত্ৰ লাগে প্ৰবল ইচ্ছা, নেৰানেপেৰা চেষ্টা, সৎসাহস আৰু সৎকৰ্ম্ম। সুপথ প্ৰদৰ্শক অনুষ্ঠাতা আৰু অকপট পৃষ্ঠপোষকাদি। ইচ্ছা কৰিলে আৰু ধন ভঁড়াল টনকিয়াল হোৱা হলে এনে সভা সমিতিবোৰে এনে ধৰণৰ সাময়িক ( periodical ) কাকত পত্ৰ ছপা কৰিও দেশ বিদেশত, নগৰ চহৰত, গাঁও-ভূঁইত প্ৰচাৰ কৰিব পাৰে। আৰু তাকে কৰিব লাগেও। তাৰ দ্বাৰা ( আমাৰ ) সাহিত্যৰ অপৰ্য্যাপ্ত কাৰ্য্য সাধন হব।

এই হল ভাষা বা সাহিত্য বিষয়ক ব্যক্তিগত অভিজ্ঞতা লাভ কৰা বা শিক্ষাৰ কথা। কিন্তু ভাষা বা সাহিত্য বিষয়ে কৰিব লগীয়া কাৰ্য্যৰ ওৰ ইয়াতেই পেলাব নোৱাৰি। তাৰ বাবে কৰিব লগীয়া কাৰ্য্য অশেষ। বিশেষতঃ এই ভাষা আৰু সাহিত্য গাঁৱে ভূঁয়ে চহৰে বন্দৰে, দেশে বিদেশে যাতে সুপ্ৰচলিত হয় তাৰ বাবে অহোপুৰুষাৰ্থ কৰিব লাগে। তেতিয়াহে ই সবল হবৰ সুযোগ পায়। দুই এক প্ৰবন্ধ বা বৰ বেচি দুই এখন পুথি লিখাতে ইয়াক আবদ্ধ কৰি ৰাখিব নেলাগে। পাৰ্য্যমানে সকলো বিষয়তে সকলো পিনে ইয়াৰ প্ৰচলন কৰিব লাগে। শিক্ষাৰ্থীসকলৰ শিক্ষাৰ সময়ত এই বিষয়ে অৱশ্যে সম্পূৰ্ণ একাণপটীয়া হবলৈ কব নোৱাৰি;

যিহেতু শিক্ষাৰ সময়ত নানা দেশ বিদেশৰ নানাপ্ৰকাৰ ভাব আৰু ভাষা, সাহিত্য আৰু কবিতা, বিজ্ঞান আৰু তৰ্ক আদি বিবিধ প্ৰকাৰে জ্ঞান লভিব লগীয়া হয়। সেইবাবে ওপৰত উল্লেখ কৰা কথাখিনি শিক্ষাৰ্থীসকলে সততে একমনে মুঠি মাৰি ধৰি চলা টান হয়। কিন্তু সেই বুলি বন্ধু বান্ধৱৰ লগত নিজৰ বৈষয়িক নাইবা দৈনন্দিন কথা পাতোঁতে নাইবা বাপেক ভায়েকলৈ চিঠি লিখোঁতেও অইন ভাষা ব্যৱহাৰ কৰাটো নিজৰ নিজত্ববিহীন কথা যেন হে লাগে! ইয়াত গৌৰৱ নাই বৰং গৰিহণাহে। শুনিবলৈ বেয়া হলেও সত্য কথা কবৰ মন যে বৰ্ত্তমান সময়ত কিছুমান শিক্ষিত লোকৰ মুখতো এনে কথা শুনা যায় যে মোৰ father আজি ঘৰত নাই, আজি মোৰ sister ৰ marriage, Brother কালিলৈ গোহাটীলৈ যাব, mother এ মোক বৰ মৰম কৰে, ইত্যাদি ইত্যাদি। তেখেত সকলৰ এনে ধৰণৰ পৰা ইয়াক সহজে অনুমান কৰিব পাৰি যে ইয়াতো তেখেতসকলে আই বোপাই বাই ভণী আদি আমাৰ নিজা শব্দবোৰতকৈ বৈদেশিক father, mother brother, sistor আদি শব্দবোৰত বেচি মধুৰতা পায় নতুবা তেখেত-সকলে ক্ৰমান্বয়ে নিজৰ মাতৃভাষাক অৱহেলা কৰি তাৰ ঠাইত লাহে লাহে বিদেশী ভাষাৰ প্ৰচলন কৰিবৰ চেষ্টা কৰিছে, নাইবা এটা নতুন ধৰণৰ সানমিহলি ভাষাৰ সৃষ্টি কৰিবৰ মন কৰিছে। আৰু সিও নহলে কোনো ভাষা বা সাহিত্যৰ প্ৰতি আসক্তি নেদেখুৱাই যেনি পায় তেনি মনৰ ভাব প্ৰকাশ কৰিবৰ চেষ্টা কৰিছে। আৰু সিও নোহোৱা এক শ্ৰেণী মানুহৰ মুখত এনে সংমিশ্ৰিত ভাষা শুনিলে স্পষ্টকৈ অনুমান কৰিব পাৰি যে তেওঁলোকে এনে ধৰণৰ ভাষাৰে নিজক দেশ বিদেশত ভ্ৰমন কৰি নানা প্ৰকাৰৰ ভাষা শিকা বৰ সভ্য ভব্য লোক বোলাই কিতাহি মাৰিব খুজিছে, নাইবা আন কথাত কব নাগিলে নিজৰ অজ্ঞতা প্ৰকাশ কৰিছে। সিবোৰ যি হক এই শ্ৰেণীৰ মানুহৰ পৰা কোনো ভাষাৰে কিবা অলপমানো উপকাৰ সাধিত হব বুলি আশা কৰিব নোৱাৰি। বৰং এনে লোকৰ পৰা ভাষাৰ দুৰ্ব্বলতা আদি অনিষ্টহে আশঙ্কা হয়। মিশ্ৰিত ভাষাত কথা কওঁতে সিবিলাকে নিজ ভাষাৰ আৱশ্যকীয় জোৰৰ বা মধুৰতা থকা শব্দলৈ আওকাণ কৰা বুলি সহজে অনুমান হয়। কিন্তু তাকে নকৰি আপোন ভাষাত অলপ ভাবি চিন্তি হলেও সেই সেই ঠাইত উপযুক্ত শব্দ ব্যৱহাৰ কৰিলে ভাষাৰ হয়ে বহুত কাৰ্য্য কৰা হয়। লগতে উপযুক্ত শব্দৰ প্ৰয়োগ প্ৰচলনো কৰা হয়, যাৰ দ্বাৰা ভাষা আৰু সাহিত্যৰো তেজ বাঢ়ি আহে।

এইখিনিতে ইয়াকো উল্লেখ নকৰি নোৱাৰি যে আৱশ্যক অনুসাৰে বিদেশী ভাষা বা ভাবও—প্ৰমাণাদি স্বৰূপে নিজৰ কথাৰ মাজত প্ৰকাশ কৰিবৰ দৰকাৰ হয়। তেনে স্থলত সেই বিধৰ ভাব ভাষাই কোনো দুৰ্গুণ প্ৰকাশ নকৰি কথাক বা লিখকৰ বিশিষ্টতাহে দেখুৱায়। স্থান বিশেষে উৎকৰ্ষহে সাধন কৰে, পাণ্ডিত্য প্ৰকাশ কৰে। তেতিয়া এই ধৰণৰ কথা বা লিখাই ভাষা আৰু সাহিত্যৰ বিশেষ উপকাৰ কৰে। ই বৰ বিশেষ বিবেচনাৰ কথা। কিন্তু বাপেক-মাহঁতলৈ চিঠি লিখাত, নাইবা ভায়ে ভায়ে ঘৰুৱা কথা পাতোতে বিশেষ কোনো কাৰণ নেথাকিলে মিশ্ৰ ভাষা ব্যৱহাৰ কৰাটো নিতান্ত গৰ্হিত আৰু অতি নীতিবিগৰ্হিত। এনে স্থলৰতো কথাই নাই, য'ত সম্ভৱপৰ হয় তেনে স্থলত বিদেশী বিজাতীয়ৰ লগতো নিজ ভাষা ব্যৱহাৰ কৰাটোহে নাইবা তেনে কৰিবলৈ চেষ্টা কৰাহে বুধিয়কৰ কাম। তেতিয়া নিজৰ ভাষা বা সাহিত্যৰ প্ৰতি কাৰ কিমান অনুৰাগ সাহিত্য সেৱাত কাৰ কিমান একাগ্ৰচিত্ত ইত্যাদি বুজা যায়। কেতিয়াবা এনে কাৰ্য্যাই আদৰ্শ স্থান লাভ কৰি অশেষ কল্যাণ সাধন কৰে। নিজৰ নিজত্ব এৰি নিদি আত্মমৰ্য্যাদা সততে অক্ষুণ্ণ ৰাখি অইনকো নিজ পক্ষৰ কৰীয়া কৰাহে বুধিয়কৰ কাৰ্য্য, তাতেহে বিশেষ কৃতিত্ব। আৰু তাৰ বিপৰীত হোৱাটোৱেই আত্মকলঙ্ক। কালক্ৰমে সেয়েই কুল কলঙ্কত পৰিণত হোৱাও বিচিত্ৰ নহয়।

আমাৰ অসমীয়া ভাষাত এতিয়ালৈকে যথেষ্ট



পৰিমাণে সকলো বিষয়ৰে কিতাপ হোৱা নাই, যদিও দুই চাৰি খনকৈ আছে বুলিব পাৰি। ধৰ্ম্মনীতি-অৰ্থনীতি জ্ঞান-বিজ্ঞান সকলো বিষয়ৰে সকলো ৰকমৰ পুথি থাকিব লাগে। যি যেতিয়া যি ধৰণৰ পুথি চাব বা পঢ়িব খোজে সেয়ে সেই ধৰণৰে পাব লাগে। নেপালেই মনৰ হেঁপাহ পূৰাবলৈ অইনৰ ওচৰত হাত পাতিব লগা হয়। সেই সময়ত এটা অপূৰণীয় আৰু অভাৱণীয় অভাৱ অনুভৱ কৰা যায়। আৰু সেই অৱস্থাতেই আমাৰ ইমান অভাৱ দেখি বহুতৰে মনত আমাৰ ভাষা আৰু সাহিত্যৰো প্ৰতি অশ্ৰদ্ধা ওপজে। সেই গুণেই নিজৰ অভাৱ দূৰ কৰিব নোৱাৰি বা ইচ্ছা নকৰি আনৰ ওচৰত নিজৰ আত্মশক্তি বিসৰ্জ্জন দিয়ে আৰু তাৰ দ্বাৰাই আপোন আপোন গাইগুটীয়া অভাৱখিনি পূৰণ কৰি লয়। কিন্তু সেই সকলৰ এইখিনি অলপ গমি চোৱা নিতান্ত উচিত যে এইদৰে কাণে কাণসাৰ মাৰি কোনো মতে নিজৰ ব্যক্তিগত উদ্দেশ্য সাধন কৰি গলেও—নিজৰ আৱশ্যকীয় জ্ঞান উপাৰ্জ্জন হলেও নিজৰ ভাষাৰ বা সাহিত্যৰ যি এটা অভাৱ দেখি আনৰ ওচৰত হাত পাতিব লগা হৈছিল, সেই অভাৱ পূৰণৰ বাবে অলপমানো কাৰ্য্য কৰা নহল, নাইবা এই অভাৱক বিশেষ প্ৰশ্ৰয় দিয়াহে হল যাতে এই অভাৱ নিৰাপদে চিৰদিনলৈ সুখ শান্তিৰে থাকিব পাৰে তাৰ পথ পৰিস্কাৰ কৰি দিয়া হল। যদি নিজে আৱশ্যকীয় জ্ঞান আনৰ পৰাই হক বা যি উপায়েই হক, উপাৰ্জ্জন কৰি সেই অভাৱ পূৰণৰ বাবে অলপো (আন নহলে নিজৰ শক্তি অনুসাৰেও) চেষ্টা নকৰে। আমাৰ অগ্ৰণী সকলৰ বহুতেই এইদৰে কাণে কাণ সাৰি যোৱাৰ বাবেই বহুকালৰ পৰা আমাৰ এই অভাৱ স্থায়ী হৈয়েই আহিছে। আৰু এইদৰে হৈ থাকিলে এই ভাব চিৰদিনলৈ নিগাজী হৈ থাকিবও। কিন্তু বৰ সৌভাগ্যৰ কথা যে এইখিনি সময়ত অসমীয়াৰ কেইবা গৰাকীও লিখকে এই অভাৱ পূৰণৰ বাবে লাগি পৰি চেষ্টা কৰিব ধৰিছে;—নানা বিষয়ৰ বিবিধ কিতাপ লিখিবৰ চেষ্টা কৰিছে। ই অতি আনন্দৰ কথা।

আমাৰ এই বহুদিনৰ পৰা চলি অহা অভাৱ পূৰণৰ বাবে নানা প্ৰকাৰে চেষ্টা কৰিব লগীয়া হৈছে। এই উদ্দেশ্যে ধৰ্ম্ম পুথি, কৰ্ম্ম পদ্ধতি, নাটক-উপন্যাস জ্ঞান, বিজ্ঞান, গান-বাজনা ৰং ৰহস্য আদি সকলো বিষয়ৰে পুথি প্ৰচুৰ পৰিমাণে লিখাৰ বৰ দৰ্কাৰ হৈ পৰিছে। আন নহলেও আমাৰ দেশৰ ভিতৰত যেয়ে যি বিষয়ৰে খোজে তাকে সেই বিষয়ৰ পুথি দিবলৈ চেষ্টা কৰাটো আমাৰ ভাষা প্ৰচলনৰ বাবে দেশৰ জ্ঞানী সুধী সকলৰ প্ৰধান কৰ্ত্তব্য। কিয়নো যি সকল জ্ঞানী পুৰুষে নিজ নিজ জ্ঞানৰ প্ৰতিভা দেশবাসী সমূহ ভাতৃ সকলৰ ওচৰত নিজে কথাৰে ইমান সহজে দেখুৱাব নোৱাৰে, কিতাপৰ সহায়ত তেখেতসকলে সেই কাৰ্য্য যিমান সহজে সম্পন্ন কৰিব পাৰে। গতিকে স্বোপাৰ্জ্জিত জ্ঞানৰ বিষয়ে অন্ততঃ দুই চাৰিখন পুথি লিখি দেশভাতৃ সকলক তেখেতসকলৰ আৰ্জ্জিত জ্ঞান উপভোগ কৰিব দিয়া বৰ বাঞ্ছনীয়। ইয়াকে নকৰি বহি থাকিলে তেখেতসকলক (নিজৰ বস্তু যথেষ্ট পৰিমাণে থকা স্বত্বেও) কৃপণ বুলিলেও বেজাৰ পালে নৰজিব।

অদূৰ ভবিষ্যতে বিশ্ববিদ্যালয়ৰ শিক্ষাও মাতৃভাষাৰ সহায়তহে দিবৰ ব্যৱস্থা হব বুলি কথা ওলাইছে। সেয়ে হলে তেতিয়া যে স্কুল কলেজত পঢ়িবলৈও কিছুমান বিষয়ৰ অসমীয়া কিতাপৰ অভাৱ নহব এনে নহয়। গতিকে সুধীসকলে অলোচনা কৰি তাৰ বাবেও সকলো প্ৰকাৰৰ আৱশ্যকীয় কিতাপ লিখাৰ কাম হাতত লোৱা বাঞ্ছণীয়। সময়ৰ মূৰত অভাৱ উপস্থিত হলে তেতিয়া নিশ্চয় আনৰ ওচৰত হাত পাতিবলৈ বাধ্য হব লাগিব। গতিকে এতিয়াৰ পৰাই সতৰ্ক হোৱা ভাল।

যি বিষয়ত নিজে গ্ৰন্থ ৰচনা কৰি অভাৱ পূৰণ কৰিব পৰা নেযায়, সেই অভাৱ পূৰণ কৰিবৰো (অন্ততঃ কিছু দিনলৈ) এটা সহজ উপায় আছে। আন ভাষাৰ পৰা অনুবাদ কৰি নিজৰ ভাষালৈ আনিলেও তাৰ দ্বাৰা বহুত উপকাৰ হয়। ভাল অনুবাদক হলে অনুবাদতো নিজৰ পাণ্ডিত্য যথেষ্ট দেখুৱাব পাৰে। প্ৰাচ্য-সাহিত্যৰ

জ্ঞান সমুদ্ৰ সংস্কৃত গ্ৰন্থ সমূহৰ অসমীয়া অনুবাদ নথকাৰ বাবে বৰ দুখ লাগে। আৰু তাৰ অনুবাদ হলেও অসমীয়া সাহিত্যৰ এটি প্ৰধানতম অঙ্গ হৈ উঠিব। সেইদৰেই অইন অইন ভাষাৰ সদগ্ৰন্থৰ অসমীয়া অনুবাদ কৰি অসমীয়া সাহিত্য ভঁৰালৰ পুষ্টি সাধন কৰা বৰ প্ৰয়োজন।

এইদৰে আমাৰ ভাষাতো নানা বিষয়ৰ বিবিধ গ্ৰন্থ লিখিব লাগে. আৰু পাৰিলে বিনামূল্যত নাইবা কম মূল্যতে সেই পুস্তক প্ৰবন্ধাদি ছপাই দূৰ দেশ আৰু আপোনাৰ ওচৰ কাষৰ ঠাইতো বিতৰণ কৰিব লাগে। এইবোৰ কেৱল নিজৰ ঠাইতে আবদ্ধ থাকিলেই নহয়। নিজে নিজক ডাঙৰ মানুহ বুলিয়েই ডাঙৰ মানুহ হব নোৱাৰে বা হলেও তাত অকণো গৌৰৱ নাই। আনে ডাঙৰ মানুহ বুলি স্বীকাৰ কৰিলেহে বৰ লোক, তেতিয়াহে যথেষ্ট আদৰ-সন্মান লাভ হয়। ফুল ফুলি থাকিলেই তাত মৌ থকা বুলি কোনে জানে? কিন্তু যেতিয়া ভোন্ ভোন্ কৰি উৰি আহি ভোমোৰা তাত পৰি মৌ চুহিবলৈ ধৰে তেতিয়া আৰু তাত পুষ্পৰস থকা বুলি বুজিবলৈ অলপো বাকী নথাকে। এইদৰে আমাৰ সাহিত্য আদি গ্ৰন্থ সমূহৰো আস্বাদ যেতিয়া দূৰ-দূৰান্তৰৰ সভ্য সমাজে বুজিব পাৰিব, যেতিয়া তালৈ সকলো সভ্যসমাজৰে সমাদৰ আৰু আগ্ৰহ উপজিব, যেতিয়া বিশ্ব-সাহিত্যৰ শাৰীত আমাৰ সাহিত্য-ৰাণীকো এখনি বিমল আসনত বহুৱাব, তেতিয়াহে বুজিব পৰা যাব যে আমাৰ সাহিত্যও নিশ্চয় উন্নত হৈছে—বিশ্বসাহিত্যৰ অঙ্গস্বৰূপে পৰিগণিত হৈছে,—সভ্যসমাজৰ সমাদৰ লাভ কৰিব আৰু চিত্ত চমৎকৃত কৰিব পাৰিছে।

আৰু এটা কথা—'অচিন কাঠৰ খোৰা লগোৱাও বেয়া" এই-নীতিবচন সকলোৰে সুবিদিত। সেইবাবেই জ্ঞানীসকলে নতুন কিবা কাম কৰিব লাগিলেই তাৰ আতি-গুৰি বিচাৰ-খোচাৰ কৰি সকলো কথা জানিহে কামত হাত দিয়ে। কেতিয়াবা নিম্নৰ পূৰ্ব্বৰ অপৰিচিত বস্তু কাৰ্য্যত প্ৰয়োগ কৰিব লগা হলে তাৰ আতিগুৰি জনা বিশ্বাসী জনৰ বিশ্বাস্য কথাত নিৰ্ভৰ কৰিহে তাক প্ৰয়োগ কৰে। আমাৰ সাহিত্যৰ পক্ষেও এই কথাই; দূৰ-দূৰান্তৰৰ মানুহে আমাৰ ভাষাৰ (সাহিত্যাদি) পুথি ধন ভগন কৰি কিনি পঢ়িব লাগে বুলি মন নকৰা মানুহ নিচেই কম নহয়। কিয়নো আমাৰ ভাষা আৰু সাহিত্য এতিয়াও দেশ-বিদেশত বিয়পি পৰা নাই। নাইবা সৰ্ব্বজন সমাদৃত হোৱা নাই—সকলোৰে জুচকুত সুপৰিচিত হোৱা নাই। কাজেই ইয়াক দূৰ-দূৰান্তৰ দেশ-বিদেশত চিনাই দিব লাগিব, তাৰ সমাদৰ লাভ কৰাব লাগিব। নতিকে অৰ্থব্যয় কৰি সহজে আমাৰ অচিনাকি ভাষাৰ কিতাপ কিনিবৰ মন নকৰিব।

আৰু এটা কথালৈ মন কৰিব লাগে যে 'যাচি দিলে সোণৰো মূল্য নাই; কিন্তু এই কথা ফাকি একেবাৰে সত্য বুলি ধৰিব নোৱাৰি। কিয়নো অভাৱ-গ্ৰস্তৰ পক্ষে দুৰ্দ্দিনত সোণকো অলপীয়া ধনতে দিব লগা হলেও, সুদিনত আৰু সৌভাগ্যবানৰ পক্ষে তাৰ মূল্য অতুত। সেইদৰে আমাৰ ভাষা আৰু সাহিত্যও কিছুমানৰ পক্ষে বহুমূলীয়া যেন নহলেও শিক্ষিত সমাজৰ যে আদৰ আৰু সহানুভূতি লাভ কৰিব তাত সন্দেহ নাই। তেনে হোৱা হলে মুখ্যমান শিক্ষিত সকলৰ সহানুভূতি আৰু পৃষ্ঠপোষকতাৰ গুণেহে সেই সেই সমাজৰ অন্যতম স্থানতো আদৰ লাভ কৰিব পাৰিব। এইখিনি পৰ্য্যন্ত কিন্তু আমাৰ সাহিত্য সহজে সুলভে বিতৰণ কৰাৰ দৰকাৰ। আন পক্ষে এই নিচিনা নিঃকিন দেশৰ মানুহে (গ্ৰন্থকাৰেই হওক বা প্ৰকাশকেই হওক) বিনা মূল্যত নাইবা অলপ আয় নোহোৱাকৈ—আন নহলেও দৈনিক মজুৰিখিনি নোপোৱাকৈ কিতাপ লিখি বা প্ৰকাশ কৰি বিতৰণ কৰা এজনৰ পক্ষে সম্ভৱপৰ নহয়. যদি তেওঁৰ আন আৰুকৰ ব্যৱসায় নেথাকি এয়ে মাত্ৰ ব্যৱসায় হয়। গতিকে এনেবোৰ কাৰ্য্যত প্ৰচুৰ পৰিমাণে স্বাৰ্থত্যাগ কৰিব পৰা মানুহৰ দৰকাৰ। এনে ব্যৱসায়ীৰ আৱশ্যক যি এই পিনে এইখিনি ত্যাগ স্বীকাৰ



কৰিও আন কোনো পিনে ইয়াৰ লোকচান খিনি পূৰণ কৰিব পাৰে। তদুপৰি আন এটা উপায়েৰেও এই কাম কিছুপৰিমাণে সহজসাধ্য কৰিব পাৰি।

আমাৰ দেশত ধন-ভগন কৰি সহায় কৰোতা মানুহ নিচেই কম, সঁচা কথা কবলৈ গলে যথেষ্ট পৰিমাণে অৰ্থ-সাহায্য কৰিব পৰা সামৰ্থ্যও বহুতৰে নাই। কাজে এজনৰ দ্বাৰা এনে ব্যয়বহুল কাম হৈ উঠা বৰ টান। কিন্তু অলপ-অলপকৈ হলেও উদ্যমহতীয়া সহায় সহানুভূতিত এনেবোৰ কাৰ্য্য কিছু পৰিমাণে সুসাধ্য হয়। মন কৰিলে আমাৰ দেশত প্ৰতিষ্ঠিত সভা-সমিতিবোৰে একেবাৰে বহুত নহলেও লাহে লাহে এনে কাৰ্য্য কৰি তুলিব পাৰে। এই উদ্যমহতীয়া অনুষ্ঠানবোৰৰ সদিচ্ছাৰ ফলতেই আমি 'অসম সাহিত্য সন্মিলন'ৰ মুখপত্ৰ 'অসম সাহিত্য সভা পত্ৰিকা' আৰু 'অসম ছাত্ৰ সন্মিলন' আৰু 'অসম মুছলমান ছাত্ৰ সন্মিলনৰ' মুখপত্ৰ ক্ৰমে 'মিলন' আৰু 'সাধনা' পঢ়িবলৈ পাইছিলোঁ। আৰু অইন অইন ঠাইতো সেইবোৰ প্ৰচলিত হব পাৰিছিল। উদ্যমহতীয়া অনুষ্ঠানৰ পৰা প্ৰকাশ নোহোৱা হলে এই কাকত তিনিখনৰ প্ৰচলন নহলহেতেন। আজিকালি সভা-সমিতিবোৰে দুই চাৰি খন ভাল জ্ঞানী গ্ৰন্থকাৰৰ কিতাপ প্ৰকাশ কৰিবলৈ হাত লৈ আমাৰ সাহিত্যৰ উপকাৰ সাধন কৰা বাবে আৰু সেই সেই অনুষ্ঠানবোৰক আৰু সেই কাৰ্য্যৰ বাবে মন মেলোঁতা সদাশয় ব্যক্তি বিশেষক আমাৰ হৃদয়ৰ অন্তৰতম স্থানৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ; আৰু সেই সকলৰ যত্নত অদূৰ-ভবিষ্যতত এই বিষয়ে আৰু বিশেষ কাৰ্য্য সম্পন্ন হব বুলি আশান্বিত হৈছোঁ। ইয়াৰ উপৰিও নিজৰ আৰ্থিক ত্যাগ আৰু শাৰীৰিক কষ্ট স্বীকাৰ কৰিও এই সাহিত্যৰ প্ৰবৰ্ত্তন আৰু প্ৰচাৰৰ উদ্দেশ্যে যি অলপমানো কাম কৰিছে তেখেত সকলকো আমাৰ সৰল ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ।

কিতাপ প্ৰবন্ধাদি লিখি বা ছপাই বাকচত ভৰাই থলে, কেৱল পইচা লাভৰ নিমিত্তে বিক্ৰী কৰিলে নাইবা বিনামূল্যত বিতৰণ কৰিলেও সৰ্ব্বাঙ্গসুন্দৰ সাহিত্য সেৱা কৰা নহয়। তাৰ বাবে কৰিব লাগে পঢ়ুৱাই সংগ্ৰহ আৰু পাঠকৰ মন আকৰ্ষণ। দেশে-বিদেশে যাতে কাকত-পত্ৰ আৰু কিতাপ আদিৰ অলেখ পঢ়ুৱাই হয় তাৰ বাবে মন কৰিব লাগে। সেই বাবেইহে আগেয়ে উল্লেখ কৰি অহা হৈছে যে অন্ততঃ কিছুমান কিতাপ পত্ৰ বিনামূল্যত নহলেও কম মূল্যত বিতৰণ কৰিব লাগে, যাতে বহুতে আগ্ৰহেৰে নি পঢ়ে। আৰু এই উদ্দেশ্যেই দেশ-বিদেশৰ পাঠাগাৰাদি ৰাজহুৱা অনুষ্ঠান বোৰলৈ বিনামূল্যত হলেও এনেবোৰ দিয়া নিতান্ত উচিত।

পাঠক-সংগ্ৰহৰ সহজ সৰঞ্জাম পাঠাগাৰ। এই খিনিত পাঠাগাৰ শব্দৰ দ্বাৰা বিদ্যালয় (school) আৰু পুস্তকাগাৰ (library) এই দুয়োটাকে বুজোৱা হৈছে। এই দুয়ো শ্ৰেণী পাঠাগাৰৰ মাজত এই খিনিয়েই মাত্ৰ তাৰতম্য যে আগৰ বিধ পাঠাগাৰত কিছুমান কিতাপ-পত্ৰৰ পঢ়া বাধ্যতামূলক আৰু পিচৰ বিধত সেয়ে ইচ্ছামূলক। ইয়াত যেয়ে যি ইচ্ছা কৰে বা ভাল পায় মুকলীমূৰীয়া ভাৱে সেয়ে তাকেই পঢ়িব পাৰে। কাজেই এই বিধৰ পাঠাগাৰ আগৰ বিধতকৈ বেচি উপাদেয় আৰু কাৰ্য্যকৰী। কিন্তু এই বিধ পাঠাগাৰৰ অনুষ্ঠাতা বিৰল আৰু ইয়াৰ অনুষ্ঠান অতি দুঃসাধ্য। কিন্তু বিদ্যালয়ৰ অনুষ্ঠানত ইয়াতকৈ বেচি পৰিমাণে ৰাজকীয় সহায় পোৱা যায়, যদিও সি সততে যথেষ্ট কাৰ্য্য-কৰী নহয়। কিয়নো তাত পঢ়োঁতাৰ ইচ্ছা বা ৰাপ নেথাকিলেও শিক্ষক নাইবা অভিভাৱকৰ বাধ্য হৈ নিজৰ ইচ্ছাৰ বিৰুদ্ধেও কিছুমান পঢ়িব লগীয়া হয়। কাজেই ইয়াৰ ফল 'দণ্ডিত বান্দৰ নাচিলে শোভা নেপায় আৰু ৰং মনেৰে ইচ্ছা কৰি নাচিলে হাতীৰ নাচনতো লয় ওলায়'ৰ দৰেহে হয়। সততে দেখিবলৈ পোৱা যায় যে ইচ্ছা কৰি যি কাম কৰা যায় তাতেহে সুফল-কৃতকাৰ্য্যতা লাভ হয়, আৰু তাৰ দ্বাৰাই নিজৰ আৰু পৰৰো উপকাৰ সাধন হয়।

আমাৰ মাজত এটা কথা চলিত আছে—'দেখা দেখিত ধৰ্ম্ম, আৰু শিকা-শিকিত কৰ্ম্ম' বুলি। কাৰবাৰ পোনতে কোনো এবিধ কাৰ্য্যলৈ ইচ্ছা নহলেও যেতিয়া সকলোৱে (নহলেও বেচি ভাগে) তাকে কৰা দেখে তেতিয়া তেৱোঁ তাকে কৰিবলৈ নিজে বাধ্য হয়; আনে কবই নেলাগে। যেতিয়া দুই চাৰি জন বন্ধু-বান্ধৱ মিলি পাঠাগাৰত সোমায় আৰু এজনে বা দুজনে কাকত পত্ৰ নাইবা কোনো ৰকমৰ কিতাপকে মন পুতি পঢ়িব ধৰে তেতিয়া বাকী কেইজনেও আন নহলেও তেওঁলোকৰ সমনীয়াৰ লগত অসম নহবৰ অভিপ্ৰায়েই প্ৰথমতে মন-পুতি নপঢ়িলেও অন্ততঃ দুই চাৰিখন কাকত-পত্ৰ নাইবা কিতাপ লৰা-চৰা কৰিব। এনে কৰোঁতেই লাহে লাহে চকু ফুৰাবলৈ, অলপ ভাল দৰে চাবলৈ আৰু শেহত মন পুতি পঢ়িবলৈ মনৰ একান্ত আগ্ৰহ ওপজে। তাৰ ফলতেই আনৰ বাধ্য-বাধকতাত নপৰাকৈয়ে নিজে নিজেই নিজৰ জ্ঞানপথ মুকলি কৰিব পৰা হবলৈ সুবিধা পায়। কিয়নো যেতিয়া তেওঁলোকৰ ভিতৰৰে পৰা বন্ধু কেইজনে নতুন কিবা খবৰ, উপদেশ নাইবা জ্ঞান-বিজ্ঞানাদিৰ কথা কব, তেতিয়া বাকী কেইজনেও তেওঁলোকৰ বন্ধুসকলৰ লগত সমভাৱ ৰাখিবলৈ নিজেও তেনে বাতৰি বা নতুন কথা উল্লেখ কৰিবৰ বাবে পঢ়িব লগীয়া হয়। নহলে যে নিজে লাজত পৰিব বা নিজ মুখেৰে নহলেও কাজত নিজৰ হীনতা স্বীকাৰ কৰিব লাগিব। কিন্তু সমনীয়াৰ লগত নিজৰ হীনতা ৰাখি থোৱা আকাঙ্ক্ষিত নহয়। এই দৰে পাঠাগাৰৰ পৰাও সাহিত্য আৰু শিক্ষাৰ যথেষ্ট উপকাৰ হয়। যেতিয়া এনে সদনুষ্ঠান দেশৰ চহৰে-বন্দৰে গাঁৱে ভূঁয়ে বাহিৰে-ভিতৰে স্থাপিত হয়, সাহিত্যৰ অশেষ পূজা কৰা হয়, শিক্ষাৰ অতুলনীয় প্ৰভাৱ বিস্তাৰ হয়, লগে লগে সমাজৰো অশেষ মঙ্গল সাধিত হয়। কাজেই দেশৰ সকলো পিনে এই ধৰণৰ পাঠাগাৰ স্থাপন কৰা নিতান্ত উচিত;—যিহেতু এই পাঠাগাৰেই সাহিত্য সেৱা আৰু শিক্ষাৰ প্ৰধান অঙ্গ।

[মাননীয় সভ্য মহোদয়সকল! আৰু বেচি কথাৰে আপোনালোকৰ মনত বিৰক্তি দিবৰ ইচ্ছা নাই। অলপমান কথা উল্লেখ কৰি মোৰ এই অকিঞ্চিৎকৰ কথাৰ সামৰণি পেলাই আপোনালোকৰ পৰা ক্ষমা খুজিম।]

সাহিত্যই হওক বা ভাষাই হওক নাইবা আন ৰকমৰ যি কোনো দেশহিতকৰ কামেই হক তেতিয়াহে সেইবোৰে পূৰ্ণতা লাভ কৰে যেতিয়া দেশৰ কাজত বা সমাজত বহু বিষয়ত পিচ পৰি থকা কিন্তু অতি আৱশ্যকীয় অন্তৰতম গাঁও ভূঁইবোৰৰ পৰা প্ৰচুৰ পৃষ্ঠপোষকতা লাভ কৰে—যেতিয়াই গাঁৱলীয়া চুবুৰীয়াৰ আগ্ৰহ আকৰ্ষণ কৰে। আমাৰ সাহিত্য বা ভাষাৰ দুৰ্ব্বলতাৰ ইও এটা কাৰণ যে ই গাঁও-ভূঁইবোৰত এতিয়াও সম্পূৰ্ণ ভাৱে স্থান অধিকাৰ কৰিব পৰা নাই। আন কি দেশৰ মুখপাত স্বৰূপ চহৰ নগৰবোৰো মাজে সময়ে সেই ভাবে ভুমুকি মৰা দেখা যায়। তাৰ বাবেই আমাৰ ভাষা বা সাহিত্যৰ এতিয়াও ইমান দুৰ্ব্বলতা। শ্ৰুতিকটুৰ হলেও এই বিষয়ে অলপ উল্লেখ কৰাৰ প্ৰয়োজন।

নিজৰ ঘৰত সুখেৰে বাস কৰিবৰ ইচ্ছা কৰিলে তাত আনক অংশীদাৰ সোমাবলৈ দিব নেলাগে। আৰু বৰঘৰ বতাহে যাতে আনিষ্ট কৰিব নোৱাৰে তাৰ বাবে উৰুঘনি নপৰাকৈ ভাল দৰে ছোৱাই চাৰিওফালে বেৰ-খোৰ দি মচি কাচি লব লাগে। এইখিনি কৰি লব পাৰিলে সুখে থাকিবৰ আশা কৰিব পাৰি, আৰু সেয়ে নহৈ ওপৰত উল্লেখ কৰা কেইটাৰ কোনোটোৱে অলপ আশ্ৰয় পালেই ছেগ বুজি বেগ ধৰিবৰ সুবিধা এৰি নিদিয়ে; অৰ্থাৎ পৰা খিনি অপকাৰ কৰিবই। আমাৰ ভাষা আৰু সাহিত্যৰ বিষয়েও সেয়েই ভাবিব লগীয়া কথা। অসমীয়াৰ নিখুঁত সাহিত্য মন্দিৰ স্থাপন কৰিব খুজিলে তাত আনক অংশীদাৰ সোমাব দিব নেলাগে। আনৰ পৰা কেতিয়াবা ধন আদি গ্ৰহণ কৰিলেও তেওঁলোকৰ উদাৰতা বদান্যতাৰ বাবে ধন্যবাদ দি পৃষ্ঠপোষকৰ



আসনত আদৰ-সন্মান কৰি স্থান দিব লাগে। যিহেতু তেখেতসকল আমাৰ পৰম হিতকাৰক সেইবাবে তেখেতসকল আমাৰ অতি শ্ৰদ্ধাভাজন। গুণী আৰু গুণীৰ গুণক পূজা কৰাটোহে সভ্য সমাজৰ নীতি। গুণীক একে আসনত নবহুৱাই তেখেতসকলক আদৰ্শ স্থান দি তেখেতসকলৰ পদাঙ্ক অনুসৰণ কৰাইহে সমুচিত কৰ্ত্তব্য।

আত্মনিৰ্ভৰ কৰিবলৈ শিকিব লাগে। নিজে নিজৰ থকা ঘৰ কৰি লব নোৱাৰাটো অকামিলাৰ কথাহে। এনে অৱস্থাত সজ্জনৰ সদুক্তি 'Try to oil your own machine' (নিজৰ যন্ত্ৰ নিজে পৰিষ্কাৰ কৰিবলৈ চেষ্টা কৰা) এই কথা শিৰোধাৰ্য্য কৰিব লাগে।

আমি বহুতে এইবোৰ কথা মুখেৰে কওঁ সচা কিন্তু কাজৰ সময়ত হলে ভেবা লাগি চাই থাকোঁ, নাইবা তালৈ ভ্ৰূক্ষেপকে নকৰোঁ। আমি কওঁ আমাৰ ভাষা প্ৰচলিত হব লাগে, আমাৰ সাহিত্য টনকিয়াল হব লাগে। কিন্তু তাৰ বাবে আমি বিশেষ কাম কৰিছোঁ কি? আজিও আমি অইনৰ অঙ্গৰ ৰং-চঙত ভোল গৈ আপোন পাহৰা হৈ ভেবা লাগি চাই আছোঁ। আমি আমাৰ আমিত্বৰ পৰা যে কিমান দূৰত পৰিছোঁগৈ সেই বিষয়ে এতিয়াও লক্ষ্য কৰাই নাই। আমাৰ মাজত আমাৰ প্ৰকৃত বস্তু কিমান আৰু আনৰ বস্তুৱেই বা কিমান সোমাই তাৰ ওপৰত প্ৰভুত্ব খটাইছে সেই বিষয়ে এবাৰ ভাবি চোৱা নিতান্ত দৰকাৰ।

আমি সকলোৱে বৰ্ত্তমান অসমীয়াই কিয়, সমগ্ৰ উত্তৰ-পুৰ্ব্বভাৰত বাসীয়েই প্ৰাচীন কালৰ ধৰ্ম্মাৰণ্য বোলা ঠাইখিনিত বাস কৰিছোঁ আমালোক ধৰ্ম্ম-প্ৰধান দেশৰ মানুহ। কম বেচি হিচাবে ধনী-চহকী দীন-দৰিদ্ৰ, সুখী-দুখী সকলোৰে ধৰ্ম্মত আস্থা আছে। এই ধৰ্ম্ম ভাৱত আমাৰ ভাষা আৰু সাহিত্যৰ ভাব সোমাব পাৰিলে কি গাঁৱলীয়া-চুবুৰীয়া, কি নগৰীয়া বজৰুৱা সকলোৰে হৃদয়ত সেই ভাবে প্ৰভুত্ব কৰিব পাৰে। মহাপুৰুষ ৺শঙ্কৰদেৱ প্ৰভৃতি ধৰ্ম্মগুৰুসকলে সেই ধৰ্ম্ম ভাবৰ মাজেদিহে অসমীয়া ভাষা প্ৰচাৰ কৰিছিল শুণেহে আজিও পুৰণি ভকত বৈষ্ণৱৰ হিয়াত সেই ভাব আৰু ভাষাৰ একোটা ছাপ বহি আছে। কিন্তু বৰ লাজ আৰু পৰিতাপৰ কথা যে দেশৰ আদৰ্শস্থান বোলা অসমৰ ডাঙৰ ডাঙৰ নগৰ কেইবাখনতে ধৰ্ম্মভাৱত বিদেশী ভাষা আৰু সাহিত্যৰ প্ৰভাৱ প্ৰবল। অসমীয়াৰ বৰ তাল, নাগেৰা আৰু হাতৰ চাপৰিৰে ধৰা কীৰ্ত্তন-ঘোষা আদি নাম প্ৰসঙ্গৰ ঠাইত নৱদ্বীপৰ গোৰাঙ্গচাঁদৰ প্ৰৱৰ্ত্তিত খোল মঞ্জুৰাৰে গোৱা সঙ্কীৰ্ত্তনৰহে বেচি প্ৰচলন। আৰু তাকে দেখি ওচৰ চুবুৰীয়া গাঁও-বোৰতো তাৰে অনুকৰণ কৰিবৰ লোভ সামৰিব পৰা নাই। তাৰ ফলত আমাৰ দেশৰ গাঁওভূঁই-বোৰতে বিদেশী ভাষাৰ প্ৰভাৱহে যে ক্ৰমশঃ বাঢ়ি যাব তাত কোনো সন্দেহ নাই। এই দৰেই আমাৰ ভাষাৰ কটকটীয়া বান্ধো লাহে লাহে শিথিল হৈ আহিব ধৰিছে। তাকে নকৰি অসমীয়াৰ নিজা নাম-প্ৰসঙ্গ বৰগীত আদিৰ প্ৰচলন কৰা হলেই অসমীয়াৰ নিজত্ব, অসমীয়া সাহিত্যৰ বিশেষত্ব অটুত ৰখা হয়। অৱশ্যে ইয়াতো আনন্দ প্ৰকাশ নকৰি নোৱাৰি যে নগৰাদিত অসমীয়া ভাষাত ৰচিত সঙ্কীৰ্ত্তনৰো প্ৰচলন হৈছে। ইয়াৰ দ্বাৰাও তেনে ঠাইত আমাৰ ভাষাৰ কলেৱৰ বৃদ্ধি বা অঙ্গপূৰণ কৰাহে হৈছে যদিও বিদেশী ধৰণৰ বাজনা আদিৰ সহায়তহে গোৱা হয়।

ইয়াৰ পিচতে মন কৰিব লগীয়া হৈছে আমাৰ নাট্যমঞ্চৰ পিনে। এতিয়াও আমাৰ নাট্যমঞ্চৰ পৰা অন্য ভাষা আৰু সাহিত্যৰ প্ৰভাৱ সম্পূৰ্ণৰূপে আঁতৰা নাই; যদিও লেখত লব পৰা কেইখন মান নাট্যমঞ্চত মাত্ৰ দুই চাৰি খনহে অসমীয়া নাটক অভিনীত হয়। ইও যি হ'ক এই এটা বৰ দুখৰ কথা যে নগৰে চহৰে গাঁৱে ভূঁয়ে যাত্ৰা অভিনয় কৰি ফুৰা দলবিলাকৰ মাজত বিদেশী নাটকৰ প্ৰচলন বৰ বেচি। কেতিয়াবা কচিৎ হে অসমীয়া নাটকৰ অভিনয় অসমীয়া যাত্ৰা দলেও দেখুওৱা দেখা যায়। সম্ভৱতঃ ইয়াৰ প্ৰধান কাৰণ অসমীয়া ভাষাত লিখিত আৰু প্ৰকাশিত উপযুক্ত নাটক প্ৰচুৰ পৰিমাণে

নোহোৱাটোৱেই। এই অভাৱ অতি সোনকালে দূৰ কৰিবলৈ যত্ন কৰাটো বৰ আৱশ্যকীয় হৈ পৰিছে। তাৰ উপৰিও গাঁৱলীয়া সমাজত অতি প্ৰচুৰ পৰিমাণে প্ৰচলিত আৰু তেওঁলোকৰ সমাদৃত খুলীয়া সকলেও যি বোৰ যাত্ৰা দেখুৱায় সেইবোৰৰ ভাষাৰ গতি দেখিলে ভয় লাগে। ৰচিত মূল নাটকত কি ভাষা থাকে তাকেই অনুমান কৰিব নোৱাৰি, অভিনয়ত অভিনেতা সকলৰ সংমিশ্ৰিত ( জুগলী মোহন ) ভাষাৰ ঝঙ্কাৰ শুনি। মূল নাটকত বঙ্গভাষা থাকিলেও অভিনয়কৰ্ত্তাসকলে তাক অবৰ্ণনীয় ভাষাত পৰিণত কৰাহে দেখা শুনা যায়। ইয়াৰ প্ৰধান কাৰণ কোনো ভাষাত নিচেই কম জ্ঞান থকা নাইবা সমূলি অভিজ্ঞতা নথকা কিছুমান লোকৰ হাতত এটি বিদেশী বিজাতীয় আঁতিগুৰি নোপোৱা ভাষা পেলাই দিয়াটোহে। যি সকলে নিজৰ মাতৃ ভাষাতে কথা কবৰ বা অভিনয় কৰিবৰ উপযুক্ত হয়নে নহয় সন্দেহ সেই সকলক তেজস্বী হলেও সমূলি অভিজ্ঞতা নথকা ভাষা এটাৰ সহায়ত অভিনয় কৰি দেখুৱাব দিয়াত তাৰ যে কি অৱস্থা কৰিব পাৰে ই সকলোৰে সহজবোধ্য কথা।

যি কোনো ভাষাৰ সহায়তে দেখুওৱা নহওক মানুহে যাত্ৰাদিৰ অভিনয় চাবলৈ বৰ ভাল পায়। আৰু তাৰ অন্ততঃ মোটামোটি ভাবটোকে বুজিবলৈ সেই ভাষা বিষয়ক অলপ জ্ঞান লাভ কৰিবলৈ যত্ন কৰে। কাজে আমাৰ পৰিমাৰ্জ্জিত ভাষাৰ সহায়ত যদি যাত্ৰা অভিনয় আদি দেখুওৱা যায়, তেনেহলে তাক শিকিবলৈ যে দৰ্শকমণ্ডলীৰ মাজত এটা প্ৰবল ইচ্ছাৰ উদ্ৰেক নহব তাৰ কাৰণ কি? তাতে আকৌ গাঁৱলীয়া সমাজত এই ধৰণৰ অভিনয় আদি প্ৰচলন কৰাব পাৰিলে তাৰ দ্বাৰা যে বহু পৰিমাণে আমাৰ ভাষা আৰু সাহিত্যলৈ মানুহৰ মন আকৰ্ষণ কৰাব পৰা যাব ই ধ্ৰুৱ কথা।

এই বিষয়ে কিছুমানৰ মুখত এনে এটা আপত্তি শুনা যায় যে 'চহকী বঙ্গভাষা আদিৰ সহায়ত দেখুওৱা অভিনয়াদি দেখিবলৈ বা গান শুনিবলৈ মানুহৰ যিমান আগ্ৰহ আমাৰ নিস্তেজ অসমীয়া ভাষাৰে দেখুওৱা অভিনয় আদিলৈ তেওঁলোকৰ সিমান আগ্ৰহ একাগ্ৰতা নাহে। এই কথাটোও কিন্তু আমাৰ মনেৰে সম্পূৰ্ণ সঁচা বুলি ক'ব নোৱাৰোঁ। মানুহে যাত্ৰা চাওঁতে বা গান শুনোঁতে ভাষাৰ পিনে তেতিয়া মন কৰিবৰ সিমান অৱসৰ নেপায়, ভাব-ভঙ্গীৰ পিনে সিমান চকু ৰাখে। গতিকে যি কোনো ভাষাৰ মাজেৰেই হক, গান যাত্ৰাদিৰ ভাবভঙ্গী স্পষ্টকৈ দৰ্শকক দেখুৱাব পাৰিলেই দৰ্শকৰ চিত্ত তাৰ প্ৰতি আকৃষ্ট হয়। ভাষাৰ আলোচনা হয় পিচতহে। গতিকে অসমীয়া ভাষাৰে ভাল দৰে অভিনয়াদি কৰি দেখুৱালে ( অৱশ্যে সেয়েই উপযুক্ত ভাব-ভঙ্গী আদি ব্যক্ত কৰিব পাৰিব লাগিব ) যে মানুহৰ মন সি আকৰ্ষণ নকৰিব তাক স্বীকাৰ কৰিব নোৱাৰি। তদুপৰি আজিকালি অসমীয়া সাহিত্যকো নিস্তেজ বুলি কোনো মতে কব নোৱাৰি।

আৰু এটা কথালৈ মন কৰিলে সকলো বাৰ খিতওাৰ ওৰ আপত্তিকাৰীয়ে আপুনি পেলাব পাৰিব। আমাৰ দেশত সুকবি নাৰায়ণদেৱৰ ৰচিত শুকনান্নী বা পদ্মপুৰাণৰ নাইবা মাৰ্কণ্ডেয় পুৰাণৰ পদ শুনি কাৰবাৰ মনত কেতিয়াবা আমনি লাগেনে? ভাৰবীয়া (ওজা) সকলে গোৱা ভীমচৰিত, বকাসুৰ বধ, সীতাৰ বনবাস আদি মহাভাৰত ৰামায়ণৰ পদ শুনিবলৈ কাৰ মনৰ ইচ্ছা নোপজে? সম্ভৱতঃ ইয়াক দুই কৰিবৰ কাৰো ক্ষমতা নাই।

ইয়াৰ উপৰিও আৰু এটা মন কৰিব লগীয়া কথা আছে। আমাৰ ঠাইত বিশেষকৈ গাঁও-ভূঁই বোৰত খুলীয়া আদিয়ে যিবোৰ ভাওনা দেখুৱাই তাৰ প্ৰায় আটাইবোৰেই পৌৰাণিক ঘটনামূলকহে। সেই ভাওনা বোৰ দেখাৰ পৰা দৰ্শকসকলৰ মনত যি দৰে পৌৰাণিক ঘটনাবোৰৰ বিষয়ে এটি আঁচ বহে তাৰ উপৰিও ভক্তি আদি ভাবৰ উদ্ৰেক হয় সেই দৰে মাজে মাজে দেশৰ ঐতিহাসিক ঘটনামূলক দুই এখন নাট অভিনয় কৰি দেখুৱালেও পুৰণি কালৰ দেশৰ গতিবিধি আৰু



স্বদেশ প্ৰেমিকতা আদি ভাব উদয় নোহোৱাৰ কোনো কাৰণ নাই। আৰু এই ধৰণৰ ভাওনাৰ দ্বাৰায়ে গাঁও বোৰতো নিজৰ জাতীয় অৱস্থা আৰু গৌৰব কাহিনী আদি অতি সহজে হৃদয়ঙ্গম কৰাব পাৰি। যদি কেতিয়াবা অসম-জীয়াৰি 'জয়মতী' নাটকৰ অভিনয় কৰি গাঁৱৰ তিৰোতাসকলক দেখুওৱা হলহেঁতেন তেনেহলে তেওঁবিলাকে সহজে আমাৰ দেশৰ পুৰণি কালৰ নাৰীচৰিত্ৰ সটকাই বুজি পালেহেঁতেন। কিন্তু এতিয়া হলে ভিতৰুৱা গাঁওবোৰত 'জয়মতী' বা লাঙ্গী 'গদাপাণী'ৰ নামৰ চিনা পৰিচয়েই নাই। ইয়াৰ দ্বাৰাও সাহিত্য আৰু ভাষা প্ৰচাৰ বিষয়ৰো বহুত কাৰ্য্য হয়। লগে লগে দেশৰ বুৰঞ্জী, অৱস্থা দুৰৱস্থা গতি-বিধি, আৰু স্বদেশ প্ৰেমিকতা আদি বহু বিষয়তে অনায়াসে অভিজ্ঞতা হয়।

বৰ আনন্দৰ কথা যে অসমীয়া কেইটামান যাত্ৰাদলে অসমীয়া ভাষাৰ সহায়তে পৌৰাণিক আৰু বুৰঞ্জীমূলক নাটকৰ অভিনয় কৰি নগৰে নগৰে আৰু গাঁও-ভূঁইবোৰতো দেখুৱাই অসমীয়া সাহিত্য-সেৱা ব্ৰতত ব্ৰতী হৈছে। এই সুচলতে আমি সেই সেই দলৰ অনুষ্ঠাতা, পৰিচালক আৰু সহায় কৰোঁতাসকলৰ মঙ্গলময় সুদীৰ্ঘ জীৱন কামনা কৰিছোঁ, যাতে ভগৱন্ত পুৰুষে তেখেতসকলক ৰঙ্গমঞ্চৰ সহায়ত অসমীয়া সাহিত্যৰ সুপ্ৰতুল সেৱা কৰি যাবৰ গতি মতি দিয়ে।

ইয়াতকৈও হৰ্ষৰ কথা যে শ্ৰদ্ধাস্পদ শ্ৰীযুক্ত জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে অসমীয়া ভাষাতে সবাক চলচ্চিত্ৰ প্ৰচলন কৰি অসমীয়াৰ জাতীয় সঙ্গীত আৰু নাট্যৰ কথা দেশ বিদেশত প্ৰচাৰ কৰাৰ লগে লগে অসমীয়া ভাষা আৰু সাহিত্যৰো যথেষ্ট ৰূপে দিগ্‌দিগন্তৰতো জেউতি বঢ়াবৰ বাট মুকলি কৰিবলৈ বদ্ধ-পৰিকৰ হৈছে। ভগৱানে সেই কাৰ্য্য নিৰ্ব্বিঘ্নে সমাপন কৰি তুলিব দিলে ইয়াৰ দ্বাৰা অসমীয়া সঙ্গীত, নাট্য আদি কলা জগতত আৰু সাহিত্য ক্ষেত্ৰতো যুগান্তৰ অনা হব। সৰ্ব্বমঙ্গলা জগজ্জননীৰ মঙ্গলময় শ্ৰীপাদপদ্মত তেখেতৰ কৰ্ম্মময় সুদীৰ্ঘ জীৱন কামনা কৰি আমাৰ সৰল অন্তঃকৰণৰ ধন্যবাদ তেখেতৰ ওচৰত জ্ঞাপন কৰিছোঁ। এই কাৰ্য্যত তেখেতক সহায় সম্বল দিওঁতা আৰু অভিনেতা অভিনেত্ৰী সকলো নিশ্চয় আমাৰ প্ৰশংসাৰ পাত্ৰ।

[ সভ্য মহোদয় সকল! মোৰ আৰু আপোনালোকক বেজাৰ দিবৰ মন নাই। এই অভাজনৰ এই অকিঞ্চিৎকৰ কথাখিনিকেই যে আপোনালোকে কৰ্ণ ভৰি শুনিছে তাৰ বাবে আপোনালোকৰ ওচৰত সৰল কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ; আৰু এইখিনিৰ মাজত ঘটা চ্যুতি বিচ্যুতি দোষ আপোনালোকে নিজ নিজ ক্ষমা গুণে মৰিষণ কৰিব বুলি প্ৰাৰ্থনা জনাইছোঁ। ]

ওঁ শান্তিঃ! ওঁ শান্তিঃ!! ওঁ শান্তিঃ!!!

শান্তিৰেব শান্তিঃ।

## ৺কমলাকান্ত ভট্টাচাৰ্য্য।

স্বৰ্গীয় কমলাকান্ত ভট্টাচাৰ্য্যৰ মৃত্যুক অকাল মৃত্যু বুলিব নোৱাৰি; তেওঁ বুঢ়া বয়সত স্বৰ্গী হৈছে। তথাপি অসমীয়া মানুহৰ পক্ষে ই অতি শোকৰ ঘটনা। অসম মাতৃৰ এই সুযোগ্য সন্তানে কুৰুলীয়া কালৰে পৰা মৃত্যুৰ দিনলৈকে সদায় অবিশ্ৰান্তে সাহিত্য আৰু সমাজ সেৱা কৰি গৈছে। তেওঁৰ সৰল কবিতা মধুৰ ভাবৰ প্ৰবন্ধ আৰু জ্ঞানগৰ্ভ বক্তৃতাবোৰ অসমীয়া সাহিত্যিক মাত্ৰৰে সুপৰিচিত।

কমলাকান্ত ভট্টাচাৰ্য্য উদাৰ, সৰল আৰু নিভিক মনৰ সুপণ্ডিত লোক আছিল। তেওঁৰ মনৰ প্ৰশস্ততা, শিশু-সুলভ সৰলতা, কামত একাগ্ৰতা আৰু কৰ্ত্তব্য কাৰ্য্যত ঐকান্তিক নৈষ্ঠিকতা সকলোৰে অনুকৰণীয়। তেওঁ একেলগে কবি, দাৰ্শনিক, সুবক্তা, সদ্বিবেচক আৰু দেশহিতৈষী পুৰুষ আছিল। তেওঁৰ হাতে লিখা পুথি "অষ্টাবক্ৰ" এখন সুবৃহৎ দাৰ্শনিক গ্ৰন্থ। তেওঁ তাক প্ৰকাশ কৰি থৈ যাবলৈ নেপালে; সেই বাবে তেওঁৰ মনত দুখ গ'ল। আশা কৰোঁ কোনোবাই এই পুথিখন প্ৰকাশ কৰি তেওঁৰ অভিলাষ পূৰ্ণ কৰিবলৈ সমৰ্থ হ'ব। আন দেশত ওপজা হলে কমলাকান্ত ভট্টাচাৰ্য্যাই মৃত্যুৰ পূৰ্ব্বতে আৰু অনেক অধিক সন্মান লাভ কৰি গলহেঁতেন।

তেওঁ অসম সাহিত্য সন্মিলনৰ ভূতপূৰ্ব্ব সভাপতি আছিল। দুখীয়া অসম দেশৰ দুখীয়া সাহিত্যিক সকলৰ হাতত তাতকৈ আৰু ডাঙৰ সন্মান এতো নাই। তেওঁক সভাপতি স্বৰূপে পাই অসমীয়া সাহিত্যিকসকলে অতিশয় প্ৰীতি লাভ কৰিছিল।

আমি আশা কৰিছোঁ আমাৰ দেশত যেন কমলাকান্তৰ দৰে সৎসাহসী, চিন্তাশীল, সৰল প্ৰকৃতি উৎসাহী আৰু অনেক কৃতি সন্তানৰ আবিৰ্ভাৱ হয়। আমি কমলাকান্ত ভট্টাচাৰ্য্যৰ পবিত্ৰ আত্মাৰ সদ্গতি কামনা কৰিছোঁ।

## সমালোচনা।

আমি তলত লিখা কিতাপ দুখন সমালোচনাৰ বাবে পাইছোঁ—(১) মালঞ্চ আৰু (২) সীতা। এই দুখন কিতাপৰ লিখক যোৰহাটৰ শ্ৰীমান কৰুণাধৰ বৰুৱা। দুইখন কিতাপ "দৰ্পণ প্ৰেচ্, যোৰহাট" এই ঠিকনাত তেওঁলৈ লিখিলে পোৱা যায়।

বিশেষ কাৰণৰ বাবে, আমি এই দুখন কিতাপৰ বিস্তাৰিত সমালোচনা কৰিলে অশোভন হ'ব বুলি আশঙ্কা হয়। গতিকে, মুঠতে আমি ইমানকে কৈ থওঁ যে এই কিতাপ দুখন পাই আমি সন্তোষ পাইছোঁ। দুয়োখন কিতাপ ভাল হৈছে। "মালঞ্চ" বোলাখন গীতৰ কিতাপ। ইয়াৰ ভাব সুৰলা আৰু ভাষা আৰু ছন্দ আদি সুললিত হৈছে। "সীতা" বুলিবৰ খন গদ্যত লিখা এখনি সৰু নাট। ইয়াৰ ভাষা, ভাব আৰু দৃশ্য পট আদিৰ সমাবেশ লাগিব লগীয়া।

দুইখন কিতাপৰে কাগজ আৰু ছপা আদিও ভাল হৈছে, আৰু দামো সমূলি সৰহ হোৱা নাই। এই নতুন লিখকক, সাহিত্যানুৰাগীসকলে উৎসাহ দিব বুলি আমি আশা কৰিছোঁ।